# লেছেৰি

নামৰূপ মহাবিদ্যালয়ৰ উপাধ্যক্ষ
আৰু ৰসায়ন বিজ্ঞান বিভাগৰ
সহযোগী অধ্যাপক
ড০ পদ্ম আচাৰ্য্য ছাৰৰ
প্ৰতি

## অভিনন্দন পত্ৰিকা



শিক্ষক গোট
নামৰূপ মহাবিদ্যালয়
পৰ্ব্বতপুৰ - ৭৮৬ ৬২৩
২০২৫ বৰ্ষ

সম্পাদকমণ্ডলী
বিজুমণি দাস
ড০ অংকুৰ নাথ
খুচবু আগৰৱাল




প্ৰতি,

.....................................................................................

.....................................................................................

**সম্পাদক মণ্ডলী**

ৰিজুমণি দাস

ড০ অংকুৰ নাথ

খুচবু আগৰৱাল

**শিক্ষক গোট**

**নামৰূপ মহাবিদ্যালয়**

**পৰ্ব্বতপুৰ -৭৮৬৬২৩**

**২০২৫ বৰ্ষ**

# 'লেছেৰি'- নামৰূপ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ দ্বাৰা প্ৰকাশিত অভিনন্দন পত্ৰিকা

**সম্পাদকমণ্ডলী** ঃ-
ৰিজুমণি দাস
ড০ অংকুৰ নাথ
খুচবু আগৰৱাল

**প্ৰকাশক** ঃ- নামৰূপ মহাবিদ্যালয় শিক্ষক গোট

**মুদ্ৰক** ঃ- অসমী অফছেট প্ৰিণ্টিং প্ৰেছ, নামৰূপ

**প্ৰকাশকাল** ঃ- ২০২৫ বৰ্ষ

# নামৰূপ মহাবিদ্যালয়, নামৰূপ

## নামৰূপ মহাবিদ্যালয়ৰ উপাধ্যক্ষ আৰু ৰসায়ন বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক
## ড০ পদ্ম আচাৰ্য্য ছাৰলৈ

## সম্বৰ্দ্ধনা পত্ৰ

**স্থান ঃ- নামৰূপ মহাবিদ্যালয়**
**দিনাংক ঃ- ৩১ মাৰ্চ, ২০২৫**

*"সুখৰ মিনাকৰা বাটচ'ৰা*
*দুখৰ জহি যোৱা ৰূপালী তোৰণ*
*যাওঁগৈ বুলি ক'লেই জানো বিদায় !*
*কোনে মচি পেলাব পাৰিব*
*বুকুত লিখা সোঁৱৰণিৰ শব্দ।"* (প্ৰণৱ কুমাৰ বৰ্মন)

শ্ৰদ্ধাভাজনেষু,

পোনপ্ৰথমে নামৰূপ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সমূহ সদস্যৰ তৰফৰ পৰা আপোনালৈ জ্ঞাপন কৰিছোঁ সশ্ৰদ্ধ প্ৰণাম আৰু আন্তৰিক কৃতজ্ঞতা। পাইটাই পাদদেশত অৱস্থিত উচ্চশিক্ষাৰ অনুষ্ঠান নামৰূপ মহাবিদ্যালয়ত ১৯৯২ চনৰ জুলাই মাহৰ ১৪ তাৰিখৰ পৰা ৰসায়ন বিজ্ঞান বিভাগৰ অধ্যাপকৰূপে যোগদান কৰি আজি সুদীৰ্ঘ প্ৰায় ৩৩ বছৰ জ্ঞানৰ সঁফুৰা বিলাই আলোকসন্ধানীসকলক শিক্ষাৰ জ্যোতিৰে জ্যোতিষ্মান কৰাত আপুনি যি আগভাগ ল'লে সেয়া সঁচাকৈ প্ৰশংসনীয়। কৰ্মজীৱনত নিষ্ঠা আৰু সততাৰে আগবঢ়োৱা আপোনাৰ সেৱা অমূল্য আৰু অমৃত। একেলগে আপুনি বিচক্ষণতাৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষৰূপে মহাবিদ্যালয়খনৰ শৈক্ষিক দিশৰ সৰ্বাঙ্গীন উন্নতিত যি অৱদান আগবঢ়ালে তাৰবাবে আমি কৃতজ্ঞ।

হে মহানুভৱ,

আপোনাৰ মননশীলতা, দূৰদৰ্শিতা, গতিশীল সময়োপযোগী ইতিবাচক দৃষ্টিভংগী, চিন্তাৰ স্বচ্ছতা আৰু সঠিক সিদ্ধান্ত ল'ব পৰা দক্ষতাৰ কথা আমাৰ সকলোৰে জ্ঞাত। আপুনি দীৰ্ঘ সময় ধৰি বিদ্যায়তনিক আৰু প্ৰশাসনিক সেৱা আগবঢ়াই মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে যি ত্যাগ স্বীকাৰ কৰিছে, সেয়া মহাবিদ্যালয়ৰ পৰিয়ালে সদায় স্মৰণ কৰিব। সমাজ সচেতন, সৎ সাহসী আৰু নৈতিকভাৱে পুষ্ট উজ্বল মানসিকতাৰ নাগৰিক আৰু সুদক্ষ শিক্ষক হিচাপে আপুনি আগবঢ়োৱা অক্লান্ত শ্ৰম আৰু মানসিক কচৰৎ আমি নতশিৰে স্বীকাৰ কৰি আপোনালৈ যাঁচিছো কৃতজ্ঞতাৰ অঞ্জল শৰাই।

হে মান্যবৰ,

আজি আপোনাৰ আনুষ্ঠানিক বিদায়ৰ পৱিত্ৰক্ষণত আপোনালৈ যাচিলো হিয়াভৰা শুভকামনা। সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱনৰ অধিকাৰী হৈ সমাজ-জীৱনলৈ আৰু অধিক ইতিবাচক অৱদান আগবঢ়াই যাওঁক।

শেষত সশ্ৰদ্ধা সস্নেহে...

ইতি
আপোনাৰ গুণমুগ্ধ
নামৰূপ মহাবিদ্যালয় শিক্ষক গোট

# সম্পাদকীয়

সময় সোঁৱৰণীৰ এখিলা পাত। সময়ৰ আঁচোৰ প্ৰতিটো বস্তুতে পৰিদৃষ্টমান। মানুহৰ জীৱন পৰিক্ৰমাও ইয়াৰ পাৰ ব্যতিক্ৰম নহয়। গতিশীল সময়ে তাৰ পৰিক্ৰমাৰে সকলোকে জোখে আৰু জীৱনৰ হেঁপাহৰ সুৰ সিঁচি কৰ্ম ব্যস্ততাৰে অতিবাহিত কৰা জীৱনৰ স্মৃতি সামৰিব লগা হয়।

আনুষ্ঠানিক কৰ্মৰ সফল পৰিসমাপ্তিৰ নামেই অৱসৰ। অৱসৰ এক আনুষ্ঠানিকতা, য'ত নিহিত হৈ থাকে এটা অনুষ্ঠান, এখন সমাজৰ লগত জড়িত ওতঃপ্ৰোত সম্পৰ্কৰ স্মৃতি। যিবোৰ স্মৃতিয়ে অৱসৰকালীন সময়ক সোণালী কৰি মানস পটত দোলা দি থাকিব। এনে মধুৰ স্মৃতি ধৰি ৰখাৰ এটি সামান্য প্ৰয়াসৰ নামেই 'লেছেৰি'। পৰম্পৰা অনুসৰি নামৰূপ মহাবিদ্যালয়ৰ পৰিয়ালৰ পৰা কেনোবা জ্যেষ্ঠৰ অৱসৰ গ্ৰহণৰ প্ৰাক্‌মূহুৰ্তত মহাবিদ্যালয়ৰ প্ৰতিগৰাকী সহকৰ্মীয়ে নিজৰ অনুভৱৰ স্মৃতিৰ লেছেৰিসমূহ একগোট কৰি সাঁচি থয়। তাৰেই প্ৰয়াস এই অভিনন্দন পত্ৰিকা 'লেছেৰি'।

চৰকাৰী চাকৰিয়ালসকলে চৰকাৰৰ নীতি অনুসৰি ৬০ বছৰত অৱসৰ গ্ৰহণ কৰে। এই নীতি অনুসৰি মহাবিদ্যালয়ৰ সুদক্ষ উপাধ্যক্ষ তথা ৰসায়ন বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড০ পদ্ম আচাৰ্য্যদেৱৰ অৱসৰ সমাগত। আজি সুদীৰ্ঘ প্ৰায় ৩৩ বছৰে মহাবিদ্যালয়ৰ প্ৰশাসনিক আৰু বিদ্যায়তনিক দিশত সেৱা আগবঢ়াই মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে যি ত্যাগ স্বীকাৰ কৰি থৈ গৈছে, সেয়া মহাবিদ্যালয়ৰ পৰিয়ালে সদায় স্মৰণ কৰিব। আপোনাৰ অসীম ত্যাগ আৰু অমূল্য সেৱাই মহাবিদ্যালয়খনৰ বিকাশত যথেষ্ট বৰঙণি আগবঢ়ালে। গতিশীল সময়ে এই অনুষ্ঠানৰ পৰা অৱসৰী জীৱনলৈ আগবঢ়াই দিলেও আপুনি সৰবৰহী ব্যক্তি হৈ আন এখন সমাজত সদায় জিলিকি থাকিব। আপোনাৰ দৰে এগৰাকী সুদক্ষ শিক্ষকৰ অৱসৰী জীৱনলৈ আগবঢ়াই দিয়াৰ সময়ত আপোনালৈ অভিনন্দনমূলক পত্ৰিকা 'লেছেৰি' সম্পাদনাৰ দায়িত্ব পোৱাত আমি নথৈ আনন্দিত। এই পত্ৰিকাৰ জৰিয়তে ড০ পদ্ম আচাৰ্যদেৱলৈ নামৰূপ মহাবিদ্যালয়ৰ সমূহ পৰিয়ালবৰ্গই তেখেতৰ আগন্তুক জীৱনলৈ শুভেচ্ছা জনাইছোঁ, যাতে সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱনৰ অধিকাৰী হৈ আমাৰ সমাজ জীৱনলৈ আৰু অধিক ইতিবাচক অৱদান আগবঢ়াই যাবলৈ সক্ষম হয়।

শেষত, 'লেছেৰি' প্ৰকাশ কৰাত বিশেষভাৱে সহায় তথা লেখনিসমূহ প্ৰদান কৰি সম্পাদনাৰ কামত সহযোগিতা আগবঢ়োৱা প্ৰতিগৰাকী শিক্ষক-কৰ্মচাৰীলৈ সম্পাদনা সমিতিয়ে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে আমাক 'লেছেৰি' সম্পাদনাৰ বাবে গুৰু দায়িত্ব দিয়া মহাবিদ্যালয়ৰ শিক্ষক গোটক ধন্যবাদ জনাইছোঁ। অতি কম সময়ৰ ভিতৰত 'লেছেৰি' ছপা কৰি আমাৰ হাতত তুলি দিয়া 'অসমী প্ৰিণ্টিং প্ৰেছ'ৰ স্বত্বাধিকাৰী আৰু সমূহ কৰ্মকৰ্তাক সম্পাদনা সমিতিৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। সৰ্বশেষত, অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে নতশিৰে ক্ষমা বিচাৰিছোঁ।

সম্পাদনা সমিতি
ৰিজুমণি দাস
ড০ অংকুৰ নাথ
খুচবু আগৰৱাল

দিনাংক ঃ- ৩১-০৩-২০২৫

# সূচীপত্ৰ


- অন্তৰংগ আলাপ  ১
- এজন প্ৰকৃত শিক্ষকৰ অৱসৰত মোৰ অনুভৱ ✍ ড০ দূৰ্গা প্ৰসাদ গগৈ /১২
- ড০ পদ্ম আচাৰ্য্যৰ অৱসৰ ক্ষণত একাষাৰ ✍ মঞ্জু কটকী/১৫
- শুভেচ্ছাবাণী ✍ দিপালী দত্ত বৰদলৈ/১৫
- Dr. Padma Acharyya ✍ ইন্দিৰা দেৱ চৌধুৰী/১৫
- ড০ পদ্ম আচাৰ্য্যলৈ অভিনন্দন ✍ সঞ্জয় কুমাৰ শীল/১৬
- অৱসৰী জীৱনলৈ অভিনন্দন ✍ বিমল চন্দ্ৰ গগৈ/১৮
- ড০ পদ্ম আচাৰ্য্যলৈ একলম ✍ উৎপলা বৰুৱা বৰ্মন/১৯
- ড০ পদ্ম আচাৰ্য্যলৈ আনুষ্ঠানিক কৰ্মজীৱনৰ সামৰণিত ✍ ড০ ৰঞ্জনা বৰা বৰদলৈ/২০
- ড০ পদ্ম আচাৰ্য্যলৈ অভিনন্দন ✍ ড০ জিতু বুঢ়াগোহাঁই/২১
- স্মৃতিৰ বুলনি ✍ দৰদী শইকীয়া বড়া /২৩
- ড০ পদ্ম আচাৰ্য্যদেৱলৈ একলম ✍ তৃপ্তি মজুমদাৰ হাজৰিকা /২৪
- Dear Friend Dr. Padma Acharyya ✍ হিজাম হেমেন্দ্ৰ সিং /২৫
- শ্ৰদ্ধাৰ আচাৰ্য্যদালৈ বুলি একলম ✍ ইন্দিৰা বৰুৱা /২৭
- শ্ৰদ্ধাৰ পদ্মদাৰ কৰ্মজীৱনৰ সফল সামৰণিত ✍ ইন্দিৰা বৰুৱা /২৮
- পৰম বিশ্বাসী বন্ধু....পদ্ম দা ✍ ড০ মহিন্দৰ সিং/২৯
- With regards to the person with contagious/ magnetic laughter ✍ ড০ আচিফা চোভান /৩০
- 'জীৱন' - যোগাত্মকতাৰ এক সেন্দুৰীয়া ফচল ✍ ড০ ছবি গগৈ /৩১
- A few lines for Padma da... ✍ মৌচুমী কোঁৱৰ /৩৪
- আচাৰ্য্যদালৈ দুআষাৰ ✍ ড০ নিবেদিতা ফুকন /৩৪
- To Respected Acharyya Sir ✍ দিপ্তী দত্ত শইকীয়া /৩৫
- Feelings on your Retirement ✍ ড০ অসীমজ্যোতি বৰুৱা /৩৫
- আচাৰ্য্য দালৈ একলম... ✍ ৰূপক কুমাৰ বৰগোহাঁই /৩৬
- অনন্য বক্তিত্ব ড০ পদ্ম আচাৰ্য্য ছাৰ ✍ বিনীতা বড়া /৩৭
- নামৰূপ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ আচাৰ্য্য ছাৰলৈ একলম ✍ প্ৰণিতা ৰাজখোৱা/৩৯
- শ্ৰদ্ধাৰ পদ্ম আচাৰ্য্য ছাৰ ✍ কল্যাণ গগৈ /৪১
- অনুভৱৰ একলম ✍ মন্দিৰা বুঢ়াগোহাঁই/৪২
- শেষৰ আৰম্ভণিত অনুভৱৰ খুদুৰণি ✍ ড০ জয়ন্ত সোনোৱাল /৪৩
- Fond Recollections with Respected Acharyya Sir ✍ ডেইজী ৰাণী দলে/৪৬
- শ্ৰদ্ধাৰ ড০ পদ্ম আচাৰ্য্য ছাৰলৈ শুভেচ্ছামূলক অভিনন্দন ✍ ৰিজুমণি দাস /৪৭
- To respected Dr. Padma Acharyya Sir ✍ ড০ উৰ্মিকা ফাংচপী /৪৮
- To Respected Acharyya sir, a true mentor… ✍ চাজিদুৰ ৰহমান /৪৯
- Honouring Dr. Padma Acharyya Sir ✍ কৃষ্ণ কলিতা /৫০

- To my inspiration, guide & mentor… ✍ কাকলি বৰুৱা /৫০
- A few lines to respected Dr. Padma Acharyya Sir ✍ ড০ ঋতুৰাজ দত্ত/৫১
- শ্ৰদ্ধাৰে ছাৰলৈ একলম ✍ বিতপী সোণোৱাল/৫১
- A Legacy of Wisdom and Dedication : Dr. Padma Acharyya Sir ✍ পৰিস্মিতা বৰা/৫২
- The Architect of Holistic Development at Namrup College ✍ ড০ অংকুৰ নাথ/৫৩
- Best Wishes ✍ খুচবু আগৰৱাল/৫৪
- শুভেচ্ছাবাণী ✍ অচিন্ত গগৈ/৫৫
- Few words to Respected Dr. Padma Acharyya Sir ✍ অন্তৰা হাজৰিকা/৫৫
- ৰঙীণ মনৰ আচাৰ্য্য ছাৰ ✍ দিপাংকৰ গগৈ/৫৬
- To a New journey ahead !! ✍ নিডলী কোঁৱৰ/৫৭
- শ্ৰদ্ধাৰ ড০ পদ্ম আচাৰ্য্য ছাৰলৈ শুভেচ্ছাৰে... ✍ জয়শ্ৰী বৰা/৫৭
- To Respected Acharyya Sir ✍ পূৰ্ণিমা বৰুৱা/৫৮
- নামৰূপ কলেজ ✍ জানমণি ফুকন/৫৮
- শ্ৰদ্ধাৰ ড০ পদ্ম আচাৰ্য্য ছাৰলৈ একলম ✍ পূৰবী ৰাজখোৱা/৫৯
- Best wishes to Acharyya Sir ✍ পম্পী গগৈ/৫৯
- শ্ৰদ্ধাৰ আচাৰ্য্য ছাৰ ✍ অমিত কুমাৰ লোধ/৬০
- Best Wishes ✍ প্ৰীতিৰেখা কোঁৱৰ/৬০

# শ্ৰদ্ধাৰ ড০ পদ্ম আচাৰ্য্য ছাৰৰ সৈতে অন্তৰংগ আলাপ

***(১) কৰ্মসূত্ৰে আপুনি নামৰূপ মহাবিদ্যালয়ৰ লগত কেনেদৰে জড়িত হ'ল সেই বিষয়ে জনাব নেকি ?***

উত্তৰ ঃ- ১৯৯০ চনৰ কথা, ৰসায়ন বিজ্ঞান বিভাগত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰাৰ পাছতে হাতত এটি কাপোৰৰ বেগ আৰু ১০০০ টকাৰ টোপোলা এটি লৈ ফেৰীৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ পাৰে চাকৰিৰ সন্ধানত ঘৰৰ পৰা ওলাই গ'লো। সেই সময়ত জোনাই, মাছখোৱা, ঢকুৱাখানা, নাৰায়ণপুৰ অঞ্চলৰ শিক্ষানুষ্ঠানসমূহত বিষয় শিক্ষকৰ চাকৰি পাইছিলো কিন্তু সেই অঞ্চলবিলাকলৈ যাবৰ বাবে যাতায়তৰ ব্যৱস্থা বৰ সুবিধাজনক নাছিল। তথাপিও জীৱন নিৰ্বাহৰ বাবে চাকৰি এটা বৰ প্ৰয়োজন হৈ পৰাত মাছখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়তে যোগদান কৰিম বুলি ভাবি ঘৰলৈ উভতি আহিলো। সেই সময়তে, আকৌ মোৰ সহপাঠী ড০ অনিল শইকীয়া (বৰ্তমান IITG ত কৰ্মৰত) আৰু মই দুয়োৱে একেলগে যোৰহাটৰ RRL ত ড০ আৰ. পি. শৰ্মা (HoD, Natural Product Division) তত্বাৱধানত গৱেষণাৰ সহায়ক হিচাবে যোগদান কৰাৰ সুযোগ পাইছিলোঁ। তেনে সময়তে মোৰ আন এজন সহপাঠী ৰঞ্জিত তামুলীয়ে (তেতিয়া এ. পি. এলত কৰ্মৰত আৰু পিছত অ'ইল ইণ্ডিয়া দুলীয়াজানৰ পৰা অৱসৰ ল'লে) এটি বাৰ্তা দিলে যে, নামৰূপ কেন্দ্ৰীয় বিদ্যালয়ত স্নাতকোত্তৰ শিক্ষক (অস্থায়ী)ৰ পদ এটা খালি হৈ আছে। চাকৰিসূত্ৰে যিহেতু মোৰ দেউতাই ৰাজগড়ৰৰ ওচৰৰ দিঁৰৈ বাগানত থকাৰ বাবে ঘৰৰ ওচৰত অৱস্থিত কেন্দ্ৰীয় বিদ্যালয়, নামৰূপত সাক্ষাৎকাৰ দি চাকৰি জীৱনৰ পাতনি মেলিলো। স্কুলৰ পিছফালৰ সীমাবেৰাৰ কাষতে অৱস্থিত নামৰূপ মহাবিদ্যালয়খন সদায় দেখি থাকো খবৰ কৰি গম পালো বিজ্ঞান শাখাতো চৰকাৰৰ আওতালৈ অহা নাই যদিও হয়তো দুই-এবছৰৰ ভিতৰত চৰকাৰীকৰণ (Deficit Grant Aid) হ'ব। ১৯৯০ চনৰ ডিচেম্বৰ মাহত সেইকথা ভালদৰে জ্ঞাত হোৱাৰ উদ্দেশ্যে সেই সময়ৰ অধ্যক্ষ আমাৰ সকলোৰে অতি শ্ৰদ্ধাৰ স্বৰ্গীয়া ভৰ কোঁৱৰ ছাৰক লগ কৰিবলৈ আহিলোঁ। কোঁৱৰ ছাৰে প্ৰায় আধা ঘণ্টামান মোৰ লগত বৰ্তালাপ কৰি, যদি সম্ভৱ হয় তেন্তে জানুৱাৰী মাহৰ পৰাই যোগদান কৰাৰ অনুমতি দিলে। তেখেতৰ সেই মৌখিক নিযুক্তিয়ে মই কেন্দ্ৰীয় বিদ্যালয়ৰ চাকৰি এৰি ১৯৯১ চনৰ জানুৱাৰী মাহত নামৰূপ মহাবিদ্যালয়ত যোগদান কৰিলো। সৌভাগ্যৰ কথা এয়ে যে, ১৯৯২ চনৰ জুলাই মাহৰ পৰা বিজ্ঞান শাখাতো Deficit Grant Aid ব্যৱস্থাৰ দ্বাৰা চৰকাৰৰ আওঁতালৈ আহিল। এনেদৰেই মই এই মহাবিদ্যালয়খনৰ লগত জড়িত হৈ পৰিলোঁ।

***(২) বিদ্যায়নতনিক দিশৰ লগতে নামৰূপ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নয়নৰ লগত আপুনি ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। এই বিষয়ে আপোনাৰ অভিজ্ঞতা কেনে ?***

উত্তৰ ঃ- নামৰূপ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ উত্তৰণৰ লগতে ইয়াৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলোৱে যথেষ্ট কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছে। এই আপাহতে, মই যি সকল নমস্য বক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগৰ বাবে এই উচ্চ শিক্ষা প্ৰতিষ্ঠানে ৰূপ লাভ কৰিলে, সেইসকল ব্যক্তিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৯১ চনত মই যেতিয়া এই মহাবিদ্যালয়খনত নিযুক্তি লাভ কৰো, তেতিয়া মহাবিদ্যালয়খনৰ যিটো পৰিকাঠাম একেবাৰে দুঃখজনক আছিল। পকী কোঠা কেইটামানহে, বেছিসংখ্যক শ্ৰেণীকোঠা বাঁহৰ, তলখন কেঁচা আৰু ওপৰত টিনৰ চালি। আনকি ভালকৈ বহিবলৈও চকী-মেজৰ অভাৱ। ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বৰ কম। বিজ্ঞান শাখাৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীত কেইজনমান থাকিলেও স্নাতক পৰ্যায়ত মাত্ৰ ১০ বা ১২ জনমান হ'ব। মই যেতিয়া প্ৰথম স্নাতক পৰ্যায়ৰ ক্লাছ কৰিবলৈ যাওঁ সেইদিনা শ্ৰেণীকোঠাত মাত্ৰ চাৰিজন ওখ-পাখ থুলন্তৰ

চেহেৰাৰ ছাত্ৰ আৰু কেইচপৰামান দেশী গৰুৰ গোবৰ (তাৰমানে, ক্লাছৰুমত মাজে মাজে গৰুৱেও বিচৰণ কৰি থাকে)। তেনে এটা পৰিৱেশৰ লগত নিজকে খাপ খুৱাই চলিবলৈ মনটোক একপ্ৰকাৰে নিজেই বুজাব লগা হৈছিল। এনে এটা পৰিৱেশৰ লগত খাপ খুৱাই চলিবলৈ ছমাহমান লাগিছিল। সেই সময়ত সহকৰ্মী হিচাবে পাইছিলো, তেখেতসকলৰ প্ৰায়খিনিয়েই বৰ উৎসাহী আছিল, চিন্তা-চৰ্চাবিলাক বৰ ধনাত্মক আছিল, আৰু তেনে পৰিৱেশটোও মহাবিদ্যলখনক এখোজ আগুৱাই নিবৰ বাবে যথেষ্ট কৰিছিল। তেতিয়ালৈকে বিজ্ঞান শাখাটো Deficit Grant Aid ব্যৱস্থাৰ অধীনলৈ অহা নাছিল। বিজ্ঞান শাখাটো চৰকাৰৰ অধীনলৈ অনাৰ ক্ষেত্ৰত শ্ৰীযুত বিমল গগৈদেৱে যথেষ্ট কষ্ট কৰিবলগীয়া হৈছিল কাৰণ আমাতকৈ জ্যেষ্ঠ শিক্ষক হিচাবে এই ক্ষেত্ৰত তেখেতৰ বহুত অভিজ্ঞতা হৈছিল। স্বৰ্গীয়া বুলবুল বাইদেউ, শ্ৰীযুত বিমল চন্দ্ৰ গগৈদেৱ, শ্ৰদ্ধাৰ ইন্দিৰা দেৱ চৌধুৰী বাইদেউ, দিপালী দত্ত বাইদেউ, দৰদী শইকীয়া বড়া বাইদেউ, ড০ ৰঞ্জনা বৰা বৰদলৈ বাইদেউ, ড০ জিতু বুঢ়াগোহাঁই, ড০ পদ্মকান্ত মহন্ত আদি ব্যক্তিসকলৰ লগত লগ হৈ বিজ্ঞান বিভাগটিক আৰু উন্নত কৰাৰ প্ৰচেষ্টাত মইও আগভাগ লোৱাৰ প্ৰতিশ্ৰুতিৰে তেখেতসকলক সহায়ৰ হাত আগবঢ়ালোঁ। আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ভৱ কোঁৱৰ ছাৰৰ লগতে সকলোৰে সহযোগিতা আৰু যৌথ প্ৰচেষ্টাৰ অন্তত ১৯৯২ চনৰ জুলাই মাহৰ ১৪ তাৰিখৰ পৰা বিজ্ঞান শাখাটো চৰকাৰৰ Deficit Grant Aid ব্যৱস্থাৰ অধীনলৈ আহিল। এই ব্যৱস্থাৰ অধীনলৈ আনোতে চৰকাৰী নীতি অনুসৰি প্ৰত্যেকটো বিভাগত তিনিজনকৈ শিক্ষক আৰু প্ৰেক্টিকেল থকা বিভাগত দুজনকৈ লেব এচিচণ্টেতৰ নিযুক্তি দিয়া হ'ল। গতিকে, বিজ্ঞান শাখাত নতুন শিক্ষকৰ সংখ্যা বাঢ়িল। ইয়াৰ পিছৰ পৰ্যায়ত বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল আৰু ক্ৰমশঃ সমস্যাবিলাকৰ সমাধানসূত্ৰ বিচাৰি পোৱাৰ পিছতো আজিলৈকে নতুন নতুন ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ থাকিবলগীয়া হৈছে। সেই সময়ত কলেজৰ আন্তঃগাঁথনিৰ উন্নতিৰ বাবে কেনো ধৰণৰ ফাণ্ড নাছিল। আনকি কলেজখন UGC ৰ অধীনত পঞ্জীয়নভুক্তও হোৱা নাছিল। আমাৰ প্ৰথম উদ্দেশ্য আছিল ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি কৰা, এটি সুন্দৰ শৈক্ষিক বাতাবৰণ গঢ়ি তোলা আৰু UGC ৰ অধীনত কলেজখনৰ পঞ্জীয়ন কৰা যাতে আমি UGC ৰ সকলো সুবিধা পাব পাৰো। সকলোৰে তৎপৰতাত আৰু সকলোৰে সহযোগত কলেজখনক UGC ৰ 12B আৰু 2f ত পঞ্জীয়নভুক্ত কৰা হ'ল। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বঢ়াবৰ বাবে আমি সকলোৱে বিভিন্ন ধৰণৰ পন্থা অৱলম্বন কৰিছিলোঁ। শ্ৰেণীকোঠা আৰু পৰীক্ষা কেন্দ্ৰত ছাত্ৰ-ছাত্ৰীসকলে সকলো নিয়ম-শৃংখলা মানি চলিবলৈ বাধ্য হৈছিল। বহু ক্ষেত্ৰত আমি কঠোৰ আছিলোঁ। সেইবাবেই হয়তো পৰীক্ষাৰ আগে আগে প্ৰত্যেক বছৰতে মোলৈ একোখনকৈ চিঠি আহে আৰু তাত সদায় এটাই ইংৰাজী বাক্য থাকে "Life is fragile handle it with care", চিঠিখন সদায় ডাকত আহে। পাছলৈ এনেকুৱা হ'লগৈ যে চিঠিখন নাপালেহে মনটো বেয়া লাগে। যি কি নহওক, কোঁৱৰ ছাৰে আমাক কামবিলাক কৰি যোৱাত বাধা দিয়া নাছিল আৰু তেখেতে আমাক সকলো প্ৰকাৰৰ সহযোগ আগবঢ়াইছিল। মই নিজাববীয়াকৈ এক প্ৰচেষ্টা লৈছিলোঁ। উচ্চতৰ মাধ্যমিকৰ সকলো ছাত্ৰ-ছাত্ৰীকে ৰাতিপুৱা ৮.০০-৯.০০ বজালৈ অতিৰিক্ত দৈনিক ক্লাছ কৰাৰ ব্যৱস্থা কৰিছিলোঁ যাতে তেওঁলোকে টিউচন কৰাৰ পৰা বিৰত থাকে। এইক্ষেত্ৰত সকলো ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ সহাঁৰি দেখি মই আনন্দত অভিভূত হৈ পৰিছিলো। লাহে লাহে এই কথাবিলাকে সমাজত এক ধনাত্মক প্ৰভাৱ পেলাইছিল আৰু পৰৱৰ্তী পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হোৱাৰ লগতে পৰীক্ষাৰ ফলাফলো ভাল হ'বলৈ ধৰিলে। সমাজখনে আমাক আস্থাত ল'বলৈ ল'লে। আমাৰ প্ৰতি তেখেতসকলৰ বিশ্বাস বাঢ়িল। নামৰূপ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিকৰ পাঠ্যক্ৰমত নামভৰ্ত্তিৰ বাবে আমি সাক্ষাৎকাৰৰ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলগীয়া হ'ল। ফলাফলত তালিকাত কটন কলেজৰ পাছতেই নামৰূপ মহাবিদ্যালয়ৰ নাম থাকে। নামৰূপ মহাবিদ্যালয়লৈ ভাল দিনৰ আগমন ঘটিল। আশা কৰা মতে সেই অনুপাতে B. Sc. পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহুত বেছি নহ'লেও আগতকৈ বাঢ়িবলৈ ধৰিলে। অতিৰিক্ত শ্ৰেণীকোঠাৰ প্ৰয়োজন হোৱাত কোঁৱৰ ছাৰে বৰ্তমান বৰদলৈ কেণ্টিনৰ ঠাইতে বাঁহৰ বেৰৰ ওপৰত টিনৰ চালি দি কোঠা দুটা বনাই দিছিল। বাৰিষা পানী পৰাৰ উপৰিও বাঁহৰ খুটা ঢোকা দিহে বেৰবিলাক ধৰি ৰখাৰ ব্যৱস্থা কৰা হৈছিল। এনে পৰিৱশৰ মাজতো কিন্তু গুণগত মানৰ শিক্ষা প্ৰদান কৰাত ত্ৰুটি হোৱা

নাছিল। সেই সময়ত এটা কথা মন কৰিছিলো যে কলেজখনৰ উন্নতিৰ হকে কেইজনমান ছাত্ৰইও কষ্ট কৰিছিল, এই ক্ষেত্ৰত তেওঁলোকৰো যথেষ্ট অৱদান আছিল।

এনেদৰে সময় বাগিৰবলৈ ধৰিলে। কোঁৱৰ ছাৰেও চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিলে আৰু তেখেতৰ কাৰ্যকালৰ শেষৰ ফালে কেইটামান পকী শ্ৰেণীকোঠা নিৰ্মাণ কৰি থৈ গ'ল। কোঁৱৰ ছাৰৰ অৱসৰৰ পিছত আমাৰ শ্ৰদ্ধাৰ আন এগৰাকী জ্যেষ্ঠ শিক্ষক স্বৰ্গীয় ঘন বুঢ়াগোহাঁই ছাৰে ভাৰপ্ৰাপ্ত অধ্যক্ষৰূপে দায়িত্বভাৰ গ্ৰহণ কৰিলে। তেখেতৰ ব্যক্তিত্ব আৰু কৰ্মপদ্ধতি অলপ বেলেগ ধৰণৰ আছিল। যি কি নহওক, সময় বাগৰাৰ লগে লগে লেহেমীয়া গতিত হ'লেও দুই-এক অনুদানৰ সহায়ত কলেজ লাইব্ৰেৰীৰ লগতে দুটামান নতুন কোঠাৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰা হ'ল। প্ৰত্যেক বিভাগৰ শিক্ষকসকল বহিবৰ বাবে একোখনকৈ টেবুল আৰু দুখনকৈ চকীৰ ব্যৱস্থা কৰা হ'ল। সেই সময়ত নিজাববীয়াকৈ এটি বিভাগৰ সুকীয়া কোঠাৰ বৰকৈ প্ৰয়োজন অনুভৱ কৰিছিলোঁ। কোঁৱৰ ছাৰক কেইবাবাৰো অনুৰোধ কৰাত, ৰসায়ন বিভাগৰ লেবৰেটৰীৰ Godown টোকে ল'বলৈ অনুমতি দিলে। উদ্দেশ্য আছিল বিভাগটি সুন্দৰকৈ গঢ়ি তোলা। এটা পুৰণা আলমিৰা, এখন কাঠৰ সৰু টেবুল আৰু তিনিখন চকীৰে বিভাগটোৰ শুভাৰম্ভ কৰা হ'ল। লাহে লাহে বিভিন্ন ব্যক্তিৰ পৰা সাহাৰ্য বিচাৰি, চপা কাঠৰ দুখন প্ৰেক্টিকেল টেবুল, ৰেফ্ৰিজেৰেটৰ, ভেনিটী ফ্ল'ৰ মেট, ঘড়ী, পৰ্দাকে আদি কৰি লাগতীয়াল সামগ্ৰী কিছু সংগ্ৰহ কৰা হ'ল। এজন ছাত্ৰক অতিৰিক্তকৈ পাঠদান কৰাৰ বাবে ছাত্ৰজনৰ অভিভাৱকে ৩৫০০ টকা মূল্যৰ এখন টেবুল দিছিল। নামৰূপ এল. পি. জিৰ ব্যৱসায়ী গোহাঁইদেৱক অনুৰোধ কৰি লেবৰেটৰীত গেছ সংযোগৰ ব্যৱস্থা কৰি লোৱা হ'ল। সামগ্ৰীবিলাকৰ তালিকা বিচাৰিলে বিভাগৰ ৰেজিষ্টাৰত এতিয়াও পোৱা যাব। এনে ধৰণেৰে আমাৰ বিভাগটো আৰম্ভ কৰিছিলোঁ। ইয়াৰ লগে লগে অনাৰ্চ খোলাৰ ব্যৱস্থা কৰিলোঁ। সেই সময়ত ই এক সুন্দৰ বিভাগলৈ ৰূপান্তৰ হ'ল।

এজন ব্যক্তিয়ে এটা কম্পিউটাৰ দিব বুলি কথা দিছিল, চৰ্ত আছিল তেওঁৰ ল'ৰাজনক মেডিকেল কলেজত নামভৰ্তি হ'বৰ বাবে টিউছন কৰি দিব লাগে। কিন্তু ভবামতে কাম নহ'ল। ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় আৰু কেইজনমান জ্যেষ্ঠ শিক্ষকে এইদৰে Donation লৈ কাম কৰা ব্যৱস্থাটো বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াত, ইমানতে সামৰিলোঁ।

সেই সময়ত স্নাতক পৰ্যায়লৈ ছাত্ৰ-ছাত্ৰী আহিবৰ বাবে ওচৰত দুখনেই স্কুল আছিল, বি. ভি. এফ. চি. উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কেন্দ্ৰীয় বিদ্যালয়, নামৰূপ। কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক UG Honours ক্লাছত নামভৰ্তি কৰিবৰ বাবে এটা পদক্ষেপ লৈছিলো। কেন্দ্ৰীয় বিদ্যালয়ৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ অধ্যক্ষৰ অনুৰোধমৰ্মে দৈনিক এক ঘণ্টা ৭.০০ - ৮.০০ বজালৈকে ক্লাছ লৈছিলো। অনাৰ্চত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা লাহে লাহে বৃদ্ধি পাবলৈ ধৰিলে। কি কাৰণে নাজানো, বুঢ়াগোহাঁই ছাৰে কেন্দ্ৰীয় বিদ্যালয়ৰ অধ্যক্ষলৈ পত্ৰ প্ৰেৰণ কৰি ক্লাছ লোৱাটো বন্ধ কৰাই দিলে।

এইবাৰ ভাবিলো Ph. D. ডিগ্ৰীটোকে লোৱা যাওক। ড০ পদ্মকান্ত মহন্তদেৱ আৰু মই দুয়ো UGC Fellowship লোৱাৰ কথা চিন্তা কৰি কাম আৰম্ভ কৰিলোঁ। Fellowship ৰ বাবে ডিব্ৰুগড় ইউনিভাৰ্চিটিৰ পঞ্জীয়কৰ কোঠাত আমি ইণ্টাৰ্ভিউ দি বাচনি হৈছিলোঁ। কিন্তু 2f ত Registration ৰ কাম সম্পূৰ্ণ নোহোৱাত আমি প্ৰথমবাৰৰ বাবে সুবিধাকণ ল'ব নোৱাৰিলো। তথাপিও যোৰহাটৰ তেতিয়াৰ RRL ৰ পৰা বহু কষ্টেৰে হ'লেও সম্পূৰ্ণ ৮ বছৰৰ অন্তত ২০০৫ চনৰ অক্টোবৰত ডিগ্ৰীটো ল'লোঁ। নামৰূপ মহাবিদ্যালয়ত বিজ্ঞান বিভাগত প্ৰথম আৰু মহাবিদ্যালয়খনৰ ভিতৰত Ph. D. কৰা দ্বিতীয়জন ব্যক্তি হ'লো। এই ডিগ্ৰী লোৱাৰ আগমুহূৰ্তত বিনা কাৰণত মোৰ দুমাহৰ বেতন কাটি এক মনোকষ্ট দিছিল, কিন্তু অদৃশ্যজনাৰ আশীৰ্বাদত সকলো কাম সমাধা হ'ল।

ইয়াৰ পাছত, বিজ্ঞানাগাৰৰ আন্তঃগাঁঠনি বিকাশৰ বাবে UGC ৰ প্ৰজেক্ট এটা এপ্লাই কৰি পালো। প্ৰজেক্টটোৰ টকাৰে কেইপদমান লাগতীয়া বস্তু কিনিলো। এটা প্ৰজেক্ট সুকলমে শেষ হোৱা পিছত অলপ বেছি টকাৰ আৰু এটা এম. আৰ. পি. এপ্লাই কৰিলো আৰু সুকলমে সামৰিণ মাৰিলো। তেতিয়ালৈকে মইয়ে প্ৰথম UGC ৰ এম.

আৰ. পি. এপ্লাই কৰি আনিছিলো।

এইবাৰ মেজৰ প্ৰজেক্ট এটা অনাৰ কথা চিন্তা কৰি প্ৰজেক্টটো লিখি, পঠিয়াবলৈ নাপালো একো উদ্দেশ্য নথকাকে। কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ে কিছু কথাৰ অজুহাত দেখুৱাই অনুমোদন নিদিলে। ইমানতে এই কামৰ অন্ত পৰিল। কলেজত আন্তৰিকতাৰে কাম কৰিবলৈ মন নোযোৱা হ'ল। কিন্তু আজি এটা কথা ভাবিলে ভাল লাগে যে যিবোৰ কথা তেতিয়াই চিন্তা কৰিছিলোঁ, আজিৰ দিনত সেই কামবিলাক কৰাতো অপৰিহাৰ্য হৈ পৰিছে। সেইসময়তে কলেজখনৰ আগৰ গৌৰৱ যেন কিছু কমি আহিছে এনে অনুভৱ হৈছিল। সেই আগৰ শৃংখলিত পৰিৱেশ নাইকিয়া হৈ আহিল। কলেজখনৰ উন্নতিৰ গতি লাহে লাগে স্থবিৰ হৈ আহিল। ইতিমধ্যে আমাৰ দুজনমান সহকৰ্মীয়ে Ph. D. সম্পূৰ্ণ কৰি আহিল। আকৌ নতুন উদ্যমেৰে কাম কৰাৰ কথা চিন্তা কৰা হ'ল। এইবাৰ ভাবিলো, ছাত্ৰ-ছাত্ৰীসকলক কেৱল নিজৰ বিষয়ৰ পাঠ্যপুথিৰ জ্ঞান দি নাথাকি ওচৰৰ উদ্যোগকেইটাত (বি. ভি. এফ. চি. এল. আৰু এ. পি. এল.) Inplant Training ৰ ব্যৱস্থাৰ কৰি অলপ Exposer দিয়া হওঁক। পোনপ্ৰথমবাৰৰ বাবে দুয়োটা উদ্যোগৰ লগত অফিচিয়েলি এই ব্যৱস্থা কৰা হ'ল। এই ক্ষেত্ৰত উদ্যোগকেইটাৰ কেইজনমান ব্যক্তিয়ে মোক বৰ সহায় কৰিছিল। এই ক্ষেত্ৰত ড০ ৰজনী গগৈদেৱ, শ্ৰী বীৰেন শৰ্মাদেৱৰ নাম উল্লেখ কৰিবই লাগিব। তেখেতসকললৈ পুনৰবাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ পাছৰ পৰ্যায়ত বি. ভি. এফ. চি. এলৰ লগত লগ লাগি Industrial Chemistry ৰ Skill Base Course এটা খোলাৰ বাবে পদক্ষেপ ল'লো আৰু সেইমতে পাঠ্যক্ৰম তৈয়াৰ কৰি ইয়াৰ গাইডলাইনো প্ৰস্তুত কৰি উলিয়ালো। বি. ভি. এফ. চি. এলৰ কৰ্ত্তৃপক্ষই কলেজ কৰ্ত্তৃপক্ষৰ লগত এই বিষয়ে কথা পাতিবলৈ ইচ্ছা কৰিছিল, কিন্তু বিশেষ কাৰণত কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয়ক মই সৈমান কৰাব নোৱাৰিলো আৰু ইমানতে এই অধ্যায়টি সামৰিবলগীয়া হ'ল। মই, ড০ জিতু বুঢ়াগোহাঁই আৰু ড০ পদ্মকান্ত মহন্ত তিনিওজনৰ প্ৰচেষ্টাত উচ্চতৰ মাধ্যমিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে মহাবিদ্যালয়ৰ প্ৰাঙ্গনত এটা ক'চিং চেণ্টাৰ খুলিছিলো।

এইবিলাকৰ সমান্তৰালকৈ, ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক, মানসিক আৰু শাৰিৰীক বিকাশ সাধন কৰাৰ উপৰিও তেওঁলোকৰ মাজত সামাজিক দায়বদ্ধতা কেনেকৈ আনিব পাৰি আদি বিষয়েও চিন্তাচৰ্চা কৰা হৈছিল। এই দিশত ড০ দূৰ্গা প্ৰসাদ গগৈদেৱৰ তৎপৰতাত আৰু সবল নেতৃত্বত মহাবিদ্যালয়ত এটি NSS গোট গঠন হৈছিল। NSS ৰ অধীনত এনেধৰণৰ বহুতো কাৰ্যসূচী লোৱা হৈছিল আৰু সেই উদ্দেশ্যতেই NCSCDC ৰ গঠন হৈছিল। আৰু এতিয়াও দুয়োটা গোটেই সক্ৰিয়তাৰে কাম কৰি আছে। NSS ৰ কেম্পত আৰু SCDC কাৰ্যসূচীত মাজে মাজে মই ছাত্ৰ-ছাত্ৰীসকলক যোগাসনৰ অভ্যাস কৰাইছিলোঁ।

পদ্মকান্ত মহন্তদেৱৰ দূৰদৰ্শী চিন্তাৰ কাৰণে মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে IGNOU ৰ এটা অধ্যয়ন কেন্দ্ৰ গঢ় লৈ উঠিল আৰু পিছলৈ ইয়াৰ অধীনত প্ৰথমবাৰলৈ এটা কম্পিউটাৰ কেন্দ্ৰ স্থাপন হৈছিল। এই কেন্দ্ৰটো কেইবছৰমানৰ পিছত বন্ধ হৈ যোৱাত, তেখেতৰে তত্বাবধানতেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত দূৰ শিক্ষাৰ এটা কেন্দ্ৰ স্থাপন কৰিছিল। যিটো অধ্যয়ন কেন্দ্ৰক নতুনত্ব প্ৰদান কৰি ড০ মহিন্দৰ সিংদেৱে সুকলমে আজিও চলাই আছে। ইতিমধ্যে ১৯৭৩ চনত প্ৰতিষ্ঠিত মহাবিদ্যালয়খনে ২৫ টা বছৰ সম্পূৰ্ণ কৰিলে। মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলোৰে সক্ৰিয় সহযোগত ৰূপালী জয়ন্তী অনুষ্ঠানটি খুব সুন্দৰকৈ অনুষ্ঠিত কৰা হ'ল। এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰাৰ দায়িত্ব মোক আৰু ড০ গৌতম শইকীয়াদেৱক অৰ্পন কৰিছিল (বৰ্তমান তেওঁ কমাৰগাঁও কলেজৰ অধ্যক্ষ)। সকলোৰে কোৱা মতে আমি এখন সুন্দৰ আলোচনা চক্ৰৰ আয়োজন কৰিছিলোঁ। বিশিষ্ট অতিথিসকলে আমাৰ সময়ৰ প্ৰতি থকা সচেতনতাৰ বাবে প্ৰশংসা কৰি গৈছিল। এই কথাবিলাকে কলেজৰ উন্নতিৰ হকে কাম কৰি যাবলৈ আমাক উৎসাহিত কৰিছিল। সময়ৰ লগে লগে শিক্ষা ব্যৱস্থাটিৰো পৰিবৰ্তনৰ কথা আহি পৰিল। অসমৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান বিলাকত ষাণ্মাসিক ব্যৱস্থাৰ প্ৰৱৰ্তনৰ চিন্তা কৰা হ'ল আৰু ২০১১ শিক্ষাবৰ্ষৰ পৰা মহাবিদ্যালয় বিলাকত এই নতুন ব্যৱস্থাৰে শিক্ষা প্ৰদান কৰিবলৈ নিৰ্দেৰ্শনা আহিল। এই ব্যৱস্থা আমাৰ মহাবিদ্যালয়ত কেনেদৰে আৰম্ভ কৰা যাব, ইয়াৰ নীতি-নিৰ্দেশনাবিলাক কেনেদৰে পালন কৰা

হ'ব, গোটেই কথাবিলাকৰ দায়িত্ব লৈ মহাবিদ্যালয়ৰ Prospectus খন প্ৰস্তুত কৰাৰ দায়িত্ব মোৰ আৰু ৰূপক বৰগোহাঁইৰ ওপৰত পৰিল। এইখন প্ৰস্তুত কৰি উলিয়াওতে ব'হাগ বিহুৰ দিনকেইটাও ইয়াৰ লগতে ব্যস্ত হৈ থাকিবলগীয়া হৈছিল। ইয়াৰ পাছতে আহিল মহাবিদ্যালয়বিলাকত NAAC ৰ Assessment কৰাৰ কথা। সীমিত সা-সুবিধা থকা আমাৰ মহাবিদ্যালয়তো Assessment কৰাৰ প্ৰস্তুতি আৰম্ভ কৰা হ'ল।

এই ক্ষেত্ৰত সঞ্জয় কুমাৰ শীল ছাৰৰ নেতৃত্বত আমি সকলোৱে বিভিন্ন উপ-কমিটিবিলাকৰ দায়িত্ব লৈ সকলো কাম সময়মতে সম্পূৰ্ণ কৰি প্ৰথমবাৰৰ বাবে $C^{++}$ গ্ৰেড পাবলৈ সক্ষম হ'লো। NAAC ৰ ফাইনেল ৰিপ'ৰ্ট প্ৰস্তুত কৰোঁতে ড০ হিৰণমণি বাইদেৱে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। দ্বিতীয়বাৰ ড০ জিতু বুঢ়াগোহাঁইদেৰৰ নেতৃত্বত B গ্ৰেড পাবলৈ সক্ষম হ'লো।

২০১০ চনৰ ৩১ ডিচেম্বৰ তাৰিখে ঘন বুঢ়াগোহাঁই ছাৰে চাকৰিৰ পৰা অৱসৰ ল'লে আৰু জানুৱাৰী ১২-০১-২০১১ তাৰিখে সঞ্জয় কুমাৰ শীল ছাৰে এই দায়িত্বভাৰ গ্ৰহণ কৰিলে। তেখেতে মাত্ৰ এবছৰ কালৰ বাবেহে কাৰ্যভাৰ লৈছিল। তেখেতে দায়িত্ব লৈয়েই মোক এটি গধুৰ দায়িত্ব পালন কৰিবলৈ দিছিল। সেই সময়ত কলেজ লাইব্ৰেৰীটোৰ অৱস্থা অতি দুখলগা আছিল। ছাত্ৰ-ছাত্ৰী বহিবলৈ উপযুক্ত পৰিমাণৰ চকী-টেবুল নাছিল, শিক্ষকসকলৰ সুকীয়াকৈ বহাৰ ব্যৱস্থা নাছিল। ছাত্ৰ-ছাত্ৰী অনুপাতে কিতাপৰ সংখ্যা বহুত কম। লোহাৰ জালি দিয়া এটি কোঠাৰ ভিতৰত আমাৰ লাইব্ৰেৰীয়ান বাইদেউ সোমাই থাকে। লাইব্ৰেৰীৰ কোনো নীতি-নিয়ম নাই আৰু তাতোকৈও পৰিতাপৰ কথাটো হ'ল, কাম কৰিবলৈ লাইব্ৰেৰী ফাণ্ডত টকাৰ অভাৱ। ফাইল Maintaining ৰ কোনো ব্যৱস্থাই নাই। সেই সময়ত লাইব্ৰেৰীয়ান তৃপ্তি মজুমদাৰ বাইদেউৰ লগত লগ লাগি লাইব্ৰেৰী কমিটিৰ সভা এখন পাতি কেইটামান প্ৰস্তাৱ গ্ৰহণ কৰি কামত আগবাঢ়িলো। প্ৰথমতে লাইব্ৰেৰীৰ নিয়মমতে মেনুৱেল পদ্ধতিৰে গোটেই কিতাপবিলাক সজোৱা হ'ল। এই ক্ষেত্ৰত কলেজৰ লেবৰেটৰী এচিছটেণ্টসকলে যি ধৰণেৰে সহযোগিতা আগবঢ়ালে তাৰ কাৰণে ২-৩ মাহৰ ভিতৰত এই কাম সম্পূৰ্ণ হৈ উঠিল। লাইব্ৰেৰীৰ নিয়মাৱলীবিলাক প্ৰস্তুত কৰা হ'ল। লাইব্ৰেৰীৰ Automation ৰ কথা চিন্তা কৰি ইণ্টাৰনেট সেৱা সংযোগ কৰি Soul Software ব্যৱস্থা কৰা হ'ল। Inflibnet ৰ যোগেদি অনলাইন Journal ৰ সুব্যৱস্থা কৰা হ'ল। শিক্ষকসকলৰ বাবে বহাৰ সুকীয়া ব্যৱস্থা হ'ল। জাৰ্ণাল আৰু মেগাজিন ৰাখিবলৈ পুৰণা আলমিৰা এটা টিক প্লাই লগোৱাই নতুনত্ব প্ৰদান কৰা হ'ল। Information চেণ্টাৰ এটাৰ ব্যৱস্থা কৰা হ'ল। লোহাৰ জালি উঠাই এলুমিনিয়ামৰ ফ্ৰেম বনাই জাৰ্ণাল Section এটি কৰা হ'ল। তলৰ মহলাত ছুপা কাঠৰ ফাৰ্ণিচাৰ বনাই এটি ৰিডিং ৰূমৰ ব্যৱস্থা হ'ল। তাৰে কেইবাখনো চাইড টেবুল দানত আনিছিলো। আমাৰ কলেজৰ এজন প্ৰাক্তন ছাত্ৰৰ লগত লগ লাগি ৰাতি ১১ মান বজালৈকে পাহাৰত কম দামত কাঠ বিচাৰি আনি এইখিনি বনোৱাৰ ব্যৱস্থা কৰা হৈছিল। ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধা হোৱাকৈ এটা ফটো কপি (Xerox) মেচিনৰ ব্যৱস্থা তেতিয়াৰ পৰাই আৰম্ভ কৰা হৈছিল। শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ লাইব্ৰেৰী কাৰ্ডৰ ব্যৱস্থা কৰা হ'ল। লাইব্ৰেৰীৰ নিয়মবিলাক কঠোৰভাৱে পালন কৰা হ'ল। সেই সময়তে কিতাপৰ সংখ্যা অলপ হ'লেও বৃদ্ধি পালে। অলপ হ'লেও ই এক নতুন গতি পাবলৈ সক্ষম হ'ল। আমি কামখিনি NAAC ৰ Assessment ৰ আৰ্হিত কৰিছিলোঁ। আচলতে, কোনো এজন ব্যক্তিক আস্থা আৰু বিশ্বাসত লৈ কাম কৰিবলৈ দিলে যিকোনো কামতে সফলতা অৰ্জন কৰিব পাৰে। প্ৰাক্তন ছাত্ৰজনৰ লগতে এইক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ পৰিয়ালৰ সকলোলৈকে আকৌ এবাৰ ধন্যবাদ জ্ঞাপন কৰিলোঁ। শীল ছাৰৰ দিনতেই মহাবিদ্যালয়ৰ একাউণ্ট বিভাগটো বহু শৃংখলিত কৰা হ'ল। তেখেতৰ ঠিক এবছৰৰ পিছত আৰু বহু অপেক্ষাৰ অন্তত ২০১২ চনৰ জানুৱাৰী মাহৰ ১৮ তাৰিখৰ পৰা আমি আমাৰ মাজৰে এজন সহকৰ্মীক স্থায়ী অধ্যক্ষ হিচাবে পালো। ড০ জিতু বুঢ়াগোহাঁইদেৱ দূৰদৰ্শীসম্পন্ন, এক কথাত সুন্দৰ ব্যক্তিত্বৰ, বিভিন্ন দিশত জ্ঞান থকা এজন সুদৰ্শন ব্যক্তি। তেখেতে অশেষ কষ্ট কৰি কলেজখনক এক নতুন দিশেৰে আগুৱাই নিবলৈ চেষ্টা কৰিছিল। তেখেতৰ প্ৰচেষ্টাতেই RUSA অনুদান পাবলৈ সক্ষম হ'লো। বিভিন্ন শিতানত RUSA ৰ অনুদান আনি মহাবিদ্যালয়খনৰ Physical Infrastructure ৰ বহুতো উন্নতি সাধিলে। Community কলেজৰ অধীনত নানান ধৰণৰ Skill Base Course

খোলা হ'ল। কিন্তু বাকী শিক্ষানুষ্ঠান বিলাকতকৈ শৈক্ষিক দিশটোত কেইবাবছৰেও পিছ পৰি থকা মহাবিদ্যালয়খনত একেবাৰে কোঁৰৰ ছাৰৰ দিনৰ সেই পৰিৱেশটো ঘূৰাই পাবলৈ সক্ষম হোৱা নাছিলো। বুঢ়াগোহাঁইদেৱে প্ৰায় ৫ টা বছৰৰ কাৰ্যকাল শেষ কৰি ডিব্ৰু মহাবিদ্যালয়ত নিযুক্তি পাই ইয়াৰ পৰা আঁতৰি গ'ল আৰু পিছৰ ৪ বছৰকাল পুনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দ্বাৰা কলেজখন পৰিচালিত হ'ল। ২০২২ চনৰ মাৰ্চৰ ৩ তাৰিখে আমি মহাবিদ্যালয়ৰে এজন সবল নেতৃত্ব দিব পৰা আৰু যি কোনো ক্ষেত্ৰতে প্ৰত্যাহ্বান ল'ব পৰা শিক্ষক ড০ দূৰ্গা প্ৰসাদ গগৈদেৱক স্থায়ী অধ্যক্ষ হিচাবে পালো। তেওঁৰ নিযুক্তি পোৱাৰ পাছতেই সন্মুখীন হোৱা প্ৰথম প্ৰত্যাহ্বানটো হ'ল ২০২৩ চনৰ ভিতৰতে NAAC ৰ Assessment ৰ কাম সম্পূৰ্ণ কৰা। কলেজ কৰ্তৃপক্ষৰ ফালৰ পৰা মোক এটা গধুৰ দায়িত্ব পালন কৰিবলৈ দিয়া হ'ল। একাডেমীক ইনচাৰ্জ হিচাবে কলেজখনত এক সুন্দৰ শৈক্ষিক বাতাবৰণ সৃষ্টি কৰা। অনিচ্ছাস্বত্বেও এই দয়িত্বভাৰ ল'বলগীয়াত পৰিল। মই দুটা কথাত এই দায়িত্ব লৈছিলোঁ। প্ৰথম হ'ল, গগৈদেৱৰ কলেজখনৰ অগ্ৰগতিৰ প্ৰতি কাম কৰা দুৰ্বাৰ হেঁপাহ, যিকোনো প্ৰত্যাহ্বান ল'বলৈ সদায়ে প্ৰস্তুত থকা, তেওঁৰ ইতিবাচক দৃষ্টিভঙ্গী আৰু যিকোনো কামতে লোৱা বলিষ্ঠ পদক্ষেপ। দ্বিতীয়তে মই তেওঁৰ নিৰ্দেশত যি কাম কৰিম সকলো কাম সমাধা কৰিবলৈ মোক মুক্ত মনেৰে কাম কৰিবলৈ দিব লাগিব। যি স্বাধীনতা মই শীল ছাৰৰ অধ্যক্ষতাৰ দিনত পাইছিলোঁ। এটা কথা আমি সকলোৱেই অনুভৱ কৰিছিলোঁ যে আমি কোনো পদ্ধতিগত ব্যৱস্থাৰ মাজেৰে কাম কৰা নাছিলোঁ। আমি বহুতেই কলেজখনৰ প্ৰায়বিলাক কাম, আনকি শৈক্ষিক দিশৰ কামবিলাকো নিজৰ সুবিধা অনুসৰি সম্পন্ন কৰি আছিলোঁ। কাৰণ আমি সকলোৱেই তেনে এটা পৰিৱেশত কাম কৰাৰ সুযোগ লাভ কৰিছিলোঁ। গতিকে, অধ্যক্ষ মহোদয়ৰ লগত আলোচনা কৰি এনে এটা পদ্ধতিৰ প্ৰৱৰ্তন কৰাৰ কথা চিন্তা কৰা হ'ল যিটো পদ্ধতিত আমাৰ মাজত কাম কৰাৰ এক নতুন চিন্তা-চেতনা জাগ্ৰত হয়, আমাৰ ভুল-ভ্ৰান্তিবিলাক আমি নিজেই উপলব্ধি কৰিব পাৰোঁ আৰু কেৱল দায়িত্বৰেই নহয় দায়বদ্ধতাৰে যাতে আমাৰ কৰণীয় কামবিলাক সমাধা হয়। আজিৰ এই প্ৰতিযোগিতাৰ দিনত কেৱল ক'ৰ্চৰ নিজৰ ভাগৰ পাঠ্যক্ৰম শেষ কৰাৰ ওপৰত গুৰুত্ব দি থাকিলে তিষ্ঠি থকাটো টান হৈ পৰিব। এই সকলোবিলাক কথা চিন্তা কৰি আমি যি পদ্ধতি অৱলম্বন কৰিলোঁ, সকলোৱেই ইয়াত সমানে সহযোগিতা আগবঢ়োৱাৰ বাবে আমি এই ক্ষেত্ৰত কিছু হ'লেও সফলতা লাভ কৰিবলৈ সক্ষম হ'লো। লাহে লাগে আমি ডিজিটেল পদ্ধতিৰ পিনে আগবাঢ়িলোঁ। মনিটৰিং ব্যৱস্থাৰ বাবে যিটো ফ'ৰমেট প্ৰস্তুত কৰি কাৰ্যকৰীকৰণ কৰা হ'ল, এই ব্যৱস্থাটি বাহাল থাকিলে ভৱিষ্যতে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ সকলোবিলাক তথ্য সুন্দৰৈ সংৰক্ষিত হৈ থাকিব। লাহে লাহে আমি ডিজিটেল পদ্ধতিৰ ফালে আগবাঢ়িলোঁ। NEP প্ৰৱৰ্তন কৰাৰ পাছত, কলেজবিলাকৰ বাবে ৩, ৫ আৰু ১৫ বছৰীয়া Short Term, Mid Term আৰু Long Term পৰিকল্পনাৰে সৈতে IDP প্ৰস্তুত কৰাৰ চৰকাৰী নিৰ্দেশনা আহিল। আমাৰ বাবে এইটে নতুন ধাৰণা আছিল। আৰু ভৱিষ্যতে RUSA ৰ সকলো অনুদান IDP ৰ পৰিকল্পনা মতেহে দিয়া হ'ব বুলি DHE ৰ পৰা জনালে। এইবাৰো এই সকলো দায়িত্ব মোৰ ওপৰতে পৰিল। মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন বিকাশৰ পৰিকল্পনা আৰু ৰূপৰেখাৰ এক কাল্পনিক ধাৰণাৰ বাস্তৱ ৰূপ দিবলৈ এটা প্ৰজেক্ট প্ৰস্তুত কৰা যেন লাগিল। প্ৰকৃততে চৰকাৰৰ ফালৰ পৰা সেইমতে আৰু সময়মতে অনুদান লাভ কৰিলে মহাবিদ্যালয়খনৰ ৰেহৰূপ সৰ্বদিশতে বহুখিনি সলনি হৈ যোৱা সম্ভাৱনা আছে। আৰু কি কি লাভ হৈছে এই সকলোবিলাক মই বিচাৰ কৰাতকৈ আপোনাসকলে বিচাৰ কৰি লোৱাতোৱেই সমিচীন হ'ব বুলি ভাবোঁ। আমাৰ এই ব্যৱস্থাবিলাক ইতিমধ্যে কেইবাখনো মহাবিদ্যালয়ত প্ৰযোজ্য কৰাৰ কথা ভাবিছে। ২০১১ চনৰ পৰা সুদীৰ্ঘ প্ৰায় ১১ বছৰে NAAC ৰ বছেৰেকীয়া ৰিপ'ৰ্ট পঠোৱা হোৱা নাছিল। গতিকে NAAC ৰ Assessment অতদিনে কৰিব পৰা হোৱা নাছিল। এইবাৰ গধুৰ দায়িত্ব পালন কৰিবলগীয়া হ'ল শ্ৰী ৰূপক বৰগোঁহাই আৰু ড০ জয়ন্ত সোণোৱালদেৱে। তেওঁলোকৰ অপৰিসীম কষ্ট আৰু অপ্ৰাণ প্ৰচেষ্টাত আৰু সকলোৰে সহযোগত অৱশেষত ২০২৩ চনত আমি $B^+$ গ্ৰেড পাবলৈ সক্ষম হ'লো। উপদেষ্টা হিচাবে কমিটিত থকাৰ বাবে মই সকলো দিশতে দিহা-পৰামৰ্শ দিয়াৰ এটি সুযোগ পাইছিলো আৰু সকলোকে উৎসাহেৰে সৈতে কাম কৰা দেখিছিলোঁ। এয়ে হৈছে মহাবিদ্যলয়খনৰ পৰিয়ালৰ সদস্যসকলৰ

মাজত থকা উদ্যম, একতা আৰু আন্তৰিকতা। মোৰেই সৌভাগ্য যে মোৰ এই কাৰ্যকালতেই মই ৫০ বছৰীয়া ইতিহাস প্ৰসিদ্ধ মহাবিদ্যালয়খনৰ সোণালী জয়ন্তী অনুষ্ঠানটি বাৰেবৰণীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাত পূৰ্ণ সহযোগিতা আগবঢ়াই উপভোগ কৰিবলৈ সুযোগ পালো।

মহাবিদ্যালয়খনে নামৰূপ আৰু ইয়াৰ আশেপাশে থকা এক বৃহৎ অঞ্চলৰ যুৱক-যুৱতীসকলক উচ্চশিক্ষা প্ৰদান কৰাৰ লগতে সমাজখনৰ জনসাধাৰণৰ বিভিন্ন সমস্যাৰাজি অনুধাৱন কৰি সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত সজাগতাৰ সৃষ্টি কৰি ইয়াৰ উত্তৰণৰ ক্ষেত্ৰত সমাধানৰ পথ দেখুওৱাবলৈ সক্ষম হওক। মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

***(৩) আপুনি সগৌৰৱে এটি সুন্দৰ কৰ্মজীৱনৰ সামৰণি মাৰিছে। এই ক্ষেত্ৰত আপোনাৰ স্মৰণীয় অভিজ্ঞতাৰ বিষয়ে চমুকৈ জনাব নেকি ?***

উত্তৰ ঃ- উপৰোক্ত প্ৰশ্নটোৰ উত্তৰত মই মোৰ বহু অভিজ্ঞতাৰ বিষয়ে উনুকীয়াই আহিছোঁ। তথাপিও, নামৰূপ মহাবিদ্যালয়ত মোৰ কৰ্মজীৱনৰ ৩৪ বছৰে বিভিন্ন অভিজ্ঞতা অৰ্জন কৰিলোঁ। (তিতা মিঠা সকলোধৰণ অভিজ্ঞতাই আছে)। মই বিশ্বাস কৰোঁ যে অভিজ্ঞতাইহে জীৱনক নতুনকৈ বুজিবলৈ শিকায়। এই অভিজ্ঞতাবিলাকৰ মাজেৰেই, মই কৰ্মৰ দ্বাৰা নিজকে চিনিবলৈ শিকিলোঁ। ছাত্ৰ-ছাত্ৰী হিচাবে পোৱা সমাজৰ যুৱক-যুৱতীসকলক এক সুন্দৰ ব্যক্তিত্বৰ মানুহ হিচাবে গঢ়ি তোলাতো কিমান কঠিন আৰু কিমান আনন্দ পোৱা যায় তাৰ উমান পালোঁ। এখন সুন্দৰ সমাজ গঠনত শিক্ষকৰ গুৰুত্ব আৰু ভূমিকা কি হোৱা উচিত সেই বিষয়ে গম পালোঁ। আজিৰ এই পৰিৱৰ্তনশীল সমাজত বৰ্তি থাকিবলৈ নিজকে কেনেদৰে জ্ঞান আহৰণৰ দ্বাৰা পৰিৱৰ্তন কৰিব থাকিব লাগে তাৰো এক অভিজ্ঞতা পালোঁ। বিভিন্ন ক্ষেত্ৰত দক্ষতা আহৰণ হ'ল। সহজ-সৰলভাৱে জীৱন যাপন কৰি এক মানসিক শান্তিৰে জীয়াই থকাৰ জীৱনৰ এক নতুন বাটৰ সন্ধান বিচাৰি পোৱাৰ এক অভিজ্ঞতা হ'ল। মানসিকভাৱে সুস্থিৰ হৈ এক সবল মানসিকতা আৰু সুস্থ শৰীৰেৰে সৈতে জীৱনটো উদ্‌যাপন কৰাৰ এক বিৰল অভিজ্ঞতা হ'ল।

***(৪) আপোনাৰ কৰ্মজীৱনৰ সফল পৰিসমাপ্তিৰ দিনটোত অনুভৱ কেনেকুৱা ?***

উত্তৰ ঃ- সঁচা কথা ক'বলৈ গ'লে কৰ্মজীৱনৰ আজিৰ এই বিশেষ দিনটোত জীৱনত কিবা এটা হেৰুৱাৰ বেদনাই মনটো অশান্ত কৰি তুলিছে। যিখন ঠাইত, যিখন শিক্ষানুষ্ঠানত জীৱনৰ বহুমূলীয়া ৩৪ টা বছৰ পাৰ কৰিলোঁ, য'ত জীৱনৰ বহুতো অভিজ্ঞতাৰে জীৱনটো সংপৃক্ত হ'ল আৰু এই অভিজ্ঞতাবিলাকৰ পৰা মই জীৱনত বহু কথা শিকিলোঁ, যিখন শিক্ষানুষ্ঠানত মই এটা বৃহৎ পৰিয়ালৰ লগত ৩৪ টা বছৰ পাৰ কৰিলোঁ, সেই ঠাইৰ পৰা অৱসৰ লৈ যোৱাৰ সময়ত এক প্ৰকাৰৰ মানসিক যন্ত্ৰণাত ভোগা যেনেই লাগিছে। ই এক স্বাভাৱিক কথা। হয়তো, সকলোৰে ক্ষেত্ৰত একেই অনুভৱ হয়।

এই অনুষ্ঠানটিৰ উত্তৰণৰ ক্ষেত্ৰত, ছাত্ৰ-ছাত্ৰীসকলৰ এক সুন্দৰ জীৱন গঢ়ি তোলাৰ ক্ষেত্ৰত যিমান কৰিব লাগিছিল হয়তো সিমান কৰিব পৰা নাছিলোঁ। মোৰ এটা দৃঢ়বিশ্বাস আছে যে মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতিৰ হকে পৰৱৰ্তী পৰ্যায়ত মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰত্যেকজন কৰ্মৰত ব্যক্তিয়েই অহোপুৰুষাৰ্থ কৰি ইয়াক এক নতুন দিশেৰে উন্নতিৰ শিখৰলৈ লৈ যাবলৈ সক্ষম হ'ব। মই মহাবিদ্যালয়খনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

***(৫) আপোনাৰ মৰমৰ বিভাগটো ভৱিষ্যতে কেনেদৰে আগবাঢ়ি যোৱাটো আপুনি আশা কৰে ?***

উত্তৰ ঃ- মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগটো সুন্দৰ পৰিকল্পনাৰে সৈতে ভালদৰে আগবাঢ়ি নিবলৈ প্ৰথম পৰ্যায়ৰে পৰাই চেষ্টা কৰিছিলোঁ। এই ক্ষেত্ৰত স্বৰ্গীয় বুলবুল বাইদেউৰ যথেষ্ট অৱদান আছে। এটা সময়ত এই বিভাগটোক লৈ আমি সকলোৱে গৌৰৱ কৰিছিলোঁ। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট ভাল আছিল, পৰীক্ষাৰ ফলাফলো যথেষ্ট ভাল। ছাত্ৰ-ছাত্ৰীসকলে এটা এটা ক্লাছত তিনি-চাৰি ঘণ্টাৰৈ একেৰাহে বহি পঢ়ি থাকিব পাৰিছিল। এটা সুন্দৰ পৰিৱেশ আৰু শৃংখলাবদ্ধতা আছিল। ৰাতিপুৱা ৯ বজাৰ পৰা ৫-৫.৩০ বজালৈকে শ্ৰেণীকোঠাত ল'ৰা-ছোৱালী থাকে। ওচৰৰ উদ্যোগ বি.ভি.এফ.চি.এল. আৰু এ. পি. এল. আনকি দুলীয়াজানৰ অইলৰ লেবত ছাত্ৰ-

ছাত্ৰীসকলে প্ৰশিক্ষণ লোৱাৰ সুযোগ পায়। বিভাগটোৰ সকলো শিক্ষক আৰু কৰ্মচাৰীসকলৰ যৌথ প্ৰচেষ্টাৰ ফলস্বৰূপে বিভাগটোৱে এটা ভাল গতি লাভ কৰিবলৈ সক্ষম হৈছে। সেই সময়তেই কৰ্তৃপক্ষৰ পৰা বিচৰামতে সহায় পোৱা হ'লে আৰু অলপ ভাল হ'লহেঁতেন বুলি ভাবোঁ।

এই বিভাগৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন অৰ্গেনাইজেশ্যনবিলাকত কৰ্মৰত হৈ আছে। কমসংখ্যক ল'ৰা-ছোৱালীয়েহে চাকৰি নোপোৱাকৈ আছে। বিভিন্ন বিভাগ যেনে, অ'. এন. জি. চি., অ'ইল, ৰিফাইনেৰী, বেঙ্ক, বি.ভি.এফ.চি.এল., এ. পি. এল. আদিত সংস্থাপিত হৈ আছে। এন. আই.টি., আই. আই. এম. আদি উচ্চমানৰ শিক্ষা প্ৰতিষ্ঠানত ৰিচাৰ্চ কৰি আছে। এইবিলাকেই কলেজখনৰ গৌৰৱ। এতিয়া অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বহু কমিল। ইয়াৰো বহুত কাৰণ আছে। এতিয়া সকলোৱে ঋণাত্মক চিন্তাধাৰাৰ পৰা আঁতৰি প্ৰচেষ্টা চলাব লাগিব। নিজৰ পৰিৱৰ্তন আনিলেহে আনৰ পৰিৱৰ্তন সাধিব পাৰি। মুকলি মনেৰে, আন্তৰিকতাৰে, সহযোগিতাৰে কাম কৰিলে পুনৰুত্থান অনিবাৰ্য। ৰসায়ন বিজ্ঞান বিভাগত এতিয়া বহু অভিজ্ঞ আৰু দক্ষতা সম্পন্ন শিক্ষক আছে। তেখেতসকলৰ প্ৰচেষ্টাত বিভাগটো সুন্দৰ পৰিকল্পনাৰে সকলো দিশতে উন্নতি সাধন হ'ব বুলি মোৰ বিশ্বাস আছে। ভৱিষ্যতে ই এক উন্নত মানৰ সুন্দৰ বিভাগলৈ ৰূপান্তৰিত হওক তাৰে কামনা কৰিলোঁ।

***(৬) শিক্ষক এগৰাকীয়ে কোনবোৰ দিশত গুৰুত্ব দিয়াটো আপুনি উচিত বুলি ভাবে ?***

উত্তৰ ঃ- শিক্ষাখণ্ডত হোৱা বাণিজ্যিকীকৰণ, তথ্য প্ৰযুক্তিৰ প্ৰয়োগ আৰু শেহতীয়াকৈ হোৱা AI ৰ ব্যৱহাৰে, গোটেই বিশ্বতে শিক্ষা ব্যৱস্থাক এক আমূল পৰিৱৰ্তন আনিছে। শিক্ষাপ্ৰদান আৰু শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াত, বহু পৰিৱৰ্তন আহিল। এই পৰিৱৰ্তনে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিকতাও বহু সলনি কৰি পেলালে। সকলো কথাই সহজতে উপলব্ধ হ'ল। তেওঁলোকৰ চিন্তাধাৰা, বিচাৰ ধাৰাৰ সলনি হ'ল। তেওঁলোকৰ মন-মগজু আনৰ দ্বাৰা বিশেষকৈ প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত হ'বলৈ ধৰিলে। সকলো কথাতে আনৰ ওপৰত নিৰ্ভৰশীল হ'বলৈ ধৰিলে। ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱকসকলো বহু ক্ষেত্ৰত বিপথে পৰিচালিত হ'বলৈ ধৰিলে। সমাজৰ এচামে প্ৰযুক্তিৰ সফল প্ৰয়োগৰ দ্বাৰা নিজকে উন্নতিৰ শিখৰলৈ লৈ গৈছে আৰু আন চাম যুৱক-যুৱতীয়ে ইয়াৰ অপপ্ৰয়োগ কৰি বিপথে পৰিচালিত হ'বলৈ ধৰিছে। ছাত্ৰ-ছাত্ৰীসকল বা যুৱসমাজ বাহ্যিকতাৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰিলে। তেওঁলোকে নিজকে কিমানৰ মানুহ চিনিব নোৱাৰা হ'ল। সকলোৰে ৰুচি-অভিৰুচি বিভিন্ন ধৰণৰ হৈ পৰিল। বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকল নিজৰ কেৰিয়াৰৰ প্ৰতি যথেষ্ট সচেতন। তেওঁলোক বহু আবেগিক। বহুতে মানসিক চাপত ভোগে। যুৱক-যুৱতীসকল সমাজৰ ভাল আৰু বেয়া দুয়োটা দিশেৰে গতি কৰিবলৈ ধৰিলে। এনে এক সামাজিক পৰিস্থিতিত বিপথে পৰিচালিত হোৱা সকলক সৎ পথলৈ উভতাই অনা আৰু সৎ পথেৰে যোৱাসকলক আৰু আগুৱাই লৈ যাব পৰাকৈ শিক্ষকসকলৰ গুণ থাকিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তোলা শিক্ষকসকলৰ এক গধুৰ দায়িত্ব। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক অৱস্থিতিৰ বিষয়ে জানি বুলি সেই অনুসৰিহে তেওঁলোকৰ লগত ব্যৱহাৰ কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃততে কেনেধৰণৰ জ্ঞান আহৰণ কৰিব বিচাৰে, কোন কোন দিশত তেওঁলোকৰ দক্ষতা আছে, তেওঁলোকৰ মানসিক অৱস্থা কেনেধৰণৰ, তেওঁলোকৰ আৰ্থিক অৱস্থা আদি কথাবিলাক এজন শিক্ষকে ভালদৰে জনা খুবেই প্ৰয়োজন। তেওঁলোকৰ প্ৰয়োজন অনুসৰি সকলো দিশতে Councelling কৰিব পৰা ক্ষমতা শিক্ষকসকলৰ থাকিব লাগিব।

এজন শিক্ষকৰ বিভিন্ন বিষয়ৰ ওপৰত জ্ঞান থকাৰ উপৰিও তেওঁ এজন তথ্যসমৃদ্ধ ব্যক্তি হ'ব লাগিব। প্ৰতিভাৰ উপৰিও তেওঁৰ বিভিন্ন বিষয়ত দক্ষতা থকা হ'ব লাগিব। প্ৰত্যেকেই একো একোজন Multitasker ব্যক্তি হ'ব লাগিব। কোনো ক্ষেত্ৰতে স্থবিৰতা থাকিব নালাগিব। Work Efficiency বঢ়াব লাগিব। প্ৰযুক্তি প্ৰয়োগৰ অবিহনে Work Efficiency নাবাঢ়ে। গতিকে সকলোৱে ইয়াৰ ব্যৱহাৰ কৰিব পাৰিব লাগিব। শাৰীৰিক আৰু মানসিকভাৱে সবল ব্যক্তি হ'ব লাগিব। যিকোনো মুহূৰ্ত্তত যিকোনো প্ৰত্যাহ্বান ল'বলৈ সদায় সাজু থাকিব লাগিব। শিক্ষকসকল প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ বাবে একো একোজন ভাল মেণ্টৰ হ'ব লাগিব। শিক্ষকতাক কেৱল জীৱিকাৰ

উপায় হিচাবে নলৈ, সেৱাৰ আৰু ত্যাগৰ মনোভাবেৰে কাম কৰিব লাগিব। Professional Upliftment সদায় লাগিব। নিজৰ সৃজনশীলতা, অভিনৱ ধাৰণাৰ দ্বাৰা শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ লগতে সমাজৰ অন্যান্য ব্যক্তিসকলেও শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধা, ভক্তি, আস্থা আৰু ভয় ভাব থাকিব লাগে। সুকুমাৰ কৌশলবিলাক আৰু শিক্ষাদানৰ দক্ষতা থকাটো খুবেই দৰকাৰী। নহ'লে আজিৰ প্ৰতিযোগিতাৰ উচ্চশিক্ষাৰ প্ৰতিষ্ঠান এখন জীয়াই ৰখাটো বৰ কঠিন। মোৰ মতে শিক্ষক হিচাবে নিজৰ কৰ্মৰাজিৰ যোগেদিহে নিজৰ পৰিচয় দিবলৈ চেষ্টা কৰিব লাগে। এজন ব্যক্তিৰ সকলো গুণ নাথাকিব পাৰে কিন্তু আত্মবিশ্বাস, সমাজৰ প্ৰতি কিবা এটা কৰাৰ দুৰ্বাৰ হেঁপাহ, সাকাৰাত্মক মনোভাৱ, আত্মবিশ্লেষণ, আত্মসমালোচনাৰ দ্বাৰা নিজকে শুধৰাব পাৰে।

***(৭) নৱপ্ৰজন্মৰ শিক্ষকসকলৰ প্ৰতি আপোনাৰ পৰামৰ্শ ?***

উত্তৰ ঃ- আনক পৰামৰ্শ দিয়াতো মোৰ বাবে বৰ কঠিন কাম। নতুকৈ যিসকল শিক্ষকে এই মহাবিদ্যালয়ত নিযুক্তি পাইছে তেওঁলোক প্ৰত্যেকেই একো একোজন কৰ্মদক্ষ ব্যক্তি। তেওঁলোকৰ যি কাম কৰাৰ উদ্যম, আন্তৰিকতা, নিপুনতা, অভিনৱ ধাৰণা, উৎসাহ দেখি মোৰ মনত এক বিশ্বাস হৈছে তেওঁলোকৰ সফল প্ৰচেষ্টাত মহাবিদ্যালয়খনৰ সকলো দিশতে এক পৰিৱৰ্তন আহিব। নিজৰ নিজৰ বিভাগবিলাকৰ উন্নতিৰ বাবে এইদৰে যদি আত্মবিশ্বাসৰ সৈতে সমিল মিলেৰে কাম কৰি যায় তেন্তে এই মহাবিদ্যালয়ত এক সুন্দৰ শৈক্ষিক বাতাবৰণ গঢ় লৈ উঠিব।

সকলো শিক্ষক মিলিত হৈ, ছাত্ৰ-ছাত্ৰীসকলে বিচৰামতে, তেওঁলোক আত্মনিৰ্ভৰশীল হ'ব পৰাকৈ সাধ্য অনুসৰি Skill base, Vocational Course খোলাৰ ব্যৱস্থা কৰিব লাগিব। কি কি শিতানত বিভিন্ন উৎসৰ পৰা অনুদান পাব পাৰি তাৰ সবিশেষ জানি লৈ অনুদান অনাৰ ব্যৱস্থা কৰিব লাগিব। এতিয়াৰ প্ৰতিযোগিতাত বৰ্তি থাকিবলৈ হ'লে পাঠ্যপুথিৰ জ্ঞান দি থকাৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্মসংস্থাপনৰ ব্যৱস্থা কৰিব পাৰিব লাগিব। যিসকল ছাত্ৰ-ছাত্ৰীয়ে স্নাতকৰ পিছত আৰু উচ্চশিক্ষা ল'ব বিচাৰে তেওঁলোকক ৰাষ্ট্ৰীয় পৰ্যায়ৰ বাচনি পৰীক্ষাৰ বাবে Subjectwise Special Course কৰোৱাৰ ব্যৱস্থা কৰাব পাৰিলে ভাল হয়। B. Ed. Course কিবা উপায়েৰে খুলিব পাৰিলে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অলপ হ'লেও বৃদ্ধি পাব। মুঠৰ ওপৰত আনতকৈ বেলেগ এনে এটা পৰিৱেশৰ সূচনা কৰিব লাগিব যিটো পৰিৱেশে যুৱচামক আকৰ্ষিত কৰিব পাৰে। NAAC ৰ বিষয়ে সকলোৱে জনাতো খুবেই প্ৰয়োজন। আজিৰ দিনত এখন উচ্চশিক্ষাৰ প্ৰতিষ্ঠান উন্নতিৰ পথত আগুৱাই যাবলৈ কোন কোন দিশত গুৰুত্ব দিব লাগিব তাৰ নীতি-নিৰ্দেশনাবিলাক ইয়াৰ নিৰ্দেশাৱলীত খুব সুন্দৰকৈ লিখা আছে। ইয়াৰ Guidelines বিলাক পঢ়ি গোটেই কথাখিনি হৃদয়ঙ্গম কৰি নিজৰ ধ্যান ধাৰণাৰে আগবাঢ়িলে বহুক্ষেত্ৰত সুফল পাব বুলি মোৰ ধাৰণা হয়। সকলো বিভাগ লগ লাগি মহাবিদ্যালয়ৰ আশে পাশে থকা অঞ্চলবিলাকত বিভিন্ন দিশত ক্ষেত্ৰভিত্তিক অধ্যয়ন কৰি সমস্যাবিলাক জানিব পাৰিলে ভাল হয়। আৰু চৰকাৰী বা বেচৰকাৰী সংস্থাবিলাকত প্ৰজেক্ট আবেদন কৰি এই অঞ্চলবিলাকৰ শৈক্ষিক, সাংস্কৃতিক, সামাজিক আৰু অৰ্থনৈতিক সমস্যাবিলাকৰ সমাধান সূত্ৰ উলিয়াবলৈ চেষ্টা কৰিব লাগিব। বিভিন্ন Industrial Organisation, শিক্ষা প্ৰতিষ্ঠান, গৱেষণা প্ৰতিষ্ঠান আদিৰ লগত এক সুন্দৰ নেটৱৰ্ক স্থাপন কৰি ছাত্ৰ-ছাত্ৰীসকলক Exposer দিব পৰাৰ কথা চিন্তা কৰাতো ভাল হ'ব। এইবিলাক কথা আমাৰ দিনত সকলোৱে হয়তো উপলব্ধি কৰা নাছিলোঁ আৰু দুই এক কথা চিন্তা কৰিলেও তাক গুৰুত্ব সহকাৰে লোৱা হোৱা নাছিল।

বৰ্তমান সময়ত উচ্চশিক্ষা প্ৰতিষ্ঠানৰ সংখ্যা বাঢ়িল, সেইবিলাক শিক্ষানুষ্ঠানত বৰ্তমান সময়ৰ পৰিবৰ্তনৰ লগত খাপ খুৱাকৈ ছাত্ৰ-ছাত্ৰীৰ ৰুচি অনুযায়ী বহুতো নতুন নতুন পাঠ্যক্ৰম খোলা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে বিচৰা পাঠ্যক্ৰম অনুসৰি অধ্যয়ন কৰাৰ সুযোগ পাই, যোগাযোগ আৰু তথ্য প্ৰযুক্তিৰ বহুল প্ৰচলন ঘটিল, প্ৰত্যেক ক্ষেত্ৰতে প্ৰতিযোগিতা বাঢ়িল। গতিকে আৰ্থিকভাৱে সবল পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলে আৰু মেধাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নৰ কাৰণে উন্নত মানৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰে আৰু যিসকল ছাত্ৰ-ছাত্ৰী আৰ্থিক দৈন্যতা বা আন কিবা কাৰণত যাব নোৱাৰে তেওঁলোকে আমাৰ দৰে কলেজত নাম লগায়। বহু ছাত্ৰ-ছাত্ৰীক আমাৰ

শিক্ষকসকলে ব্যক্তিগতভাৱে আৰ্থিক দিশত সহায় কৰি হ'লেও উচ্চশিক্ষাৰে শিক্ষিত কৰি তোলে। তেনেধৰণৰ ছাত্ৰ-ছাত্ৰীসকলক সকলো দিশতে উন্নতি সাধি সমাজত বৰ্তি থাকিব পৰাকৈ জ্ঞান আৰু দক্ষতা প্ৰদান কৰা হয়। চাবলৈ গ'লে নামৰূপ মহাবিদ্যালয়ে এইধৰণৰ ছাত্ৰ-ছাত্ৰীক গুণগত মানৰ শিক্ষা প্ৰদান কৰি আহিছে। যাক লৈ আমি গৌৰৱ কৰিব পাৰোঁ।

বৰ্তমান সময়ত দেশৰ সকলো প্ৰতিষ্ঠানতে শিক্ষাৰ পাঠ্যক্ৰম আৰু শিক্ষাৰ ব্যৱস্থা প্ৰায় একেই। তথাপিও গুণগত শিক্ষা প্ৰদানৰ ক্ষেত্ৰত শৈক্ষিক বাতাবৰণ আৰু ভৌতিক পৰিকাঠামো বেলেগ বেলেগ। গতিকে দুয়োটা দিশতে উন্নত মানৰ পৰিৱেশৰ সৃষ্টি কৰিব লগিব। মই আশা কৰিম, নতুন প্ৰজন্মৰ শিক্ষকসকলে যাতে অবিৰতভাবে এই প্ৰচেষ্টা চলাই থাকে। কৰ্তৃপক্ষৰ লগত লগ লাগি মহাবিদ্যালয়খনৰ উন্নতিৰ হকে তেওঁলোকে নতুন নতুন অভিনৱ চিন্তাৰে সুন্দৰ হ্ৰস্ব আৰু দীৰ্ঘম্যাদী পৰিকল্পনা কৰক। সমস্যা আৰু প্ৰত্যাহ্বান থাকিবই আৰু ইয়াৰ সমাধানৰ পথো থাকিব। এই সমস্যাবিলাকৰ সমাধানৰ পথবিলাক বিচাৰি উলিয়াব পাৰিলেই সফলতা অৰ্জন কৰিব পৰা যায়। আহিবলগীয়া প্ৰত্যাহ্বানবিলাক, সমস্যাবিলাক সাহসিকতাৰে সৈতে সন্মুখীন হৈ ইয়াৰ সমাধান সূত্ৰ উলিয়াবলৈ যত্ন কৰা উচিত। আমাৰ দৰে কলেজবিলাকৰ বহু সীমাবদ্ধতা আছে। এটা সময়ত আমি হয়তো যিবিলাক কথাত বা কামত গুৰুত্ব দিব লাগিছিল সেইবিলাক দিশত অবহেলা কৰিছিলোঁ। কিছু ক্ষেত্ৰত তাৰেই পৰিণতি এতিয়া ভুগিব লগা হৈছে। হতাশা নোহোৱাকৈ, ঋণাত্মক চিন্তাধাৰাৰ পৰা আঁতৰি সকলোৰে সহযোগত নতুন উদ্যমেৰে, সাহসেৰে, বেলেগ বেলেগ চিন্তা-চৰ্চাৰে আৰু সুন্দৰ পৰিকল্পনাৰে সৈতে যুঁজি থাকিলে এশ শতাংশ নহ'লেও কিছু ক্ষেত্ৰত সুফল পোৱা যাব। এতিয়া প্ৰশ্ন হ'ল এইবিলাক কাৰ্য কৰাটো প্ৰকৃততে আমাৰ সম্ভৱ নে অসম্ভৱ ? যদি সম্ভৱ হয়, তেন্তে এটি উজ্জ্বল ভৱিষ্যত আশা কৰিব পাৰি, অন্যথা ভৱিষ্যতেও অনিশ্চয়তাত থাকিব লাগিব। পৰিস্থিতি যিয়ে নহওক কিয় মানসিক শক্তি সবল হ'লে সকলো কামেই সমাধা হ'ব পাৰে। গতিকে, সমস্যা সমাধানৰ বাবে সকলোৰে মানসিক স্থিতিৰ পৰিৱৰ্তন কৰিবই লাগিব। এতিয়াৰ পৰা সকলোৰে অতীতৰ পৰা শিক্ষা লৈ বৰ্তমানক সুন্দৰকৈ গঢ়িব পাৰিলেহে উজ্জ্বল ভৱিষ্যত এটা আশা কৰিব পাৰি। মোৰ শুভেচ্ছা থাকিল।

***(৮) আপোনাৰ নিজৰ জীৱন দৰ্শনৰ বিষয়ে সবিশেষ জনাব ?***

উত্তৰ ঃ- মোৰ ধাৰণামতে মানৱ জীৱন লৈ জন্মগ্ৰহণ কৰি এই প্ৰকৃতিলৈ আহিলো যেতিয়া, নিজকে এজন মানৱীয় গুণেৰে সমৃদ্ধ এটি সুন্দৰ মনৰ অধিকাৰী ব্যক্তি হিচাবে গঢ়ি তোলাটো খুবেই প্ৰয়োজন। এটি সুন্দৰ আৰু সুস্থ মনৰ দ্বাৰা যদি আমাৰ মগজুটো পৰিচালিত হয় তেন্তে আমি সুস্থ শৰীৰ আৰু সুস্থ মন মগজুৰ ব্যক্তিসকলে একোখন সুস্থ সমাজ গঢ়িব পাৰিম। য'ত আমি সকলোৰে মানসিক শান্তিৰে সৈতে বসবাস কৰিব পাৰিম। To manage, control and purify our mind, we must regulate our thought process through our sense organs. By practicing mindful management of our thoughts, we can transform our habits. As our habits evolve, they shape our behaviour, ultimately refining our character.

বৰ্তমানৰ পৰিৱেশ আৰু পৰিস্থিতিত আমাৰ মন মগজুবিলাক নিজৰ দ্বাৰা পৰিচালিত নহয়। Our minds are influenced by external forces. মই প্ৰকৃততে কোন চিনিবলৈ চেষ্টাই নকৰো। দিনটোৰ ২৪ ঘণ্টাৰ বেছিভাগ সময় অলাগতীয়াল আৰু ঋণাত্মক কথা চিন্তা কৰি কটাও। গতিকে নিজৰ লগতে দহৰ ভাল কাম কৰিবলৈ, উপকাৰ সাধিবলৈ মানসিক শক্তি ক'ৰ পৰা পাম। আনৰ হিত সাধন কৰিবলৈ কৰা কৰ্মৰ মাজতে লুকাই আছে মানৱতা। এখন শিক্ষানুষ্ঠানত কৰ্ম কৰি ইয়াৰ সকলো দিশৰ উন্নতি সাধন কৰা মানে সেই অঞ্চলৰ যুৱ সমাজৰ উপকাৰ সাধন কৰা। সমাজখনৰ লগতে দেশখনক সেৱা কৰা বুজায়। এই কাৰ্য কৰিবলৈ আমাক লাগে শাৰীৰিক শক্তি, মানসিক শক্তি আৰু এই শক্তি গোটাবলৈ লাগিব ধনাত্মক চিন্তা-চৰ্চাৰ। আমি সকলো কথাই বুজি পাওঁ, তথাপিও কাৰ্যত বিফল হওঁ, কাৰণ আমি আমাৰ মনটো নিজে পৰিচালিত কৰিব নোৱাৰোঁ। এইবিলাক হৈছে গোলকীয়কৰণ আৰু বাণিজ্যিকীকৰণৰ প্ৰভাৱ।

গতিকে, আমি প্ৰত্যেকেই নিজকে ধনাত্মক আৰু বাস্তৱমুখী চিন্তাধাৰাৰে একো একোজন শাৰীৰিক আৰু মানসিকভাবে সুস্থ ব্যক্তিলৈ ৰূপান্তৰ ঘটাই সাধ্যানুসৰি নিজৰ লগতে দহৰ উন্নতি সাধন কৰাটো খুবেই প্ৰয়োজন

বুলি মই অনুভৱ কৰোঁ।

*(৯) অৱসৰৰ পাছৰ সময়খিনিক লৈ আপুনি কেনেদৰে পৰিকল্পনা কৰিছে ?*

উত্তৰ ঃ- অৱসৰৰ পাছত জীৱনৰ পৰৱৰ্তী সময়খিনিত কৰিবলগীয়া কেনো নিৰ্দিষ্ট পৰিকল্পনা নাই। তথাপিও, জীৱনৰ এক নতুন অধ্যায়ৰ সূচনা কৰিব লাগিব। শৰীৰ আৰু মনক সুস্থ কৰি ৰাখি কৰ্মক্ষম হৈ জীৱনটো উদ্‌যাপন কৰিবলৈ যত্ন কৰিব লাগিব। এইটোৱে হ'ব মোৰ প্ৰথম কাম। জীৱনৰ ৬০ টা বছৰত পুথিগত আৰু অভিজ্ঞতাৰ পৰা যি জ্ঞান আহৰণ কৰিলোঁ সেই জ্ঞান যুৱ প্ৰজন্মৰ উপকাৰত অহাকৈ দিবলৈ চেষ্টা কৰিম বুলি ভাবিছোঁ। মই কৰ্মজীৱনৰ সামৰণি পেলোৱা মহাবিদ্যালয়খনৰ ভৱিষ্যত উন্নতিৰ কাৰণে যদি মোৰ ফালৰ পৰা কিবা কৰিবলগীয়া থাকে মই তাত বিনাদ্বিধাই পূৰ্ণ সহযোগিতা আগবঢ়াম। ইয়াৰ উপৰিও সমাজে বিচাৰিলে মোৰ পাৰদৰ্শিতা অনুযায়ী যিকোনো প্ৰকাৰৰ সহায়-সহযোগিতা আগবঢ়াম বুলি মনতে পৰিকল্পনা কৰিছোঁ।

*(১০) নামৰূপ মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গলৈ আপোনাৰ শুভবাৰ্তা ?*

উত্তৰ ঃ- নামৰূপ মহাবিদ্যালয়, যি আজি ৩৪ বছৰে মোৰ লগত, মোৰ প্ৰাণৰ লগত সংপৃক্ত হৈ আছে, যিখন শিক্ষানুষ্ঠানত মই চাকৰি কৰি মোৰ আৰু পৰিয়ালটিৰ ভৰণ-পোষণ দিলো, যিখন শিক্ষানুষ্ঠানত থাকি মই বিভিন্ন অভিজ্ঞতাৰে জীৱনটো সাৰ্থক কৰি তুলিলো, যাৰ বাবে মই সমাজত শিক্ষক হিচাবে স্বীকৃতি পালোঁ, সেই মহাবিদ্যালয়খনৰ প্ৰতি, মহাবিদ্যালয়ৰ পৰিয়ালসমূহৰ সদস্যৰ প্ৰতি মই চিৰকৃতজ্ঞ হৈ থাকিম। নামৰূপ মহাবিদ্যালয়ৰ পৰিয়ালটিৰ সদস্যসকলৰ মাজত থকা মিলাপ্ৰীতি, আন্তৰিকতা, একতা, সহযোগিতা আৰু সকলোৰে মাজত যি আত্মিক সম্পৰ্ক ই সঁচাই অতুলনীয়। এই স্নেহৰ বান্ধোন ভৱিষ্যতলৈও চিৰস্থায়ী হৈ ৰওক। মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ মহোদয়ে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে যিবিলাক পদক্ষেপ লৈছে ই সঁচাই প্ৰশংসনীয়। মহাবিদ্যালয়ত কম পৰিমাণৰ হ'লেও ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িছে। আৰ্থিক দৈন্যতাৰ সময়তো আন্তঃগাঁথনি বিকাশৰ বাবে পাৰ্যমানে চেষ্টা কৰি থকা আমি দেখা পাইছোঁ। তেখেতৰ চেষ্টাতেই ছাত্ৰ-ছাত্ৰীসকলৰ মাজত প্ৰতিযোগিতামূলক মনোভাৱ এটা গঢ় লৈ উঠিছে। এইবিলাক ধনাত্মক দিশ। কলেজ কৰ্তৃপক্ষ, শিক্ষকবৃন্দ, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ যৌথ প্ৰচেষ্টাত মহাবিদ্যালয়খন উন্নতিৰ শিখৰলৈ আগবাঢ়ি যাওঁক, কলেজখনৰ গৌৰৱ আৰু গৰিমা সদায় অক্ষুণ্ণ থাকক আৰু আমাৰ এই আশা আৰু প্ৰত্যাশাৰ অনুষ্ঠানটি সকলো দিশতে উজ্জ্বলি উঠক তাৰে কামনা কৰি মোৰফালৰ পৰা আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

সংগ্ৰাহক-
লেছেৰি সম্পাদনা সমিতি

# এজন প্ৰকৃত শিক্ষকৰ অৱসৰত মোৰ অনুভৱ

✍ ড০ দুৰ্গা প্ৰসাদ গগৈ
অধ্যক্ষ
নামৰূপ মহাবিদ্যালয়

৩১ মাৰ্চ, ২০২৫ চন, দিনটো ক্ৰমান্বয়ে ওচৰ চাপি আহিছে। নামৰূপ মহাবিদ্যালয়ৰ এজন প্ৰকৃত শিক্ষকৰ কৰ্মজীৱনৰ সফল সমাপ্তি ঘটিব। শিক্ষকৰ চাকৰি কৰিলেই সকলো প্ৰকৃত শিক্ষক হ'ব নোৱাৰে। মোৰ দৃষ্টিৰে ড০ পদ্ম আচাৰ্য এজন প্ৰকৃত শিক্ষক। এজন শিক্ষকৰ শিক্ষকতাৰ মাপকাঠী তেওঁৰ উচ্চ ডিগ্ৰী, চাৰ্টিফিকেট আদিয়ে নিৰ্ণয় নকৰে, নিৰ্ণয় কৰে তেওঁ পঢ়োৱা ছাত্ৰ-ছাত্ৰীসকলে। শ্ৰেণীত প্ৰধানকৈ জৈৱীক ৰসায়ন বিদ্যাৰ পাঠদান কৰা ড০ পদ্ম আচাৰ্যৰ বিষয়ে বিভিন্ন সময়ত ছাত্ৰ-ছাত্ৰীৰ মন্তব্যৰ পৰা আমি জানিব পৰো যে তেখেতৰ প্ৰতিটো পাঠৰ অপৰিসীম গুৰুত্ব থাকে। ছাত্ৰ-ছাত্ৰীয়ে জৈৱীক ৰসায়নৰ প্ৰতিটো পাঠ খোকোজা নথকাকৈ আয়ত্ব কৰিব পাৰে ড০ আচাৰ্যৰ সুন্দৰ পাঠদানৰ বাবে। তেখেতৰ শ্ৰেণীকোঠাত বুজি নোপোৱাকৈ থকা ছাত্ৰ-ছাত্ৰী হয়তো এজনো নোলাব। শিক্ষকতা বৃত্তিত নিজকে সম্পূৰ্ণ আত্মনিয়োগ কৰি আনন্দিত হোৱা, সকলো ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দায়বদ্ধ হোৱাজনক প্ৰকৃত শিক্ষক বুলিব পাৰি। এনে দৃষ্টিভংগীৰেই ড০ পদ্ম আচাৰ্য এজন প্ৰকৃত শিক্ষক। তেনে এজন প্ৰকৃত শিক্ষকৰ কৰ্মজীৱনৰ সফল সমাপ্তিত প্ৰথমেই মহাবিদ্যালয়খনৰ মুৰব্বী হিচাবে মই অফুৰন্ত শুভেচ্ছা জ্ঞাপন কৰিছো। লগতে এটা কথা ভাবি বেয়া লাগিছে যে তেখেতৰ দৰে আন এজন প্ৰকৃত শিক্ষক হয়তো নামৰূপ মহাবিদ্যালয়ে আকৌ পোৱাটো কঠিন হ'ব।

<u>সুদীৰ্ঘ ৩৩ বছৰীয়া কৰ্মজীৱন</u> ঃ- ১৯৯২ চনৰ ১৪ জুলাইত নামৰূপ মহাবিদ্যালয়ৰ ৰসায়ন বিদ্যা বিভাগত প্ৰবক্তা হিচাবে যোগদান কৰি ২০২৫ চনৰ ৩১ মাৰ্চত সহযোগী তথা উপাধ্যক্ষ হিচাবে ড০ পদ্ম আচাৰ্যদেৱে প্ৰায় ৩৩ বছৰীয়া কৰ্মজীৱনৰ সফল সমাপ্তি ঘটাই অৱসৰ গ্ৰহণ কৰিব। সমগ্ৰ জীৱনৰ দীঘলীয়া সময়খিনি তেখেতে নামৰূপ মহাবিদ্যালয়তে পাৰ কৰিলে। এতিয়া অৱসৰকালীন জটিল হিচাব-নিকাচৰ সময় আহি পৰিছে। মই অধ্যক্ষৰ দায়িত্বভাৰ লোৱাৰ পাছতে বৰ্তমানলৈকে মুঠ চাৰিজন জ্যেষ্ঠ অধ্যাপক-অধ্যাপিকাই অৱসৰ গ্ৰহণ কৰিছে। অৱসৰ গ্ৰহণ কৰাটো কলেজখনৰ বাবে যেন সাধাৰণ নিত্য নৈমিত্যিক ঘটনালৈ পৰিণত হৈছে ! কিন্তু প্ৰকৃততে সেইয়া সত্য নহয়। এজন ব্যক্তি এটা অনুষ্ঠানত গোটেই জীৱনটো কৰ্মৰত হৈ অৱসৰ গ্ৰহণ কৰা মুহুৰ্তবোৰ ব্যক্তিজনৰ বাবে অতিকৈ মূল্যৱান আৰু তেওঁৰ জীৱনৰ এক ঐতিহাসিক মুহুৰ্ত। নিজৰ ৰসায়ন বিভাগৰ লগতে মহাবিদ্যালয়খনৰ শৈক্ষিক উত্তৰণত সুদীৰ্ঘ ৩৩ বছৰ কাল অৰিহণা যোগাই অহা ড০ পদ্ম আচাৰ্যদেৱৰ অৱসৰৰ পাছত মহাবিদ্যালয়খনে নিশ্চিতভাৱে এজন শক্তিশালী শিক্ষাবিদৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিব। মোৰ অধ্যক্ষতাৰ সময়ত নামৰূপ মহাবিদ্যালয়ত তিনিটা বৃহৎ প্ৰত্যাহ্বান আছিল। (১) 'নাক'ৰ পৰিদৰ্শন তৃতীয়বাৰৰ বাবে সম্পূৰ্ণ কৰা। (২) NEP-2020 প্ৰৱৰ্তন কৰা আৰু (৩) সোণালী জয়ন্তী উদ্‌যাপন কৰা। সকলোৰে সহযোগিতা আৰু ভগৱানৰ আশীৰ্বাদত এই তিনিওটা প্ৰত্যাহ্বান অনায়াসে পাৰ হ'ল। এজন জ্যেষ্ঠ আৰু মহাবিদ্যালয়খনৰ উপাধ্যক্ষ হিচাবে উপৰোক্ত তিনিওটা প্ৰত্যাহ্বান মোকাবিলা কৰাৰ বাবে এশ শতাংশ সহযোগিতা আগবঢ়াই নিজৰ কৰ্তব্যনিষ্ঠা আৰু দায়িত্ববোধৰ পৰিচয় দিলে। জ্যেষ্ঠ্য হিচাবে তেওঁ সকলো সময়তে আমাৰ মাজত থাকি দিহা-পৰামৰ্শৰে সাহস দিছিল।

মহাবিদ্যালয়ত NEP-2020 ৰ চাৰি বছৰীয়া ডিগ্ৰী পাঠ্যক্ৰম প্ৰৱৰ্তন বৰ সহজ নাছিল। পাঠ্যক্ৰম নিৰ্বাচন, দৈনিক ৰুটিন তৈয়াৰ কৰাৰে পৰা মহাবিদ্যালয়ৰ 'ভিছন ডকুমেণ্ট' প্ৰস্তুত কৰালৈকে সকলো ক্ষেত্ৰতে ড০ পদ্ম আচাৰ্যদেৱে সক্ৰিয় সহযোগিতা আগবঢ়াইছিল।

তৃতীয় চক্ৰৰ 'নাক'ৰ পৰিদৰ্শনৰ সময়ত বিমান বন্দৰত অতিথিক আদৰাৰে পৰা বিদায় দিয়ালৈকে তেওঁ দায়িত্ব পালন কৰিছে। মহাবিদ্যালয়ত গঠিত বিভিন্ন উপসমিতিসমূহৰ লগত যোগাযোগ ৰক্ষা কৰি বিভিন্ন সময়ত সন্মুখীন হোৱা জটিল পৰিস্থিতিত উপযুক্ত দিশ নিৰ্দেশনাৰ ক্ষেত্ৰত তেখেতে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। মহাবিদ্যালয়খনত 'নাক'ৰ প্ৰথম দুটা চক্ৰৰ পৰিদৰ্শনৰ সময়তো তেখেতে অতি দক্ষতাৰে নিজৰ নিৰ্দ্ধাৰিত দায়িত্ব পালন কৰা দেখিছিলো।

সোণালী জয়ন্তীৰদৰে এটা বিশাল আয়োজন সফলভাৱে ৰূপায়ন কৰাটো বৰ সহজ কথা নহয়। যোৱা বৰ্ষত আমাৰ মহাবিদ্যালয়ত সোণালী জয়ন্তীৰ প্ৰতিটো অনুষ্ঠান সুকলমে আৰু সফলভাৱে ৰূপায়ন কৰাৰ মূলতে আছিল মহাবিদ্যালয়খনৰ কৰ্মৰত প্ৰায় সকলো শিক্ষক-কৰ্মচাৰীৰ পূৰ্ণ সহযোগিতা। সোণালী জয়ন্তীৰ বিভিন্ন কাৰ্যসূচীৰ ভিতৰত এটা অতি আকৰ্ষণীয় আছিল এখন বিশাল প্ৰদৰ্শনীৰ আয়োজন। বিভিন্ন বিপনীৰে অতি সুন্দৰভাৱে পৰিকল্পিতভাৱে প্ৰদৰ্শনীখন সজাই পৰাই তোলা মূল ব্যক্তিজনেই আছিল ড০ পদ্ম আচাৰ্য। লগত আছিল ড০ অংকুৰ নাথকে ধৰি আন কেইগৰাকীমান সদস্য। সোণালী জয়ন্তীৰ প্ৰদৰ্শনী আৰু বিপনী সঁচাকৈ অতি সুন্দৰ আৰু চকুত লগা হৈছিল।

মোৰ কৰ্মক্ষেত্ৰৰ সহকৰ্মী হিচাবে তেখেতক ১৯৯৪ চনৰ পৰাই অৰ্থাৎ যোৱা ৩০ বছৰ ধৰি পাইছো। পদাৰ্থ বিজ্ঞান বিভাগ আৰু ৰসায়ন বিজ্ঞান বিভাগ দুটা যিহেতু ওচৰা ওচৰিকৈ আছে গতিকে আমি সঘনাই লগ পাই থাকো। অৱশ্যে ২০২২ চনত মই অধ্যক্ষৰ দায়িত্বভাৰ লোৱাৰ পাছত ইয়াৰ কিছু ব্যতিক্ৰম ঘটিল। ৰসায়ন বিজ্ঞান বিভাগটো মোৰবোধেৰে এটা জটিল বিভাগ। বৰ্তমান মহাবিদ্যালয়খনত এটা বিভাগেই আছে য'ত কৰ্মৰত তিনিজন শিক্ষকেই জ্যেষ্ঠ সহযোগী অধ্যাপক। প্ৰতি বছৰে বিভাগটোৰ ফলাফলো ভাল হয়। বিভাগটোৰ তিনিজন অধ্যাপকৰ ভিতৰত ড০ পদ্ম আচাৰ্য সাংঘাটিক ৰসিক ব্যক্তি। পাঠদান নথকা আজৰি সময়ত তেঁও সুবিধা পালেই মাজে মাজে জোৰকৈ হাঁহি ভাল পায়। কেতিয়াবা বাৰাণ্ডাত তিনি-চাৰিজন মান লগ হৈ তেখেতৰ লগত ৰসাল আলোচনাত ভাগ লৈ আটাইয়ে ক'ব নোৱাৰাকৈ ডাঙৰকৈ হঁহা দেখিলে দূৰত থকাসকলে তভক মাৰি চাবলৈ বাধ্য হয়। কি প্ৰসংগত ইমান প্ৰাণখোলা হাঁহি মাৰে, সেই কথা হয়তো বহুতে গমেই নেপায়। ছাত্ৰ-ছাত্ৰীৰ পাঠদান আৰু আন বিভিন্ন কামত অনবৰতে ব্যস্ত থাকিবলগীয়া শিক্ষকসকলে এনেদৰে ক্ষন্তেকৰ বাবে লগ হৈ প্ৰাণখোলা হাঁহি মাৰিব পাৰিলে মগজুৰ সক্ৰিয়তা বহুখিনি বৃদ্ধি পায় বুলি মোৰ বিশ্বাস। এনেধৰণৰ ৰসাল কথাবোৰৰ ভিতৰত ৰসায়ন বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰত টেষ্ট টিউবত পৰীক্ষা কৰিব লগা সামগ্ৰীলৈ সোঁহাতখনেৰে আঙুলিৰ ফাঁকত লৈ জোকাৰি থকা প্ৰসঙ্গটোৱেই আটাইতকৈ বেছি আমোদ দিছিল বুলি ক'ব পাৰি। ইয়াৰ ৰহস্য বুজি পোৱাসকলেহে ধৰিব পাৰিব। মুকলিকৈ সকলোবোৰ কথা লিখি প্ৰকাশ কৰা সম্ভৱ নহয়।

এজন প্ৰকৃত শিক্ষকৰ ব্যক্তিত্বত থাকিব লগা সকলোখিনি গুণেই তেখেতৰ আছে। কলেজখনৰ শৈক্ষিক উত্তৰণৰ ক্ষেত্ৰত তেওঁ মৌলিক চিন্তাৰে কাম কৰিছে। প্ৰতিদিনেই যাতে শিক্ষক-শিক্ষয়িত্ৰীয়ে সুন্দৰকৈ Lession Plannign আৰু Diary দিব পাৰে তাৰ বাবে তেওঁ সু-ব্যৱস্থা কৰিছে। প্ৰথম অৱস্থাত এই প্ৰক্ৰিয়া সাপ্তাহিক আৰু Offline পদ্ধতিত চলিছিল আৰু বৰ্তমান ই Online প্ৰক্ৰিয়াত চলি আছে। তেখেতে সদায়ে অতি নিষ্ঠা সহকাৰে এই দায়িত্ব পালন কৰি আহিছে। কেতিয়াবা তেওঁ চুটিত থাকিলেও এই Online ৰ কামখিনি চলাই থকাত গাফিলতি নকৰে।

তেখেতে সময়তকৈ আগত গৈ ভাল পায়। নামৰূপত থকাৰ সুন্দৰ ব্যৱস্থা আছিল যদিও পৰিয়ালবৰ্গ যোৰহাটলৈ উঠি যোৱাত তেওঁ প্ৰায়ে যোৰহাটৰ পৰা অহাযোৱা কৰে। কেতিয়াবা মৰাণ হৈ, কেতিয়াবা সোনাৰী শিৱসাগৰ হৈ, কেতিয়াবা সোনাৰী নাজিৰা হৈ বিভিন্ন গতিপথেৰে তেওঁ এই পথছোৱা অহাযোৱা কৰে। প্ৰতিটো পথৰ বিষয়ে তেওঁৰ জনা থাকে কোনটো ভাল ৰাস্তা, কোনটো বেয়া। আচৰিত কথাটো হ'ল তেওঁ যোৰহাটৰ পৰা প্ৰায় ১৩০ কিঃমিঃ বাট নিজে গাড়ী চলাই আহি কলেজত ৯ বজাত আৰম্ভ হোৱা পুৱাৰ

প্ৰাতঃ সভাত উপস্থিত থাকে, অথচ কলেজৰ ওচৰতে থকা বহুতেই কলেজ চৌহদত প্ৰৱেশ কৰোতে পলম কৰে। মনকৰিবলগীয়া কথাটো হ'ল যে তেওঁ তিনি ঘণ্টা বা চাৰে তিনি ঘণ্টা নিজে গাড়ী চলাই আহি আন দহজনতকৈ অধিক উদ্যমেৰে পাঠদানত নিজক ব্যস্ত ৰাখে। গতিকে নিজ কৰ্তব্যত তিলমানো গাফিলতি নকৰা মানুহজনেই হ'ল ড০ পদ্ম আচাৰ্য।

চাকৰি ক্ষেত্ৰখনত তেওঁ যেনেদৰে দায়িত্বশীল ব্যক্তি ঠিক তেনেদৰে পৰিয়ালৰ ক্ষেত্ৰটো তেখেত এজন দায়িত্বশীল অভিভাৱক। উচ্চশিক্ষিতা পৰিবাৰ আৰু দুগৰাকী কন্যা সন্তানৰ সৈতে সুন্দৰ আৰু সুখী পৰিয়াল। জ্যেষ্ঠ কন্যা 'জুপি এগৰাকী প্ৰতিভাসম্পন্ন গৱেষক ছাত্ৰী আৰু ইজৰাইলৰ এটা প্ৰতিষ্ঠানত বৰ্তমান গৱেষণাত ব্যস্ত। দুয়ো কন্যাৰ উজ্জ্বল ভৱিষ্যতৰ বাবে আমাৰ সকলোৰে শুভেচ্ছা ও আশীষ আছে।

ড০ পদ্ম আচাৰ্য (পদ্মদা)ৰ দৰে বিশাল ব্যক্তিত্বৰ অধ্যাপক এজনৰ অৱসৰে মহাবিদ্যালয় তথা ৰসায়ন বিজ্ঞান বিভাগৰ বহুখিনি ক্ষতি কৰিব। ছাত্ৰ-ছাত্ৰীয়ে হয়তো বহু দিনলৈ Organic Chemistry পঢ়োৱা এজন উপযুক্ত শিক্ষকৰ সান্নিধ্য নাপাব। আমাৰ দৰে নিকট সহকৰ্মীসকলে এজন অভিভাৱকৰ অভাৱ অনুভৱ কৰিম। মুকলি মনেৰে, প্ৰাণখুলি হাঁহিব পৰা মানুহজনৰ অভাৱ সকলোৱে অনুভৱ কৰিব।

প্ৰকৃতিৰ নিয়ম পালন কৰিবই লাগিব। তেখেতৰ অৱসৰকালীন সময়বোৰ সুখ আৰু সমৃদ্ধিৰে ভৰি পৰক তাকে কামনা কৰিলোঁ।

# ড০ পদ্ম আচাৰ্য্যৰ অৱসৰ ক্ষণত একাষাৰ

✍ মঞ্জু কটকী
অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা
ৰাজনীতি বিজ্ঞান বিভাগ
নামৰূপ মহাবিদ্যালয়

প্ৰথমেই মই ড০ পদ্ম আচাৰ্যক চাকৰি জীৱনৰ সফল সমাপ্তিত অভিনন্দন জনাইছোঁ। নামৰূপ মহাবিদ্যালয়ৰ বিজ্ঞান বিভাগৰ চালুকীয়া অৱস্থাৰ পৰা পূৰ্ণাংগ পৰ্যায় পোৱাৰ যাত্ৰাত আচাৰ্যৰ বৰঙণি যথেষ্ট আছে। ড০ আচাৰ্য এজন ধীৰ-স্থিৰ, নিজৰ দায়িত্ব-কৰ্তব্যৰ প্ৰতি সদা সচেতন ব্যক্তি। আশা ৰাখিছোঁ চাকৰিৰ পৰা অৱসৰৰ পছতো তেওঁ নিজৰ কৰ্মস্পৃহা অটুট ৰাখি সুন্দৰকৈ কাম-কাজ কৰি সমাজৰ উন্নতিত অৰিহণা যোগাই যাব।

এই সুযোগতে মই তেওঁৰ পৰিবাৰ আৰু দুই কন্যাকো মোৰ আন্তৰিক মৰম-শুভেচ্ছা জনালোঁ। তেওঁলোক সকলোটিৰে জীৱন সুখৰ-শান্তিৰ হওক এই কামনা কৰিলোঁ।

# শুভেচ্ছাবাণী

✍ দীপালী দত্ত বৰদলৈ
গুৱাহাটী

শ্ৰীমান পদ্ম আচাৰ্য্যৰ অৱসৰৰ খবৰ পাই এনে লাগিল যেন দিনবোৰ বৰ খৰকৈ বাগৰিল। যি কি নহওক এয়া প্ৰকৃতিৰ নিয়ম। পদ্ম আচাৰ্য্য এগৰাকী সফল শিক্ষক আৰু সফল পিতৃ। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো তেওঁ সুস্বাস্থ্যৰ অধিকাৰী হৈ পৰিয়ালৰ সৈতে সুখে-শান্তিৰে থাকক।

পৰিয়ালৰ সদৌটিলৈকে মৰম আৰু আশীৰ্বাদ জনালোঁ।

# শুভেচ্ছাবাণী

✍ Indira Deb Choudhury. (Retd)
Dept. Maths

To,

Dr. Padma Acharjya,
Dept. Chemistry

At first I congratulate on the successful completion of your tenure at Namrup College.

Over the long period of time, we spent together. Your contribution to the college has been immense and tremendous.

Now good bye to all the pressure, welcome the endless leisure. Enjoy the retired life.

May you and your family have a life full of good health and happiness.

# ড০ পদ্ম আচাৰ্য্যলৈ অভিনন্দন

✍ সঞ্জয় কুমাৰ শীল
অৱসৰপ্ৰাপ্ত অধ্যাপক
নামৰূপ মহাবিদ্যালয়

যিমান দূৰ মোৰ মনত পৰে ড০ পদ্ম আচাৰ্যদেৱে ১৯৯১ চনৰ আৰম্ভণিতে নামৰূপ কলেজৰ ৰসায়ন বিজ্ঞান বিভাগত এজন কনিষ্ঠ অধ্যাপক হিচাবে যোগদান কৰিছিল। সেই সময়ত কলেজখনৰ বিজ্ঞান শাখাটোৱে প্ৰচলিত চৰকাৰী ঘাটিমঞ্জুৰী লাভ কৰা নাছিল। সেই ফালৰ পৰা চালে ড০ আচাৰ্য্য বিজ্ঞান শাখাটোৰ এজন প্ৰতিষ্ঠাপক অধ্যাপক আছিল। তেখেতৰ যোগদানে কলেজখনৰ ৰসায়ন বিজ্ঞান বিভাগটিয়ে পূৰ্ণতা লাভ কৰে আৰু ১৯৯২ চনত বিজ্ঞান শাখাই চৰকাৰী ঘাটিমঞ্জুৰী লাভ কৰে আৰু আমিও এজন নিষ্ঠাবান, অধ্যয়নপুষ্ট আৰু কৰ্মদক্ষ সহকৰ্মী পাবলৈ সক্ষম হওঁ। চাওঁতে চাওঁতে সুদীৰ্ঘ ৩৪ টা বছৰ সুকলমে পাৰ হৈ গ'ল আৰু চিৰাচৰিত নিয়ম অনুসৰি আনুষ্ঠানিক কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণৰ সময়ো আহি পৰিল। আজি আচাৰ্য্যদেৱৰ বিদায় মুহূৰ্তত নামৰূপ কলেজৰ পৰিয়ালবৰ্গই প্ৰকাশ কৰিবলগীয়া 'লেছেৰি'ৰ জৰিয়তে মোৰ কৰ্মজীৱনত ড০ আচাৰ্য্যদেৱৰ পৰা পোৱা অকৃত্ৰিম শ্ৰদ্ধা, সহায়-সহযোগিতা আৰু কলেজখনৰ অগ্ৰগতিৰ বাবে তেখেতে আগবঢ়োৱা অৰিহণা আৰু দিহা-পৰামৰ্শসমূহ আন্তৰিকতাৰে সুঁৱৰিছোঁ লগতে আনুষ্ঠানিক কৰ্মজীৱনৰ সফল সমাপ্তিৰ বাবে আন্তৰিক ধন্যবাদ আৰু অভিনন্দন জনাইছো।

বয়স তথা কৰ্মক্ষেত্ৰত জ্যেষ্ঠ হোৱা হেতুকে হয়তো প্ৰথম অৱস্থাত টিৰ্চাছ কমন ৰূমত ড০ আচাৰ্য্যদেৱৰ সন্নিধ্য বৰ কমকৈ পাইছিলো। কিন্তু সময়ৰ লগে লগে ক'ব নোৱাৰাকৈ কেতিয়াযে এজন বন্ধু সহকৰ্মী হৈ পৰিল ধৰিবই নোৱাৰিলো। আৰম্ভণিতে যথেষ্ট গহীন-গম্ভীৰ পদ্ম আচাৰ্য্য পিছলৈ কলেজ পৰিয়ালটিৰ এজন দক্ষ তথা কৰ্মনিষ্ঠ সদস্য হৈ পৰিছিল। প্ৰাক্ ঘাটিমঞ্জুৰী কালত যোগদান কৰাহেতু কিছুদিন বিভাগীয় সীমিত পৰিকাঠামো আৰু আজিৰ তুলনাত নামমাত্ৰ পাৰিশ্ৰমিকলৈ ড০ আচাৰ্য্যদেৱে যথেষ্ট ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিবলগীয়া হৈছিল।

কলেজখনত অধ্যাপক হিচাবে তেখেতৰ যোগদানে ৰসায়ন বিজ্ঞান বিভাগটিয়ে পূৰ্ণতা লাভ কৰে আৰু ১৯৯২ চনত বিজ্ঞান শাখাটোৱে চৰকাৰী ঘাটিমঞ্জুৰী লাভ কৰিবলৈ সক্ষম হয়। সেই সময়ৰ বিভাগীয় মুৰব্বী অধ্যাপিকা প্ৰয়াত বুলবুল বৰগোহাঁই বাইদেউৰ সৈতে একেলগে বিভাগটোক পৰিস্থিতি আৰু প্ৰয়োজন অনুসৰি সুন্দৰকৈ গঢ় দিয়াত ড০ আচাৰ্য্যদেৱৰ অৰিহণা কলেজ তথা বিভাগটোৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব।

সাজপাৰত নিকা, সহজ-সৰল, পাঠদানত যথেষ্ট নিয়মীয়া পদ্ম আচাৰ্য্যদেৱৰ অধ্যয়নপুষ্ট পাঠদানে ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰাৰ লগতে তেওঁলোকৰ পৰা অকৃত্ৰিম শ্ৰদ্ধা-ভক্তিও লাভ কৰিবলৈ সক্ষম হৈছিল। কলেজৰ নিয়মীয়া Routine Class ৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ কথা চিন্তা কৰি অতিৰিক্ত ক্লাচ কৰা অধ্যাপক-অধ্যাপিকাসকলৰ ভিতৰত পদ্ম আচাৰ্য্যও এজন আছিল।

আচাৰ্য্যদেৱৰ এটা বিশেষ গুণ এইখিনিতে উল্লেখ নকৰাকৈ থাকিব নোৱাৰিলো, যিটো বহুত পৰমকৈ মোৰ দৃষ্টি পৰিছিল আৰু সেয়া হৈছে তেখেতৰ প্ৰশাসনিক চিন্তা আৰু দক্ষতা। ২০০২-০৪ বৰ্ষত আমাৰ কলেজখনে প্ৰথমবাৰৰ বাবে NAAC Assessment সন্মুখীন হওঁতে আচাৰ্য্যদেৱে "Research, Consultancy and Extension Committee" খনৰ সম্পাদক আছিল যিখন কমিটিৰ প্ৰতিবেদন Assessment ৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ আছিল। সেই সময়ত তেখেতে প্ৰস্তুত কৰা প্ৰতিবেদন আৰু পৰামৰ্শই NAAC Assessment ত সফল হোৱাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছিল। একেসময়তে কলেজখনৰ লাইব্ৰেৰীটো সীমিত পুঁজিৰে Assessment সন্মুখীন হ'ব পৰাকৈ সজাই তোলাৰ দায়িত্বও আচাৰ্য্যদেৱৰ ওপৰত ন্যস্ত কৰা হৈছিল আৰু

তেখেতৰ নেতৃত্বতে কলেজৰ লাইব্ৰেৰীটো প্ৰথমবাৰৰ বাবে Digitalised কৰা হয়। তেখেতৰ পৰামৰ্শমতেই লাইব্ৰেৰীটোৰ আভ্যন্তৰীণ পৰিকাঠামোৰ কিছু পৰিবৰ্তন কৰা হয়। উল্লেখযোগ্য যে আচাৰ্য্যদেৱক কেইবাটাও কাৰ্যকলাপৰ বাবে লাইব্ৰেৰী কমিটিৰ সভাপতিৰ দায়িত্বও অৰ্পণ কৰা হৈছিল আৰু যথেষ্ট দক্ষতাৰে পৰিচালনা কৰিবলৈও সক্ষম হৈছিল।

অৱসৰ গ্ৰহণৰ পাছত কেইবাবাৰো কলেজলৈ গৈছিলো। 'শীল দা' বুলি আচাৰ্য্যৰ মাতষাৰ পাইছিলো। এতিয়াৰ পৰা কলেজলৈ গ'লে সেইষাৰ মাত যে আৰু নাপাম। অভাৱটো থাকি গ'ল।

এজন অধ্যয়পুষ্ট অধ্যাপক, পৰ্যায়ক্ৰমে বিভাগীয় মূৰব্বী অধ্যাপক আৰু উপাধ্যক্ষৰ দৰে সন্মানীয় আসন অলংকৃত কৰি আনুষ্ঠানিক কৰ্মজীৱনৰ সফল সামৰণিৰ বাবে ড০ পদ্ম আচাৰ্য্যদেৱক পুনৰবাৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনাইছোঁ। তেখেতৰ অৱসৰকালীন জীৱন পৰিয়ালসহ সুস্বাস্থ্যৰে সুখৰ আৰু দীৰ্ঘায়ু হওক। এই কামনাৰে...।

# অৱসৰী জীৱনলৈ অভিনন্দন

✍ বিমল চন্দ্ৰ গগৈ
প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ
নামৰূপ মহাবিদ্যালয়

ড০ পদ্ম আচাৰ্যৰ অৱসৰ। ২০২৫ চনৰ ৩১ মাৰ্চ তাৰিখত। জয়জয়তে তেওঁক অৱসৰী জীৱনলৈ আন্তৰিক অভিনন্দন জনাইছোঁ। ৰিজুমণি দাস আৰু অংকুৰ নাথে অনুৰোধ কৰিলে অভিনন্দন জনাই দুআষাৰ লিখিবলৈ। লিখিবলৈ লৈ ভাবিছোঁ, গোটেই চাকৰি জীৱন এটা পৰিয়াল হিচাবে যিখিনি মানুহৰ লগত সময়বোৰ কটাইছিলো, অৱসৰৰ পাছত সেই একে পৰিবেশত কোনোদিন লগ পোৱা নাযায়। কেতিয়াবা আহিলেও আলহী আলহী ভাব থাকিব। অৱসৰৰ পাছত ঠিকনাবোৰ নিজৰ সুবিধা মতে প্ৰত্যেকৰে বেলেগ বেলেগ হ'ব। আহোঁ বুলি ভাবিলেও ক'ত কি বা অসুবিধা ওলাব। সঁচাই অৱসৰৰ পাছত মোবাইল সংযোগ, ফেচবুক আদিয়েই একমাত্ৰ ভৰসা হ'বগৈ।

ভাতৃপ্ৰতীম পদ্ম আচাৰ্য্যক ১৯৯০ চন মানৰ পৰাই লগ পাইছিলোঁ। প্ৰায় ত্ৰিশ বছৰ একেলগে সহকৰ্মী হিচাবে কাম কৰিলো। নামৰূপ মহাবিদ্যালয়ৰ উত্তৰণৰ যাত্ৰাত একেলগে সহযাত্ৰী হৈছিলোঁ। সহকৰ্মী হিচাবে তেওঁ এজন সহানুভূতিশীল, উদ্যমী আছিল। শিক্ষক হিচাবে এজন ছাত্ৰ-ছাত্ৰীৰ মনত সাঁচ বহাব পৰা সফল শিক্ষক। আজিৰ সময়ৰ আড্ডা বিলাকতো এনজ ৰসিক ব্যক্তি আছিল।

নেতৃত্বৰ দিশত অলপ দুৰ্বল তেওঁ। শিক্ষক গোটৰ সাধাৰণ সম্পাদক হওঁকে এখন সভাত কান্দি যাব লগা হৈছিল। বিভাগীয় পৰিচালনা কেনে আছিল সেয়া বিভাগীয় সহকৰ্মীসকলে জানিব।

পিতৃ হিচাবে এজন সফল পিতৃ তেওঁ। দুগৰাকী সুপুত্ৰীক ইতিমধ্যে সুশিক্ষিত কৰি তুলিছে। জুপী (উপাশা)ই বৰ্তমান ইজৰাইলত গৱেষণা কৰি আছে। মুঠতে চাৰিজনীয়া এখন সুখৰ সংসাৰৰ গৰাকী তেওঁ। সকলোলৈ শুভকামনা জনাইছোঁ।

অৱসৰী জীৱন বহু বাধ্যবাধকতাৰ পৰা মুক্ত এক মুকলি জীৱন। নিজৰ ইচ্ছাৰে সপোনৰ পৃথিৱীত বিচৰণ কৰি ফুৰিব পৰা এক মুক্ত বিহংগৰ জীৱন। এই মুক্ত জীৱনলৈ পুনৰ অভিনন্দন জনাইছোঁ। সুস্বাস্থ্যৰে সুখ-শান্তিৰে এই সপোনৰ মুক্ত জীৱন দীৰ্ঘায়ু হোৱাৰ শুভকামনা জনাই সামৰিছো লগতে দূৰভাষেৰে সংযোগ ৰখাৰ প্ৰতিশ্ৰুতিৰে।

# ড০ পদ্ম আচাৰ্য্যলৈ একলম

উৎপলা বৰুৱা বৰ্মন
প্ৰাক্তন অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
নামৰূপ মহাবিদ্যালয়

পোন প্ৰথমে নামৰূপ মহাবিদ্যালয়ৰ এগৰাকী বিশিষ্ট শিক্ষক ৰাসায়ন বিভাগৰ মুৰব্বী অধ্যাপক তথা বৰ্তমানৰ উপাধ্যক্ষ ড০ পদ্ম আচাৰ্য্যক সুকলমে কৰ্মজীৱনৰ আনুষ্ঠানিক সমাপ্তিত অভিনন্দন জনাইছোঁ। ৯০ চনৰ আৰম্ভণিতে তেখেত মহাবিদ্যালয়ত যোগদান কৰিছিল। তেতিয়াৰ পৰা তেওঁক লগ পাইছো। ১৯৯২ চনত নামৰূপ মহাবিদ্যালয়ে ঘাটি মঞ্জুৰি লাভ কৰে। তেতিয়াৰ পৰা মহাবিদ্যালয়ৰ ভাল বেয়া সকলো সমস্যা আমি সকলোৱে একেলগে মিলি সমাধা কৰিবলৈ চেষ্টা কৰিছিলোঁ। আমি মহাবিদ্যালয়ত চাকৰি আৰম্ভ কৰাৰ সময়ত কলেজখন তেনেই চালুকীয়া অৱস্থাত আছিল। গতিকে ইয়াক গঢ় দিওঁতে প্ৰতিগৰাকী শিক্ষকৰ বহুত দায়িত্ব আছিল। আমি কলেজখন বন্ধ হৈ যাব বুলি সতৰ্ক হৈ থাকিবলগীয়া হৈছিল। হয়তো পদ্ম আচাৰ্য্যৰ নিচিনা এচাম পৰিশ্ৰমী, কৰ্মমুখী শিক্ষকৰ চেষ্টাত মহাবিদ্যালয়খনে বহুত বাধা বিঘিনী অতিক্ৰম কৰিব পাৰিছিল। পদাৰ্থ বিজ্ঞান আৰু ৰসায়ন বিজ্ঞান বিভাগ দুইটা ওচৰা-ওচৰি। গতিকে নিসন্দেহে তেওঁলোকৰ সৈতে আমাৰ এটা ভাল সম্বন্ধ গঢ়ি উঠে। বিভিন্ন কথাৰ আলোচনা হয়। মৌচুমী, ৰঞ্জনা আৰু মই লৈ যোৱা টিফিনৰ দ্বাৰাই আমাৰ আড্ডাত আপ্যায়ন কৰা হয়। স্বাভাৱসুলভ ৰসিকতাৰে আচাৰ্য্যই পৰিৱেশটো হাঁহিমুখৰ কৰি তোলে। শিক্ষক হিচাপে তেখেত এগৰাকী সফল শিক্ষক। সুন্দৰ শিক্ষণ প্ৰণালী, জ্ঞানৰ গভীৰতা, ছাত্ৰ-ছাত্ৰীৰ প্ৰতি থকা দায়বদ্ধতা আদি গুণৰ বাবে আচাৰ্য্য চাৰক ছাত্ৰ-ছাত্ৰীয়ে ভাল পোৱাৰ লগতে সমীহ কৰা দেখিছিলোঁ। নামৰূপ মহাবিদ্যালয়ৰ দ্বিতীয়বাৰ 'নাক'ৰ পৰ্যবেক্ষণৰ সময়ত লাইব্ৰেৰী কমিটিৰ সভাপতি আছিল। সেইসময়ত লাইব্ৰেৰী ডিজিটেল কৰা হৈছিল । তেওঁ আন দায়িত্বও সুচাৰুৰূপে পালন কৰিছিল। সংসাৰখনো আচাৰ্য্যই পৰিপাটীকৈ গঢ় দিছে। দুজনী মেধাৱী ছোৱালীৰ পিতৃ। বৰ ছোৱালী জুপি ইজৰাইলত গৱেষক ছাত্ৰী হিচাপে কৰ্মৰত। গৌৰৱৰ কথা। শেষত আহিবলগীয়া দিনবোৰ পৰিয়ালৰ সৈতে সুস্বাস্থ্যৰে সুন্দৰভাৱে অতিবাহিত কৰক। এয়েই কামনা ।

# ড০ পদ্ম আচাৰ্য্যলৈ আনুষ্ঠানিক কৰ্মজীৱনৰ সামৰণিত

✍ ড০ ৰঞ্জনা বৰদলৈ
অৱসৰপ্ৰাপ্ত মুৰব্বী তথা সহযোগী অধ্যাপক
পদাৰ্থ বিজ্ঞান বিভাগ
নামৰূপ মহাবিদ্যালয়

নামৰূপ কলেজে সোণালী জয়ন্তী অতিক্ৰম কৰাৰ সামন্তৰালকৈ যিসকল শিক্ষক আশীৰ দশকত কলেজখনত যোগদান কৰিছিলহি সেইসকল প্ৰায়খিনিয়েই এজন দুজনকৈ ক্ৰমে অৱসৰ গ্ৰহণ কৰি মৰমৰ কলেজখন এৰি গুচি গৈছেগৈ ; লৈ গৈছে লগত এখিনি মেটমৰা স্মৃতি আৰু অভিজ্ঞতাৰ সঁফুৰা। সময়ৰ আহ্বানত আমিবোৰো অৱসৰী হলোহি । আমাৰ সমসাময়িক ড০ পদ্ম আচাৰ্য্যৰ ২০২৫ চনৰ মাৰ্চ মাহৰ ৩১ তাৰিখে অৱসৰ গ্ৰহণৰ মূহুৰ্তত প্ৰথমেই আন্তৰিক অভিনন্দন জনাইছো। ৰসায়ন বিভাগৰ এজন দক্ষ অধ্যাপক হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন গঢ়াত যি দৰে আচাৰ্যই অৰিহণা আগবঢ়ালে সেইদৰেই কলেজখনৰ সৰ্বাংগীন উন্নতিৰ বাবে আগবঢ়োৱা অৰিহনাও উল্লেখযোগ্য। কামত বৰ চিজিল আৰু সুপৰিকল্পিতভাৱে কাম কৰাত দক্ষ, গতিকে কামত খুত নাথাকে কেতিয়াও। বহুতো স্মৃতিয়ে মনলৈ অগাদেৰা কৰিছেহি। নামৰূপ ফাৰ্টিলাইজাৰ প্ৰফেচৰ কলনি হিচাপে পৰিচিত চেক্টৰ 'ই'ৰ লাইনতে থকা এশাৰী কোৱাৰ্টাৰ ভাড়া লৈ আমি বিভিন্ন ঠাইৰ পৰা গৈ নামৰূপৰ বাসিন্দা হৈছিলোগৈ । গোটেই লাইনটোত নামৰূপ কলেজৰ শিক্ষকেই বসিন্দা। এতিয়া সেই লাইনটোত মাত্ৰ দুঘৰেই আছেগৈ। আমিবোৰ ওচৰ চুবুৰীয়া, লগতে ঘৰুৱা সম্বন্ধ। বিহু, দেৱালী একেলগে উদযাপন কৰো। পদ্ম আচাৰ্যও এই লাইনৰ বাসিন্দা আছিল। গোটেইকেইজন অবিবাহিত শিক্ষকৰ ইয়াত থাকোতেই বিয়া কৰি ন-ছোৱালী অনাৰ পাছত সাংসাৰিক জীৱনৰ সূত্ৰপাত হৈছিল। বেছ কিছু বছৰ একেলগে অতিবাহিত কৰাৰ পাছত সন্তানসকলক উপযুক্ত কৰি সকলোৱে পুনৰ নতুন ঠিকনা ললে। আচাৰ্য্যৰ পৰিয়াল যোৰহাটৰ নিজৰ ঘৰ হোৱাত গ'লগৈ। যোৰহাটৰ পৰা নামৰূপলৈ আচাৰ্য্য নিজে গাড়ী চলাই। ৰাতিপুৱাৰ পৰীক্ষা চলাবলৈ পুৱা ৮ বজাৰ পাছতেই কলেজ আহি পাই যায়। সেইদৰেই যেতিয়াই যি দায়িত্বত আছিলে সকলো দক্ষতাৰে সম্পন্ন কৰা আমি দেখিছিলো।

ভাল শিক্ষক এজনৰ পৰিচয় সদায় থাকি যায়। জীৱনৰ নতুন এক অধ্যায়লৈ আগবাঢ়োতে আচাৰ্য্যলৈ যাঁচিছো অফুৰন্ত শুভকামনা। অৱসৰী জীৱনত সুস্বাস্থ্য অক্ষুণ্ণ থাকক; পৰিয়ালৰ সকলোলৈকে মৰম আৰু শুভেচ্ছা জনালোঁ।

# ড০ পদ্ম আচাৰ্য্যলৈ অভিনন্দন

✍ ড০ জিতু বুঢ়াগোহাঁই
অৱসৰপ্ৰাপ্ত অধ্যক্ষ
ডিব্ৰু মহাবিদ্যালয়

জীৱনটো একে ঠাইতে থমকি নাথাকে, কেৱল দিশ পৰিৱৰ্তন হয়। কৰ্মজীৱনৰ পৰা অৱসৰ হ'ল অভিজ্ঞতাৰে ভৰা জীৱনৰ সোণালী অধ্যায়। এই সময় হ'ল ইতিবাচকভাৱে জীৱন উপভোগ কৰা আৰু নিজকে নতুনকৈ আৱিস্কাৰ কৰাৰ সময়।

সযময় যেন পাখি লগা কাঁড়ৰ দৰেই আগবাঢ়ি গ'ল। মোৰ নিজৰ অৱসৰ লোৱাৰ দুবছৰ হ'ল। দুবছৰৰ আগতে ড০ পদ্ম আচাৰ্য্যক নামৰূপ মহাবিদ্যালয়ত লগ পাওঁতে কৈছিল- দুবছৰৰ পাছত ময়ো অৱসৰ গ্ৰহণ কৰিম। খুব সোনকালেই যেন দুটা বছৰ পাৰ হৈ গ'ল। মনত পৰিছে আমাৰ চাকৰি জীৱনৰ আৰম্ভণিৰ দিনবোৰলৈ- কিমানযে আশাবাদী আৰু উত্তেজিত আছিলোঁ। প্ৰথম দৰমহা পাই আমি একেলগে তিনিচুকীয়ালৈ আহি এটা ভি আই পি চুটকেছ কিনিছিলো। প্ৰত্যেকেই হিৰ' চাইকেল এখন এখন কিনি ইফালে-সিফালে ফুৰিছিলো। বাহন হিচাপে আমাৰ চাইকেলখনেই আছিল। বহুত দিনৰ পিছতহে আমি স্কুটাৰ ল'বলৈ সক্ষম হৈছিলো। আমি ওচৰা ওচৰিকৈ আছিলো আৰু বেচেলৰ জীৱন খুব উপভোগ কৰিছিলো। সংসাৰৰ দায়-দায়িত্ব নাই, ইফালে-সিফালে ঘূৰি ফুৰা, সন্ধিয়া একেলগে কটোৱা- সকলোতে এক বিশেষ আনন্দ আছিল।

এবাৰ আমি দুয়োজনেই ৰাতি ভাত খাই কথা পাতি আছিলো। কথাৰ সূত্ৰপাত হ'ল আমাৰ আনুষ্ঠানিক ছাত্ৰ জীৱনৰ শেষ হোৱাৰ পৰা। তাৰ পিছত আমাৰ চাকৰি জাৱনৰ কথা, সংসাৰ পতাৰ কথা, জীৱনক আগবঢ়োৱা কথা আৰু তাতকৈও অধিক গুৰুত্বপূৰ্ণ, অৱসৰ লোৱাৰ পিছত জীৱনৰ শেষ অধ্যায়ৰ কথা। কথাখিনি চিৰিয়াছ ধৰণে পাতি আমি লাহে লাহে অনুভৱ কৰিবলৈ ধৰিলোঁ- জীৱনটো বৰ চুটি, যেন অতি সোনকালেই আমাৰ দিনবোৰ শেষ হ'বলৈ ধৰিছে।

এই গভীৰ অনুভৱবোৰ আমাৰ মনৰ মাজত এনে এটা গধুৰতাৰ জন্ম দিলে আৰু আমি ইজনে সিজনক মাতবোল নকৰাকৈ দুটো দুফালে শুই পৰিলো। কিন্তু পিছদিনা ৰাতিৰ সেই গম্ভীৰ অনুভূতিবোৰ মনত পেলাই আমি দুইজনে খুব হাঁহিলো। জীৱনটো এনেকুৱাই- কেতিয়াবা গম্ভীৰ, কেতিয়াবা হাস্যৰসৰ।

প্ৰথমতে আচাৰ্য্যৰ কোঠাটোহে আমাৰ উমৈহতীয়া ৰান্ধনীঘৰ আছিল। কিন্তু তেওঁৰ বিয়াৰ পাছত সেই ৰান্ধনীঘৰ মোৰ কোঠালৈ স্থানান্তৰিত হ'ল। আচাৰ্যৰ বিবাহৰ দিনটোও আমাৰ বাবে এক স্মৰণীয় অভিজ্ঞতা আছিল। আমি কেইবাজনো বন্ধু একেলগে দৰাৰ লগত গৈ হাঁহি-ধেমালিৰে সময় কটাই নিশা প্ৰায় দুই বজাত ঘূৰি আহিছিলোঁ। সেই সময়ৰ কথা মনত পৰিলে সঁচাই আনন্দ অনুভৱ কৰো।

সময় আগবাঢ়ি গৈ থাকিল আৰু আমাৰ জীৱনো নতুন নতুন দায়িত্বৰ সৈতে আগবাঢ়িল। ওচৰা-ওচৰিকৈ ফাৰ্টিলাইজাৰৰ কোৱাৰ্টাৰত থকা আমি সকলোৱে সন্তানৰ শিক্ষা আৰু পাৰিবাৰিক দায়িত্বত ব্যস্ত হৈ পৰিলোঁ। আগৰ দৰে সদায় একেলগে বহি আড্ডা দিয়াৰ সময় কমি আহিল। তথাপি, বিশেষ উপলক্ষ্যত আমি কেতিয়াবা মিলিত হ'লে অতীতৰ সুখ-দুখ, স্মৃতি ৰোমন্থন কৰি হাঁহি-ধেমালিৰে কথা পাতো। মহাবিদ্যালয়ৰ কৰ্মজীৱনৰ আৰম্ভণিৰ দিনবোৰ পুনৰ অনুভৱ কৰাৰ এটা চেষ্টা কৰো।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে কৰ্মজীৱনটো এক নতুন অধ্যায় আৰম্ভ হ'ল। নামৰূপ মহাবিদ্যালয়ৰ পৰা ডিব্ৰু মহাবিদ্যালয়লৈ মোৰ কৰ্মস্থলী স্থানান্তৰিত হোৱাত নামৰূপ মহাবিদ্যালয়ৰ বন্ধুবৰ্গৰ সৈতে লগপোৱা ক্ৰমান্বয়ে কমি আহিল। কিন্তু আমাৰ মাজৰ বন্ধুত্ব আৰু আন্তৰিকতাৰ বান্ধোন অটুট হৈ থাকিল। সময় সুযোগ পালে নামৰূপ মহাবিদ্যালয়লৈ গ'লে আচাৰ্যৰ সৈতে সাক্ষাৎ হয়। বিভিন্ন বিষয়ত কথা পাতো, অতীতৰ স্মৃতি ৰোমন্থন কৰো আৰু জীৱনৰ অভিজ্ঞতা বিনিময় কৰো।

অৱশেষত তিনিটা দশকতকৈ অধিক সময় ধৰি নামৰূপ মহাবিদ্যালয়ত নিষ্ঠাৰে সেৱা আগবঢ়োৱা ড০ পদ্ম আচাৰ্যৰ সুদীৰ্ঘ কৰ্মজীৱনৰ সামৰণি অহাৰ ক্ষণ উপস্থিত হ'ল। শিক্ষাগৰ্ভিত এই যাত্ৰাৰ সমাপ্তি হয়তো এক সেৱা-বিধি, কিন্তু ই এজন শিক্ষকৰ অপূৰ্ব অৱদানক কেতিয়াও ম্লান কৰিব নোৱাৰে ।

ড০ পদ্ম আচাৰ্য্যৰ শিক্ষা আৰু শৈক্ষিক দায়বদ্ধতা সমগ্ৰ মহাবিদ্যালয় পৰিয়ালে সদায় স্মৰণ কৰিব। এটা কথা সকলোৱে স্বীকাৰ কৰিব যে ড০ পদ্ম আচাৰ্য্য এজন আদৰ্শ শিক্ষক। তেওঁ অপূৰ্ব শৈলীৰে কৰা পাঠদানে ছাত্ৰ-ছাত্ৰীসকলক আপ্লুত কৰিছিল ।ৰসায়ন বিজ্ঞানৰ জটিল তাত্বিক কথাসমূহক পানীৰ দৰে সহজবোধ্য কৰি তুলিব পৰা ক্ষমতাই তেওঁক ৰসায়ন বিজ্ঞানৰ এজন আদৰ্শ শিক্ষক কৰি তুলিছিল। মহাবিদ্যালয়খনৰ ৰসায়ন বিজ্ঞান বিভাগক এক নতুন দিশ দিবলৈ সদায় সচেষ্ট হৈ আছিল আৰু সফলতাও লাভ কৰিছিল। ছাত্ৰ- ছাত্ৰীসকলক সদায় এটা অনুশাসনত ৰাখিছিল। শৈক্ষিক দায়িত্বৰ লগতে উপাধ্যক্ষ হিচাপে প্ৰশাসনিক কামতো সেৱা আগবঢ়োৱা ড০ আচাৰ্য্যৰ অভাৱ মহাবিদ্যালয়ৰ পৰিয়ালে অনুভৱ কৰিব।

শিক্ষাদানৰ পৱিত্ৰ দায়িত্বত দীৰ্ঘদিন ধৰি নিজকে অৰ্পণ কৰা ড০ আচাৰ্য্যৰ প্ৰতি মহবিদালয় পৰিয়ালে আনসকলক কৰাৰ দৰেই এখন অভিনন্দন গ্ৰন্থ প্ৰকাশ কৰি সন্মান প্ৰদান কৰাটো নিঃসন্দেহে এক মহৎ কাৰ্য। এনে এক সন্মানজনক স্বীকৃতি যি কোনো শিক্ষকৰ জীৱনত গৌৰৱৰ বিষয়। এই গ্ৰন্থখনে নিচিন্তভাৱে ড০ আচাৰ্য্যৰ অধ্যাপক জীৱনৰ বিভিন্ন পৰিস্ফুট দিশসমূহক উজ্বলাই তোলাৰ লগতে তেওঁৰ কৰ্মজীৱন স্মৰণীয় কৰি ৰাখিব, যি ভৱিষ্যতৰ শিক্ষাৰ বাবেও অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব।

অৱসৰৰ পিছত আচাৰ্য যোৰহাটলৈ গুচি যাব। হয়তো আমাৰ লগত যোগাযোগ কমি যাব, মুখামুখিকৈ লগ নোপোৱা দিনবোৰো বৃদ্ধি পাব । কিন্তু যিবিলাক সোঁৱৰণি আমি একেলগে গঢ়ি গৈছিলোঁ, সেইবোৰ আমাৰ হৃদয়ত কেতিয়াও হ্ৰাস নহয়, বৰঞ্চ সময়ৰ লগে লগে অধিক মূল্যবান হৈ উঠিব।

অৱসৰ মানেই জীৱনৰ অন্ত নহয়; ই এক নতুন সোণালী অধ্যায়ৰ আৰম্ভণি, য'ত অধিক সময় নিজক বুজি পোৱাৰ লগতে নিজৰ সৃষ্টি আৰু নিজৰ মনৰ প্ৰিয় বিষয়বোৰত নিবিষ্ট হোৱাৰ সুযোগ থাকে। দুই কন্যাসন্তানসহ, জুপি আৰু অৰ্পি আৰু পৰিয়ালসহ জৈমিনীৰ সৈতে আচাৰ্যৰ সুখৰ সংসাৰ। জুপিয়ে ইজৰাইলত গৱেষণা কৰি আছে, অৰ্পিয়েও নিশ্চয় সেই পথে অনুসৰণ কৰিব। মই আশা কৰোঁ, এই নতুন জীৱন পথত ড০ পদ্ম আচাৰ্যৰ আত্মবিশ্বাস, আনন্দ আৰু সৃষ্টিশীলতাৰ সৈতে আগবাঢ়ি যাব। এই বিশেষ ক্ষণত তেওঁৰ সুখী আৰু সুস্বাস্থ্যময় জীৱনৰ বাবে মোৰ ফালৰ পৰা আন্তৰিক শুভকামনা জ্ঞাপন কৰিলোঁ।

# স্মৃতিৰ বুলনি

✍ দৰদী শইকীয়া বড়া
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ
নামৰূপ মহাবিদ্যালয়

ড০ পদ্ম আচাৰ্য্য,
উপাধ্যক্ষ, নামৰূপ মহাবিদ্যালয়।

৩৪ টা বছৰ শিক্ষকতাৰ দৰে পৱিত্ৰ আৰু মহান বৃত্তিত আৰু দুবছৰ কাল উপাধ্যক্ষ হিচাপে প্ৰশাসনিক সেৱা আগবঢ়াই গঢ়ি তোলা আপোনাৰ এক পৰিচয়। খং ৰাগ বিহীন এজন উৎসাহী, উদ্যমী আৰু ৰসাল ব্যক্তি। যোগাত্মক দৃষ্টিভঙ্গী, সুপৰিকল্পনা আৰু পূৰ্ব প্ৰস্তুতিৰে যি কোনো কাম নিখুঁতভাৱে কৰিব পৰাটো আপোনাৰ এটা ডাঙৰ গুণ। শুকান খৰিতো ৰস উলিয়াব পৰা ব্যক্তি হিচাপে মই আপোনাক সদায় মনত ৰাখিম। সেইবোৰ যিয়ে নহওঁক, মোৰ বাবে কিন্তু 'আপুনি আচাৰ্য্য'। সহকৰ্মী হলেও যিকোনো খোলা মনেৰে পাতিব পৰা এজন বিশেষ বন্ধু ।

আপোনাৰ অৱসৰৰ সময় সমাগত। অভিনন্দন জনাইছোঁ। চকুৰ সন্মুখেদি স্মৃতিয়ে অগা-দেৱা কৰিছে। একে সময়তে চাকৰিত যোগদান কৰিছিলোঁ। একেটা জিৰণি কোঠাতে বহিছিলো। প্ৰাণীবিজ্ঞান আৰু ৰসায়ন বিজ্ঞান বিভাগ দুটাও ওচৰা-ওচৰি আছিল। পিছলৈ জিৰণি কোঠাও ভাগ ভাগ হ'ল। আমাৰ বিভাগটোও আপোনলোকৰ বিভাগৰ পৰা অলপ আঁতৰি আহিল। পিছে এঠাটো লাগিয়েই থাকিল। বেছিভাগ আড্ডা আমাৰ বিভাগতে হয়। তৰুণে বনাই দিয়া গ্ৰীণ টি আৰু সৰু-সুৰা টিফিন আগত লৈ ৰসাল আড্ডা বহে। অৱসৰৰ আগলৈকে ড০ পদ্ম মহন্ত ছাৰও প্ৰায়ে আমাৰ তাত বহিছিল। উপাধ্যক্ষ হোৱাৰ পিছত আপোনাৰ  কোঠাটো আমাৰ বিভাগৰ ওচৰতে হোৱাৰ বাবে সঘনাই লগ পাই থকাৰ সৌভাগ্য হৈছিল। আমি চাহ খোৱাৰ সময়ত তৰুণে (Lab Assistant) কয়, 'চাৰকো মাতি দিও' । মই মুখলৈ চালে কয়, 'ছাৰ টো আহিবই , পিছত আহিলে মই আকৌ চাহ বনাব লাগিব' । আপুনি য'তে থাকে তাতে হাঁহিৰ জোৱাৰ উঠে। মই নিশ্চিত যে আপোনাৰ অৱসৰৰ পাছত এই পৰিৱেশটোৰ অভাৱ সকলোৱে অনুভৱ কৰিব।

হাঁহি ফুৰ্ত্তিৰ  মাজতে আমি পিছে বহুত প্ৰয়োজনীয় কথাও আলোচনা কৰিছিলোঁ । যেনে, সময়ে সময়ে সলনি হোৱা নতুন শিক্ষা নীতি, নতুন পৰীক্ষা পদ্ধতি, নতুন দৰমহা, পাব লগা বকেয়া, ৰাজনীতি, ব্যক্তিগত জীৱনৰ বিষয়েও কথা হৈছিলো আৰু বহু ক্ষেত্ৰত মই আপোনাৰ সুপৰামৰ্শৰ দ্বাৰা উপকৃত হৈছিলো।

সাধাৰণভাৱে খুহুতীয়া স্বভাৱৰ যদিও কামৰ ক্ষেত্ৰত কিন্তু আপুনি বিপৰীত, অৰ্থাৎ ভীষণ  Serious। নিজেও কৰিছিল আৰু আনৰ পৰা কাম আদায় কৰিবও জানিছিল । আপোনাৰ লগত কেইবাৰো পৰীক্ষা চলোৱাৰ অভিজ্ঞতা হৈছে। যাৱতীয় কাগজ-পত্ৰ ইমান নিয়াৰিকৈ থয় যে চুবলৈকে ভয় লাগে। পৰাপক্ষত চুবলৈ নিদিয়েও। মই একো tension নোহোৱাকৈ কাম চলাব পাৰিছিলোঁ। পিছে কাম শিকা নহৈছিল। সেয়েহে পিছলৈ বুদ্ধি কৰি ফাইলবোৰ চাইছিলো।

শিক্ষক হিচাবেও আপুনি সফল। বহুতো ছাত্ৰ ছাত্ৰীৰ মুখত শুনিছিলো 'চাৰে খুব ভাল পঢ়াই' । ক্লাছলৈ যাওঁতে কোনোদিনে কিতাপ লৈ যোৱা দেখা নাছিলো। উপাধ্যক্ষৰ পদ গ্ৰহণ কৰাৰ পিছতো য থেষ্ট দক্ষতাৰে আপুনি নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল। মহাবিদ্যালয়ৰ শৈক্ষিক দিশতো উন্নত কৰিবৰ বাবে আপুনি যৎপৰোনাস্তি চেষ্টা চলাইছিল। Weekly teaching plan, Online submission of academic diary আদি কাৰ্যকৰী কৰি মহাবিদ্যালয়ত এক সুস্থিৰ শৈক্ষিক পৰিৱেশ গঢ় দিয়াত আপোনাৰ অৱদান আছে। তৃতীয়বাৰ

হোৱা NAAC ৰ পৰিদৰ্শনৰ সময়ত আৰু মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপনৰ সময়তো আপোনক এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখিবলৈ পালোঁ।

2018 /19 চন মানতে বোধহয় আপুনি আপোনাৰ পৰিয়াল যোৰহাটলৈ স্থানান্তৰ কৰিছিল। গতিকে সপ্তাহটোত এবাৰ বা দুবাৰ যোৰহাট-নামৰূপ অহা-যোৱা কৰিব লগা হৈছিল। তথাপি কিন্তু সময়মতেই মহাবিদ্যালয়ত উপস্থিত হৈছিল ।" Early to bed and early to rise " , স্বাস্থ্য ৰক্ষা সম্পৰ্কীয় এই বাণী মানি চলাৰ বাবে বোধহয় এইয়া সম্ভৱ হৈ উঠিছিল। এই খিনিতে এটা মজাৰ ঘটনাও মনত পৰিছে। চুৰি হোৱাৰ ভয়ত আপুনি কুকাৰটো ৰন্ধা ভাতৰ সৈতে গাড়ীত লৈ ফুৰিছিল।

মই মহাবিদ্যালয়ৰ পৰা অৱসৰ লৈ অহাৰ পিছত আমাৰ শিৱসাগৰৰ ঘৰত আহি দেখা দি আৰু ভাইটিৰ মৃত্যুত আমাৰ ঘৰলৈ আহি আমাৰ দুখৰ সমভাগি হৈ মোক আৰু আমাৰ পৰিয়ালক কৃতাৰ্থ কৰি থৈছে।

# ড০ পদ্ম আচাৰ্য্যদেৱলৈ একলম

✍ তৃপ্তি মজুমদাৰ হাজৰিকা
প্ৰাক্তন গ্ৰন্থগাৰিক
নামৰূপ মহাবিদ্যালয়

পোনপ্ৰথমে আনুষ্ঠানিক কৰ্মজীৱনৰ সফল পৰিসমাপ্তিত আচাৰ্যদেৱলৈ অভিনন্দন ও শুভকামনা জনাইছো। সময় গতিশীল। গতিকে আমি সকলোৱে এই কথা মানিব লাগিব। সকলোৱে এদিন চাকৰি জীৱনৰ পৰা অৱসৰ ল'ব। মনত সঁচাকৈয়ে বহুত দুখ লাগে। আচাৰ্য্যদেৱৰো সময় আহিল। পুথিভঁড়ালত থাকোতে মোক আচাৰ্যদেৱে বহুক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়াইছিল। প্ৰায়ে পুথিভঁড়াললৈ আহি দিহা-পৰামৰ্শ দিছিল। পুথিভঁড়াৰ পৰিচলনা কমিটিৰ সভাপতিৰ দায়িত্ব পালন কৰি পুথিভঁৰালৰ প্ৰগতিশীল দিশৰ প্ৰতি বিশেষ গুৰুত্ব দি বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়াই উৎসাহিত কৰাৰ উপৰিও তেখেত নিয়মীয়া বাতৰি কাকত পঢ়ুৱৈ আছিল। সময়ক গুৰুত্ব দি শ্ৰেণীত পাঠদান কৰাৰ উপৰিও মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰি সহায়-সহযোগিতা আগবঢ়াইছিল। তেখেত প্ৰত্যেক ক্ষেত্ৰতে সক্ৰিয়, সচেতন, কৰ্তব্যপৰায়ণ, দায়বদ্ধতাসম্পন্ন আৰু স্পষ্টবাদী ব্যক্তি। তেখেতৰ আন এটা উল্লেখনীয় দিশ হৈছে তেওঁ সদায় এইটো বিচাৰে যে- কিবা এটা কাম কৰিবলৈ দিলে সেই কামটো সময়মতে আৰু নিষ্ঠাৰে কৰাটো তেওঁ কামনা কৰে। সেয়ে আমি তেখেতৰ পৰা কৰিবলগা কামবোৰ সুচাৰুৰূপে আৰু সময়মতে কৰি যাবলৈ প্ৰেৰণা পাইছিলোঁ।

চাকৰি কৰিলে এদিন অৱসৰ গ্ৰহণ কৰাটো তেনেই স্বাভাৱিক। কিন্তু অৱসৰৰ পাছতো এগৰাকী ব্যক্তিয়ে কৰ্মব্যস্ততা আৰু আত্মনিৰ্ভৰশীলতাৰে জীৱনটোক নতুনকৈ গঢ়িব পাৰে। ইয়াৰ বাবে মাত্ৰ প্ৰয়োজন সঠিক ৰিটায়াৰমেণ্ট প্লেনিং অৰ্থাৎ অৱসৰ পৰিকল্পনা। শেষত আপোনাৰ জীৱন সুখৰ হওক আৰু পৰিয়ালৰ সকলোৰে সুস্বাস্থ্য তথা দীৰ্ঘায়ু কামনাৰে...।

# *Dear Friend,*
# *Dr. Padma Acharyya*

✍ Prof. (Retd.) Hijam Homendra Singh
Ex-HoD and Associate Professor
Department of Zoology
Namrup College

It feels like it was just yesterday that we joined the college together, bachelors, meekly ready for what life would bring. But everything passed by on a whim and now we're retiring from our services.

It reels back from when our lives started in a single-room bachelor quaters, cooking, eating and playing together with a mere meagre of Rs.700 per month. Life was all but beautiful and we immensely enjoyed every bit of it. Although we yearned for more but were limited to basics only. Even cooking was done with naked electric heater and everything else was manageable with a few aluminum utensils, from drinking water to tea, stainless steel glasses served as multipurpose luxury utility item.

Our days included listening to Akash Bani, AIR Dibrugarh for news and information as nothing else was accessible. TV was something that we considered as prestige. We used to get immersed in playing cards, playing volleyball and exercising, awaiting our turns to use the handmade dumbells and bullworker.

We, at that time, used to practice freedom of enjoyment on the principle of needing less and not having more, thus we barely missed out any public engagement and socialization. It was a sensible team spirit, we enjoyed the hell out of our lives.““Bygones are bygones. The scenes in our lives now offer a fast paced life with pending works and demands. As our payments enhanced came along the power to bargain more.

The second phase of our lives washed us with an enormous tidal wave as we settled down for our families. What once was a beautiful social life amidst the sea of bachelors, gradually transformed into solitary hills of commitments.

The everchanging social structure and demand of job amenities after completing degree from college became an emerging public issue underlying the value of college degree.

The world is changing and so is the education system but we remained stagnant with a few superficial changes in university syllabuses so the purpose for job or knowledge oriented degree courses becomes a more like a white washing type.

We still could feel the public's opinion and usefulless of degree remained stagnant and deficient.

In the days that we lived through, in order to increase enrollment, particularly, in science stream in our college, we tried different methods and strategy by establishing SCDC and other different societies and clubs and it still lingers with us.

I should salute all the Science teachers for their dedicated works for imparting basic-science knowledges in neighbouring educational institutions. Here, the contributions from Dr Acharyya is commendable because he, along with Dr Utpal Tamuly and Mouchumi Konwar, could attact local school students to the wonders of chemistry through different demonstrations.

I know my writing is, in a sense, going out of context relating to the main ideas for the Lachery of NCTA. But the fact is, we (our batch) have gone through it and we are facing the reality now.

We have seen the founders of our college and know how they sacrificed their valuable times and energy for us.

As of today, I'm a bit nostalgic while writing this passage for Dr Acharyya because we are still experiencing the taste of college life and it will remain with us together forever and we know it's inevitable.

Lastly, I am very grateful to NCTU for giving me the opportunity to write a few paragraphs in Lachery for Dr Padma Acharyya.

Dr Acharyya has been an acquaintance of mine since 1987, starting from the Dibrugarh University, staying in the same hostel, Block-A. He is a serious and punctual person. Students love his classes because of his in depth knowledge to the subject he taught. He is also a dedicated family person. I wish him all the best for his new innings of retired life.

# শ্ৰদ্ধাৰ আচাৰ্য্যদালৈ বুলি একলম

✍ ইন্দিৰা বৰুৱা
বিভাগীয় মুৰব্বী আৰু সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ
নামৰূপ মহাবিদ্যালয়

আচাৰ্যদাক লগপোৱা বহুত বছৰ হ'ল। মই কলেজত যোগদান কৰাৰ পৰা লগ পাইছো। কথা বৰ ভাবি চিন্তি কয়। ওচৰ চুবুৰীয়া হিচাবে ওচৰতে থকা সুযোগ পাইছিলোঁ। ঘৰুৱা সম্বন্ধও ভাল আছিল। ছোৱালী দুয়োজনীৰো আমাৰ ছোৱালীৰ লগত ভাল আছিল। তেখেতৰ পত্নী সকলো দিশতে দক্ষ আছিল। তেখেতে জুখি মাখি কথা পাতিছিল। ধেমালীও কৰিছিল। মাঘবিহুৰ সময়ত তেখেতৰ ঘৰৰ পৰাই মেজি ভোজৰ আয়োজন কৰিছিল। দেৱালীৰ সময়ত লটাৰী খেলাৰ ব্যৱস্থা কৰিছিল। কেতিয়াবা আকৌ ভোজৰ পাছত অন্তাক্ষৰী অনুষ্ঠিত কৰা হৈছিল। তেখেতে পি. এইচ. ডি. লোৱাৰ পাছত আমাক সকলোকে ভালদৰে খোৱাইছিল। বিপদে-আপদে মাত লগাইছিল। হস্পিতাল পৰা অহাৰ পাছত কিবা দিব লাগিব নেকি খবৰ ৰাখিছিল। এনেদৰে ওচৰ চুবুৰীয়া হিচাবে সহায়-সাহাৰ্য আগবঢ়াইছিল। এইবিলাক কথা সদায় মনত থাকিব।

এবাৰ মোৰ, ছোৱালী আৰু গৃহস্থৰ এক্সিডেন্ট হৈছিল। সেইবাৰো আচাৰ্যদাই নিজৰ গাড়ীৰে ডাক্তৰৰ ওচৰলৈ নি চিকিৎসা কৰাইছিল তাৰ বাবে চিৰকৃতজ্ঞ। কলেজতো কেমেষ্ট্ৰি ভাল পঢ়াই বুলি নাম আছে। একাডেমিক ইনচাৰ্জ হিচাপে টিচিং প্লেনৰ পৰা আৰম্ভ কৰি চিটিং ডায়েৰী আদি খুউব সুচাৰুৰূপে চলাইছিল। শেষৰফালে কোৱাৰ্টাৰৰ পৰা ভাড়া ঘৰলৈ বিভিন্ন অসুবিধা হেতুকে গুচি গৈছিল। তেখেতৰ দুই জীয়ৰী পঢ়াৰ পৰা আৰম্ভ কৰি সকলো দিশতে পাৰ্গত আছিল। আমাৰ ফালৰ পৰা শুভেচ্ছা আৰু আশীৰ্বাদ থাকিল। উজ্জ্বল ভৱিষ্যত কামনা কৰিলো। আনকি মোৰ মাৰ মৃত্যুৰ পাছত আমাৰ গোলাঘাটৰ ঘৰলৈ গৈ আমাক যি সান্তনা দিলে কেতিয়াও পাহৰিব নোৱাৰো। আৰু এটা কথা সদায় মনত থাকিব। আচাৰ্যদাৰ বিয়া পিঠাগুটি বাগানত পাতিছিল। আমি বিয়া খাবৰ বাবে সাজপোছাক পৰিধান কৰি কলেজত চহী কৰিবলৈ আহোতে দৰা আহি কলেজ পালেহি। কাৰণ বিয়া অনুষ্ঠিত নহ'ল, কাৰণ সম্বন্ধীয় মানুহৰ মৃত্যু হ'ল। অলপদিনৰ পাছতহে ধূমধামেৰে অনুষ্ঠিত হ'ল।

শেষত তেখেতৰ সফল কৰ্মজীৱনৰ সমাপ্তিৰ বাবে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। লগতে বৌ আৰু আচাৰ্যদাৰ সুস্বাস্থ্য কামনা কৰি সামৰণি মাৰিলোঁ।

# শ্ৰদ্ধাৰ পদ্মদাৰ কৰ্মজীৱনৰ সফল সামৰণিত অভিনন্দন জনালোঁ... লগতে তেখেতৰ কৰ্মজীৱনক লৈ লিখিলো....

✍ ইন্দিৰা বৰুৱা
বিভাগীয় মুৰব্বী আৰু সহকাৰী অধ্যাপক
অৰ্থনীতি বিভাগ
নামৰূপ মহাবিদ্যালয়

পদ্ম আচাৰ্য্য
যিকোনো কামত দিয়ে সাহাৰ্য্য
যোৰহাটত ঘৰ
Ignis ত উঠি উঠি
কথা ভাবি ভাবি
ঘূৰি ফুৰে বিশ্বব্ৰহ্মাণ্ড।
বন্ধ বুলিলে
প্লেনৰ টিকট কাটে
বেমাৰ হৈছে বুলি
ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰে
যোৰহাটৰ পৰা কন্যাকুমাৰীলৈ
Teaching Plan বুলিলে
বৰ ভাল পায়
দিনে-ৰাতিয়ে উঠোতে বহোতে
Teaching Plan ক লৈ
আমনি নেপায়।
ৰাতি শুওঁতে
দিনত টোপনিয়াওতে
Teaching Plan কে
সপোনত দেখে।
বিয়া-সবাহে
উঠোতে বহোতে Teaching Plan ৰ
কথা মনত আহে।
খাই ভাল পাই মিঠাই
দুচামুচতকৈ অধিক চেনি চাহত খায়
মিঠা বস্তু খাবলৈ নেপালে
ঘূৰি ফুৰে ইনাই বিনাই।
যোৰহাটলৈ যাওঁতে
কেতিয়াবা সোমাই
হোটেল গৌৰীসাগৰত
বহে ম'হৰ গাখীৰৰ চাহৰ জুতিত
কেতিয়াবা আকৌ 37 হৈ
সোমোৱাৰ কথা ভাবে
Restaurant আবেলিত।
বৰ ভালপায় যোৰহাটক
মনত পৰিলে সৰু কালছোৱা
পাহৰি নেযায় গৰখীয়া দ'লৰ দৃশ্যক।

মাজৰ সময়ছোৱাত থাকে
বাগান পিঠাগুটিত
কল্পনাত বুৰ গৈ
ইফালে সিফালে ঘূৰি ফুৰে
বিবাহ সম্পন্ন হয়
বাগানৰ কোৱাৰ্টাৰত
Club Road ৰ কন্যা
জৈমিনীৰ লগত।
Chemistry ভাল পঢ়ায়
বুলি জানে সকলোৱে
সেয়েহে যোৰহাটৰ মানুহক
বৰ জহাই।
চখ আছে- খোজকঢ়াত
হাতত ছাতি লৈ
বৰষুণৰ বতৰতো ঘূৰে
তাকে দেখি আলিবাটৰ
মানুহে মুখ টিপি হাঁহে।
গাড়ী চলোৱাত বৰ চখ
গাড়ীত Lift দি
চাহ জলপানৰ জুতি লয়।
ইখনৰ পাছত সিখন গাড়ী সলায়।
কেতিয়াবা মৰাণ হৈ
কেতিয়াবা সোনাৰী হৈ
চলায় গাড়ী
তিনি নম্বৰ গিয়েৰ নসলোৱাকৈ।
চোৰে দিয়ে দিগদাৰ
গাড়ীতে থাকে Pressure Cooker
নামৰূপৰ পৰা যোৰহাটলৈ
Pressure Cooker ঘূৰে
কেতিয়াবা আকৌ
ভাত সিজাই লগত লৈ আনে।

পদ্মদাৰ হাঁহি
যেন মোহন বাঁহী
বাঁহীৰ মাতত
তামুলী আৰু মৌচুমীয়ে
দিয়ে সঁহাৰি।
এক দুইকৈ লিখিলোঁ
বহু কথা জনালোঁ
আহি থকা দিনবোৰলৈ
আন্তৰিক শুভেচ্ছা যাঁচিলো।

# পৰম বিশ্বাসী বন্ধু....পদ্ম দা

✍ ড০ মহিন্দৰ সিং
বিভাগীয় প্ৰধান তথা সহযোগী অধ্যাপক
গণিত বিভাগ
নামৰূপ মহাবিদ্যালয়

জীৱনত কিছুমান মানুহক প্ৰথমবাৰ লগ পাই, আগতীয়াকৈ কোনো আনুষ্ঠানিক চিনাকি নোহোৱাকৈ হঠাৎ ভাল লগা হৈ যায়, তেওঁলোকে কৰা ব্যৱহাৰৰ বাবে। তেতিয়া ১৯৯২ চনৰ নৱেম্বৰ মাহৰ প্ৰথম সপ্তাহৰ কথা। মই স্নাতকোত্তৰ (M. Sc) চূড়ান্ত পৰীক্ষা দিয়াৰ পাছত বিশ্ববিদ্যালয় হোষ্টেলৰ পৰা নামৰূপলৈ আহিলোঁ। ঘৰলৈ অহাৰ পিছত সেইদিনাই সন্ধিয়া সেই সময়ত নামৰূপ মহাবিদ্যালয়ত কৰ্মৰত ড০ জিতু বুঢ়াগোহাঁই দা (প্ৰাক্তন অধ্যক্ষ) আৰু ড০ পদ্মকান্ত মহন্ত দাক লগ কৰিবলৈ আহিলো, কাৰণ তেওঁলোকৰ লগত মোৰ আগৰ পৰাই চিনা-পৰিচয় আছিল। তেওঁলোক থকা ভাড়াঘৰলৈ আহিলোঁ, আহি দেখিলো সেই সময়ত তাত ৪-৫ জন ডেকা ল'ৰাই একলগ হৈ তাছ খেলি আছে। জিতু দাই মোক দেখাৰ লগে লগে মাত দিলে - "অ', মহিন্দৰ কেতিয়া আহিলি ?" সেই সময়তে তাত থকা এজনে মাত লগাই ক'লে, "তই মহিন্দৰ নেকি ? আহ আহ বহ ইয়াতে।" সেইজনেই আছিল আমাৰ চেনেহেৰ পদ্মদা তেখেতৰ মুখৰ পৰা তই বুলি শুনি কিবা এটা হঠাৎ ভাল লাগি গ'ল, মই তেখেতক প্ৰথমবাৰ লগ পোৱা যেন বোধ নহ'ল। সেই তেতিয়াৰে পৰাই আমাৰ মাজত এটা বেলেগ ধৰণৰ সম্পৰ্ক গঢ় লৈ উঠিল। পদ্ম দাক সেই তেতিয়াৰে পৰাই নিজৰ আপোন ককাইদেউৰ দৰে লগা হ'ল। পৰৱৰ্তী সময়ত তেওঁ মোৰ জীৱনত লগ পোৱা এজন পৰম বিশ্বাসী ব্যক্তি হৈ পৰিল। আজিও আমি যিকোনো কথা খোলা মনে পাতিব পাৰোঁ। জীৱনৰ যিকোনো সমস্যা, যিকোনো পৰিকল্পনা আমি দুয়ো আলোচনা কৰোঁ আৰু নিস্বাৰ্থভাবে সহায় কৰোঁ। বহুকথা তেখেতৰ পৰা শিকিলোঁ। তেখেতে যিকোনো কাম খুব ধিৰ-স্থিৰ ভাৱে কৰে আৰু চিন্তামুক্ত হৈ থকাৰ পৰিৱেশ এটা ৰচনা কৰে। মোক প্ৰায়ে তেওঁ কৈ থাকে চিন্তা নকৰিবি কিছুমান কাম আমি সময়ৰ হাতত এৰি দিব লাগে। পদ্ম দাৰ লগত মহাবিদ্যালয়ৰ বহুত কাম কৰিলোঁ আৰু ভৱিষ্যৎ দিনত তেখেতৰ অনুপস্থিতি বৰকৈ অনুভৱ কৰিম। পদ্ম দাৰ কৰ্মজীৱনৰ সফল সমাপ্তিৰ এই ক্ষণত তেওঁ আৰু তেওঁৰ পৰিয়ালৰ সকলো সদস্যৰে সুস্বাস্থ্য কামনা কৰিছোঁ। পদ্ম দা এনেকৈ সদায় সুখত থাকক আৰু সমাজৰ হকে কাম কৰি ব্যস্ত হৈ থাকক, তাৰে কামনা কৰিছোঁ।

# *With regards to the person with contagious/ magnetic laughter...*

✍ Dr. Ashifa Sobhan
HoD & Associate Professor
Department of English
Namrup College

Dear Acharyya Da,

It's really amazing how time zips by and we find ourselves in that time period which otherwise was far away. So here the time has arrived to write in your Leseri. First of all, let me congratulate you on your grand completion of your tenure at Namrup College.

I still remember the first day we met...you were one of the main members of the laughing group (Jitu Da, you, Durga Da, Utpal Da, Firoja Baa, and Singh Da... Pradeep Da, Nabin Da , Indira Baa and Mahinder were the silent members.) How we (Chabi, Gautom and I) detested that group. The moment we had entered the common room, you began to laugh, and we had that dreadful feeling of being super insulted. Little did we know that within a month we three would also be active members of that group and learn to laugh without any reason. That very laughter, which nearly made us three think about RESIGNING from our jobs , became the greatest attraction to stay behind and love our workplace.

Acharyyada ,

As a teacher, we all know how sincere and honest you are. The students love you and respect you to the utmost. As a local from Namrup, I got honest feedback from people of all teachers during those early days, and so I can vouch for all the adjectives I have used for you. Your strictness too had then been the talk of the town.

When I try to recall those days 30 years ago, I remember the carefree times, the late hours in college during annual week, SCDC outreach events, the talent search examinations in our college, the huge science exhibitions, etc. You have always proved to be a great friend and a big brother in guiding us through all these.

In recent years your role as a mentor and a counselor must also be acknowledged. In my case I have taken your advice many times, especially health-wise, both physical and mental. Your activeness and positive attitude have inspired me and many others to be energetic, practical, and pragmatic. At this very juncture of your retirement, you have truly set an example of being  and sporty, commuting daily from as far as Jorhat and never for once forgetting to give out the teaching diary link from any part of the country you might be. You also have taught us many times how we shouldn't make an issue of trivial matters and let go of things. This helps in creating a congenial atmosphere among us and keeps us far from petty misunderstandings and bitterness. Thank you so much.

A very important thing worthy of being mentioned is that you are the only male colleague who has been thoughtful enough to present all the ladies beautiful earrings that you have brought from one of your tours to North India. This gesture of yours will always be treasured by all of us.

Acharyyada, there are many things to be written but it doesn't come to the mind now as I am writing but one thing is sure that you shall be missed by all. We know that you shall be as popular by your activeness and productive nature in your second innings as you were in your first. Wishing you ,Jaimini and the two girls all happiness in life. With a promise to keep in touch....

Sincerely yours,
Ashifa

# ‘জীৱন’ - যোগাত্মকতাৰ এক সেন্দুৰীয়া ফচল

✍ ডঃ ছবি গগৈ
বিভাগীয় মুৰব্বী আৰু সহযোগী অধ্যাপক
অসমীয়া বিভাগ
নামৰূপ মহাবিদ্যালয়

শেহতীয়াকৈ অভিজ্ঞতামূলক গৱেষণাত প্ৰকাশ পাইছে যে ‘ইতিবাচক চিন্তা’ আৰু ‘আশাবাদী মনোভাৱ’ৰ সৈতে স্বাস্থ্যৰ লাভালাভ বহু পৰিমাণে নিৰ্ভৰশীল হৈ আছে। কাৰণ জীৱন কেৱল জী থকা নুবুজায়, তাতকৈ বেছি অৰ্থ আৰু বোধ এই শব্দটোৱে সামৰি ৰাখিছে। জীৱনৰ বিষয় অনেক, কিন্তু বিষয়ী এজনেই। যিহেতু কণটোৱে প্ৰতি মনটো বুলি কোৱা হয় আৰু মনেই হ’ল জীৱন নামৰ বহুমাত্ৰিক বিষয়ৰ কেন্দ্ৰ বিন্দুত থকা সংযোজক আৰু পৰিবাহক অনুষংগ। তাতে যদি বিষয়ীজন এনে এক ক্ষেত্ৰত কৰ্মৰত হয় ; য’ত যৌৱনক দিশ আৰু ভাঁজ দিয়াৰ নিতৌ প্ৰচেষ্টা চলে। সেয়ে ইতিবাচক চিন্তা আৰু আশাবাদী চিন্তাক জীৱনৰ এছোৱা গুৰুত্বপূৰ্ণ সময়ক প্ৰতিনিধিত্ব কৰা যৌৱন আৰু সামগ্ৰিকভাৱে জীৱনৰ শালাত এক সেউজ ইন্ধন হিচাবে গ্ৰহণ কৰা হয়।

ইতিবাচক চিন্তা আৰু আশাবাদী চিন্তাৰ বলত জীৱনত কেনেধৰণৰ সুফল লাভ হয় ? প্ৰতিনিধিত্বমূলকভাৱে কিছু প্ৰাপ্তবয়স্ক জীৱনক লৈ কৰা অধ্যয়নে কেইটামান সুফলৰ বিষয়ে তথ্য ৰাজহুৱা কৰিছে। সেইবিলাক হ’ল-

- উন্নত চাপ ব্যৱস্থাপনা আৰু মোকাবিলা কৰাৰ দক্ষতা লাভ কৰা।
- মানসিক স্বাস্থ্যৰ শ্ৰীবৃদ্ধি হয়।
- সাধাৰণ চৰ্দিৰ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পায়।
- শাৰীৰিক সুস্থতা বৃদ্ধি পায়।
- জীৱনকাল দীঘলীয়া অৰ্থাৎ আয়ুস বাঢ়ে।
- জীৱনক পঙ্গু কৰিব পৰা হতাশাৰ হাৰ কম হয়।
- কাৰ্ডিঅ’ভাস্কুলাৰ ৰোগজনিত মৃত্যুৰ আশংকা হ্ৰাস পায়।
- বৃদ্ধ বয়সত দুৰ্বলতা হ্ৰাস কৰিব পাৰে।

জাৰ্নেল অফ এজিং ৰিচাৰ্হত প্ৰকাশিত তথ্য অনুসৰি ২০১৮ চনৰ এক অধ্যয়নত প্ৰকাশ পাইছে যে ইতিবাচক মানসিক ভাৱ থকাটো ৩৫ বছৰ বয়সৰ ভিতৰত মৃত্যুৰ হাৰ হ্ৰাস হোৱাৰ দৰে সুফলৰ সৈতে সম্পৰ্কিত অনুষংগ। অৰ্থাৎ এই বয়সৰ লোকৰ মৃত্যুৰ এটা কাৰকৰূপে নেতিবাচক চিন্তা বা মনোভাৱ, হতাশা বা ডিপ্ৰেশ্যনলৈ নিৰ্দেশ কৰা হৈছে। এইসকল লোকৰ মাজৰ যিসকল লোকৰ দৃষ্টিভংগী অধিক ইতিবাচক আছিল, তেওঁলোকে নিয়মীয়া শাৰীৰিক ব্যায়াম কৰা, ধূমপান পৰিহাৰ কৰা, স্বাস্থ্যকৰ আহাৰ খোৱা আৰু ভাল টোপনি যোৱাৰ সম্ভাৱনা অধিক আছিল। ইতিবাচক চিন্তাধাৰৰ বহুতো লাভালাভ আছে। প্ৰকৃততে, ইতিবাচক চিন্তাই শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰত ইমান শক্তিশালী প্ৰভাৱ কিয় পেলায় ?

এটা তত্ত্ব হ’ল, যিসকলে ইতিবাচকভাৱে চিন্তা কৰে তেওঁলোক চাপৰ দ্বাৰা কম প্ৰভাৱিত হয়। গৱেষণাই পৰামৰ্শ দিয়ে যে অধিক ইতিবাচক স্বয়ংক্ৰিয় চিন্তা থকাটোৱে মানুহক জীৱনৰ চাপপূৰ্ণ ঘটনাৰ সন্মুখীন হোৱাত অধিক স্থিতিস্থাপক হোৱাত সহায় কৰে। উচ্চ স্তৰৰ ইতিবাচক চিন্তা ধাৰণ কৰা লোকসকলে জীৱনৰ অৰ্থপূৰ্ণতাৰ উচ্চ অনুভূতিৰে জীৱনৰ চাপপূৰ্ণ ঘটনাবোৰৰ পৰা আঁতৰি যোৱাৰ সম্ভাৱনা অধিক হয়।

আন এটা সম্ভাৱনা হৈছে যে যিসকলে ইতিবাচকভাৱে চিন্তা কৰে, তেওঁলোক সাধাৰণতে স্বাস্থ্যৱান জীৱন যাপন কৰে। তেওঁলোকে অধিক ব্যায়াম কৰিব পাৰে, অধিক পুষ্টিকৰ খাদ্যশৈলী অনুসৰণ কৰিব পাৰে। এই দুটা সুফলেৰে তেওঁলোকে বয়সৰ আগ্ৰাসনমুখী ক্ষয়ৰ বিপৰীতে শক্তিশালী ৰূপত থিয় দিবলৈ সক্ষম হয়।

এইখিনি কথাৰ অৱতাৰণা কৰাৰ অন্তৰালত এটা বিশেষ উদ্দেশ্য আছে। এজন বিষয়ীৰ মাজত দেখা পোৱা বিশেষ উপৰোক্ত দুয়োটা গুণৰ বিষয়ে আলোকপাত কৰা। বিষয়ীজন নামৰূপ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগৰ সহযোগী অধ্যাপক তথা উপাধ্যক্ষৰূপে দায়িত্ব নিৰ্বাহ কৰা ড০ পদ্ম আচাৰ্যদেৱ। ১৯৯৫ চনৰ জুন মাহত মই চাকৰিত যোগদান কৰিবলৈ আহি তেখেতক দেখি ভাল লাগিছিল ; কাৰণ মই কিছু আগৰে পৰা তেখেতক জানিছিলোঁ। জানিছলোঁহে ; মাতবোল বা কথা-বতৰা নাছিল। পিঠাগুটি বাগিছাত আমাৰ পেহী-পেহাৰ আৱাসৰ কাষৰটোৱে তেখেতসকলৰ আৱাস আছিল। মই মনোহাৰী মহাবিদ্যালয়ত প্ৰথম বৰ্ষৰ ছাত্ৰী আছিলোঁ আৰু সেই সময়ৰ ২৫ দিনীয়া পূজাৰ বন্ধটো মই পেহী-পেহাৰ ঘৰত কটাইছিলোঁ। স্নাতক বৰ্ষকেইটাৰ প্ৰতিটো দীঘলীয়া বন্ধত মই বাগানলৈ গৈছিলোঁ দীঘলীয়াকৈ থাকিবলৈ। কাৰণটো আছিল বাগানৰ পূজা আৰু দেৱালীত দেখুওৱা তিনি দিনত ন-খনকৈ চিনেমা চোৱা। আজি এনেবোৰ কথাৰ মাদকতা নাই যদিও সেই সময়ত ই এটা এডভেঞ্চাৰতকৈ কম নাছিল। চুবুৰীয়া হিচাবে তেখেতক কেতিয়াবা পদূলিত, কেতিয়াবা চিনেমা চাবলৈ বনাই দিয়া ৰভাতলীত দেখিছিলোঁ, সকলো খবৰ, আনকি তেওঁলোকৰ ঘৰৰ কাঁহী-বাতিৰ শব্দও শুনিছিলোঁ যদিও মুখামুখিকৈ কথা হোৱা নাছিলোঁ। কাৰণ তেখেতৰ দেউতাক ৰসিক হোৱাৰ লগতে বেচ কাঢ়া শাসন কৰা অভিভাৱক বুলি জানিছিলোঁ। গাভৰু বয়সত লাজ থাকেই, তাতে কি বা ভাবে কাঢ়া দেউতাকে- দুগুণ ভয়। তাতে তেখেতসকলৰ ঘৰত ছোৱালী নাই, পাঁচটাকৈ ল'ৰা। কথা পতা নহ'ল আৰু। সেই সময়ত (১৯৮৭ চন) আমাৰ জীৱন আৰু চিন্তাবোৰ ইমান মুক্ত নাছিল যে আমি সহজে কথা-বতৰা পাতি, খেলি-ধূলি ঘণিষ্ঠ হ'ব পাৰো। সেয়ে দূৰে দূৰে থাকিয়ে চিনি পাইছিলোঁ মাথোঁ। ১৯৯৫ চনত অচিনাকী ঠাই আৰু মানুহৰ মাজত এজন সহকৰ্মীৰূপত আচাৰ্যদেৱক দেখি মনটো স্বাভাৱিকভাৱে উৎফুল্লিত হৈছিল। কেতিয়াও সম্বোধন কৰি কথাপাতি নোপোৱা এজন মানুহ তেতিয়াৰ পৰাহে আচাৰ্যদা'লৈ পৰিণত হ'ল। তেতিয়াৰ পৰা বৰ্তমানলৈকে তেখেতে আমাৰ কণিষ্ঠ সকলোৰে বাবে এজন অভিভাৱকৰূপে স্থিতি লৈ আহিছে। জ্যেষ্ঠ-কণিষ্ঠ সকলোৰে মাজত তেখেত এজন নিৰ্ভৰযোগ্য আৰু জনপ্ৰিয় ব্যক্তি। তাৰ অন্তৰালত মোৰ দৃষ্টিৰে তেখেতৰ মাজত থকা উপযুক্ত ইতিবাচক আৰু আশাবাদী চিন্তাই মূল কাৰক। ইয়াৰ পাছৰখিনিত তেখেতক আচাৰ্য দা' বুলিয়েই সম্বোধন কৰিম।

এজন কৰ্মোদ্যমী আৰু সদা উজ্জীৱিত ব্যক্তিৰূপত আচাৰ্যদা'ক আমি দেখি আহিছোঁ। গুৰুত্বপূৰ্ণ গহীন কথাৰ পৰা হাঁহি-ধেমালিৰ ৰসাল কথালৈকে তেখেতে সদায় এটা ইতিবাচক মনেৰে ভাগ লয়। প্ৰত্যেকটো কথাৰ ইতিবাচক দিশটোক সদায় সন্মুখত ৰাখি তুলি ধৰাৰ চেষ্টা কৰে। মহাবিদ্যালয়বোৰলৈ অহা সকলোধৰণৰ নতুন প্ৰত্যাহ্বানক তেখেতে আশাবাদী আৰু ইতিবাচক দৃষ্টিভংগীৰে গ্ৰহণ কৰি উত্তীৰ্ণ হোৱাৰ বাবে সকলোকে উদ্দীপনা জগাই পথৰেখা অংকন কৰাত অগ্ৰসৰ হয়। মহাবিদ্যালয়ৰ শৈক্ষিক তত্বাৱধায়কৰ দায়িত্বও তেওঁ নিষ্ঠাৰে পালন কৰিছে এই নীতিৰেই। জটিল বিষয় আৰু সমস্যাবোৰৰ ক্ষেত্ৰত তেখেতে সমাধান সূত্ৰ উলিওৱাত মৌলিকতাৰ পৰিচয় দি আহিছে। সৰু-ডাঙৰ-সমনীয়া সকলোৰে লগতে তেখেতৰ সুহৃদ সম্পৰ্ক। প্ৰত্যেককে প্ৰথম মাতযাৰ তেখেতেই দিয়ে। কেতিয়াও কোনো কথাতে ইগো বা অহংকাৰ প্ৰদৰ্শন কৰাৰ কথা মনলৈ অহা নাই। সকলো অভিযোগ আন্তৰিকতাৰে গ্ৰহণ কৰি সমাধান কৰাত সহায় কৰে। শৈক্ষিক তত্বাৱধায়ক হিচাবে ৰুটিন অনুযায়ী শ্ৰেণীকোঠাৰ নিৰ্দেশনা, দৈনিক কৰ্মসূচীৰ খতিয়ান জমা দিয়া, শ্ৰেণী পৰিকল্পনা জমা দিয়া, পৰীক্ষা, ফলাফল ঘোষণা আদি বিষয়বোৰত প্ৰায়ে আমি তেখেতৰ কাষলৈয়ে অভিযোগবোৰ লৈ যাওঁ। কোনোদিন আমনি পোৱা বা অমনোযোগী ভাব দেখুওৱা নেদেখিলোঁ। সকলোকে সমানে গুৰুত্ব দি অতি ইতিবাচক মন্তব্য আৰু মনেৰে সেইবিলাক অভিযোগৰ নিৰাময়ত মনোনিৱেশ কৰে। কেতিয়াবা উষ্মা প্ৰকাশ কৰি আমিয়েই লজ্জিত হওঁ তেখেতৰ ইতিবাচক ব্যৱহাৰ আৰু কাৰ্যৰ সন্মুখত। ভাগৰ, অৱসাদ, আমনি, হতাশা, উদ্যমহীনতা আদিয়ে আমাক পীড়িবলৈ কাষ চাপে, তেতিয়া আমি আচাৰ্য দা'লৈ চাওঁ, কাৰণ তেখেত মোতকৈ অফিচিয়েলি চাৰি বছৰ ডাঙৰ ; কিন্তু কোনোদিন ভাগৰা নাইবা উদ্যম হেৰুওৱা দেখা নাই। সদায় উদ্যমী,

সদায় উজ্জীৱিত তেখেত। তেখেতলৈ চাই আমি শক্তি পাওঁ। আৰু হাঁহিটো ?

দূৰৰ পৰা শুনা প্ৰাণখোলা হাঁহিটো তেখেতৰেই। সকলোৱে তেনেকৈ হাঁহিব নোৱাৰে। ময়ো বৰ ডাঙৰকৈ হেঁপাহ পলুৱাই হাঁহো। এনেকৈ ডাঙৰকৈ হাঁহি ৰোষতো পৰোঁ কেতিয়াবা। কিন্তু আচাৰ্য দা'লৈ মনত পেলাই আশ্বস্ত হওঁ যে মোৰ হাঁহিৰ লগত ফেৰ মাৰিব পৰা এজন জ্যেষ্ঠ সহকৰ্মী আছে ; ভয় নাই। কেতিয়াবা হাঁহিও গালি খাবলগীয়া হয়তো। কিন্তু মনৰ জড়তা ভাঙিবলৈ হাঁহিতকৈ কাৰ্যক্ষম মহৌষধ আছেনে ? সেয়ে আচাৰ্য দা'ৰ সুস্বাস্থ্য অটুট আছে। ইতিবাচক চিন্তা আৰু দৃষ্টিভংগী যেনেকৈ স্বাস্থ্যৰ বাবে লাভদায়ক, তেনেকৈ হাঁহিও। পিছে মোৰ হাঁহিৰ এই প্ৰতিদ্বন্দ্বীজনৰ অভাৱ অনুভৱ কৰিম এতিয়া ! কাৰণ তেখেতে অৱসৰ লৈছে। দেখিলে নালাগে তেওঁৰ যে ষাঠি বছৰ হ'ল। পঞ্চল্লিচৰ পৰা পঞ্চাশৰ ভিতৰত যেন লাগে কামে-দেখাই-শুনাই। তেখেতৰ কৰ্মোদ্যম আৰু সুস্বাস্থ্যৰ অন্তৰালত আছে ইতিবাচক আৰু আশাবাদী চিন্তা-চেতনা, নিয়মীয়া যোগাভ্যাস, সুষম খাদ্যাভাস, প্ৰাণখোলা হাঁহিটো আৰু অহংকাৰশূণ্য মনটো বুলি মোৰ দৃঢ় বিশ্বাস। নহ'লেনো তেখেতে যোৰহাটৰ পৰা নিয়মিত অহা-যোৱা কৰি চাকৰিকালৰ শেষ দিনটোলৈকে প্ৰাণৱন্ত হৈ থাকিব পাৰেনে ? তেখেতে ঘৰত পাচলিৰ খেতি, মাছৰ খেতি, ফলমূলৰ খেতিবোৰ কেতিয়া কৰে ? তাৰ মাজতে, হয় তাৰ মাজতে। এয়া কেৱল স্বাস্থ্যবল নহয় ; এয়া মনোবলৰ জহত।

এই মনোবলৰ ছত্ৰছাঁয়াত আমিও নিৰাপদে, নিঃশ্চিন্তে প্ৰত্যাহ্বানবোৰ অতিক্ৰম কৰি আহিছিলোঁ। সময় আৰু ব্যৱস্থাই কাকো স্থবিৰ হৈ থাকিবলৈ নিদিয়ে। এয়া প্ৰাকৃতিক। আচাৰ্য দা'ই অৱসৰ লৈছে ৩১ মাৰ্চ, ২০২৫ চন তাৰিখে। এটা আত্মিক, উদ্যমী, উজ্জীৱিত কৰ্মজীৱনৰ সফল আৰু আদৰ্শনীয় চকুত লগা পৰিপূৰ্ণতাৰে সামৰণি পৰিছে। এয়া নিশ্চয়কৈ গৌৰৱৰ বিষয়, উদ্‌যাপনযোগ্য সফলতা। সেয়ে তেখেতৰ অৱসৰী ক্ষণটোক উদ্‌যাপনৰ মাজেৰে স্মৰণীয় কৰিবৰ বাবেই এই জীৱনবীক্ষাৰ প্ৰয়াস- একান্ত মোৰ নিজা উপলব্ধিৰে। হাঁহিটো, আত্মীয়তা আৰু অভিভাৱকত্ববোৰ, পৰামৰ্শবোৰ, দেখা মাত্ৰকে ডাঙৰ-সৰু বিচাৰ নকৰাকৈ লগোৱা ঘৰুৱা মাতষাৰ- এইবোৰলৈ বৰ মনত পৰিব। দক্ষতা আৰু ডিগ্ৰীবোৰ বাঢ়িলেও আজিকালি এনেধৰণৰ সোণসেৰীয়া ব্যক্তিত্ববোৰ যে বিৰল হৈ গৈছে ! তথাপিও আচাৰ্য দা'ৰ দীক্ষাৰে আশাবাদী ; নিৰাশ নহওঁ। আপোন ভালেই জগত ভাল বুলিও কথাষাৰ আছে নহয়। তাকে সাৰোগত কৰি জীৱনৰ বাকীছোৱা কটাবলৈ অলক্ষিতে শিক্ষা দি উঠা আচাৰ্য দা'ৰ অনাগত সময়বোৰ আগতকৈয়ো বেছি ফলপ্ৰসু আৰু জীৱনচৰ্যাৰ বাবে অৰ্থবহ হওক তাকে একান্তভাৱে কামনা কৰিলোঁ। এটা সত্যোপলব্ধিৰে সামৰিব খুজিছোঁ- 'সন্মুখত থাকিলে যিটো দেখা নাযায়, পাছলৈ ঘূৰি চালেহে তাক দেখা যায়।' ঈশ্বৰ আপোনাৰ বাবে সদায় সদয় হৈ থাকক। সেৱা, শ্ৰদ্ধা আৰু চেনেহেৰে... আপোনাৰ ভগ্নী।

# *A few lines for Padma da...*


Mouchumi Konwar
HoD & Associate Professor
Department of Chemistry
Namrup College


Padma da is a brother like figure to me who always guides me in different aspects of life.He has been an indispensable part of our Chemistry Department. A very good and sincere teacher who teaches organic chemistry without a book. I sometimes asked the students whether they can concentrate for a long time in his class which continues to be more than two hours sometimes. They said, he explains the things so nicely and conceptually that they never get bored in his class however long it may be and always get good marks in organic chemistry. As an academic head Padma da is always very supportive to all of us. There will be a big void in the department of Chemistry after his retirement. Actually at the moment it is very difficult to process that Padma da will not be there in the department. But anyway retirement comes and is a necessity to one's life with lots of free time to enjoy life. Padma da has two beautiful and bright children and a very supportive and loving wife Jaimini. I wish Padma da will enjoy a very happy and healthy retirement life. He may start an informal teaching job. Padma da is an avid gardener also which gives him immense pleasure. He may start an informal teaching job. An avid gardener which gives him immense pleasure. Padma da, you will be remembered as a brother, as a colleague and as a good human being forever.

# আচাৰ্য্যদালৈ দুআষাৰ


ড০ নিবেদিতা ফুকন
সহযোগী অধ্যাপক
ইংৰাজী বিভাগ
নামৰূপ মহাবিদ্যালয়


প্ৰথমেই আচাৰ্য্যদালৈ তেখেতৰ কৰ্মজীৱনৰ সফল সামৰণিৰ বাবে অভিনন্দন জনাইছোঁ। নামৰূপ মহাবিদ্যালয়ত যোগদান কৰাৰ সময়ত মহাবিদ্যালয়খনত এটি প্ৰায় সমসাময়িক বয়সৰ ডেকা শিক্ষকৰ গোট আছিল যি মহাবিদ্যালয়খনৰ এটি হাঁহি-ধেমালিৰ পৰিৱেশ বৰ্তাই ৰাখিছিল। আচাৰ্য্যদাও আছিল সেই গোটৰ এজন। ২০০৫/২০০৬ চন মানৰ ঘটনা হ'ব। বিভিন্ন দল-সংগঠনে মাজে মাজে বন্ধ ঘোষণা কৰি থকাৰ ফলত কলেজলৈ অহা-যোৱা কৰাত বাধাৰ সৃষ্টি হৈছিল। এবাৰ এনেদৰে এটা বন্ধত কলেজলৈ আহোঁতে আচাৰ্য্যদাই বন্ধ দিয়া অনুষ্ঠানটোৱে ধনু-কাঁড় লৈ বাট আগছিব বুলি এনেদৰে বৰ্ণনা কৰিছিল যে আমি সঁচাই বিশ্বাস কৰিছিলোঁ আৰু আচাৰ্যীদাই স্বভাৱসুলভ হাঁহিৰে আটাইকে কথাৰ ৰস দিছিল।

আচাৰ্য্যদা সুশিক্ষক হিচাপে পৰিচিত আছিল আৰু নিজৰ কৰ্তব্য আৰু দায়িত্বৰ প্ৰতি সজাগ আছিল। মহাবিদ্যালয়ৰ উপধ্যক্ষ হিচাপে তেখেতে নিজ কৰ্তব্যখিনি সুচাৰুৰূপে পালন কৰিছিল আৰু শেষলৈকে তেখেতে শ্ৰেণীসমূহ লৈছিল। দুগৰাকী সুযোগ্যা কন্যাৰ পিতৃ হিচপেও তেখেত সফল। আশা কৰিছোঁ দুয়ো কন্যা জীৱনত সফল হওক।

আচাৰ্য্যদাৰ কৰ্মজীৱনৰ সফল সামৰণিত তেখেতলৈ অভিনন্দন জনাইছোঁ আৰু ভৱিষ্যত জীৱনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰিছোঁ। সুস্বাস্থ্য অটুত থাকক আৰু বিচৰা ধৰণে নিজকে ব্যস্ত ৰাখক।

# *To Respected Acharyya Sir...*

✍ Dipti Dutta Saikia
Assistant Professor
Department of Education
Namrup College

On the day of your retirement, congratulation Sir for your successful completion of the service life. As an associate Professor in the Dept. of Chemistry, Academic in-charge and Vice-Principal (i/c) of Namrup College your contribution is tremendous for the academic upliftment of Namrup College. As my perception, you are an academic leader encouraged us to achieve something new. After taking charge as Academic in-charge you have transformed the entire academic atmosphere of Namrup College. Your innovative idea on academic field really inspiring for us. your dynamic personality and good relationship with colleague create a supportive atmosphere where teamwork thrives, ensurng the institutions overall growth. You motivale faculty and students to strive for excellence making lasting contributions to our college. Your immense knowledge as teacher will nurture the society and academic community as well.

Best wishes to you good times, good health and happy family life. I hope you will enjoy the days ahead.

# *Feelings on your Retirement*

✍ Dr. Ashim Jyoti Baruah
Assistant Professor
Department of Mathematics
Namrup College

Few lines on the retirement of Dr. Padma Acharyya. Acharyya Da, I am wishing you a retirement filled with relaxation, laughter, and the freedom to do whatever brings you joy. Congratulations on your retirement! May this new chapter be your best adventure. Retirement does not mark the end but prepares you for a new beginning. What I felt and observed is that, you are trustworthy, sincere, enthusiastic, energetic and devoted to your work. Thank you for directing our students to look and walk the right path. We will feel your absence in the college a lot, your laughter, your positive approach to things, your support, your guide in academics and other activities, your gossip, your friendly behaviour, your visit to our department and above all the cup of tea we had with garam samosa will be always remembered. Wishing you good health & may the Almighty be always with you in the coming days. Good Luck to you.

# আচাৰ্য্য দালৈ একলম...

✍ ৰূপক কুমাৰ বৰগোহাঁই
বিভাগীয় মুৰব্বী আৰু সহকাৰী অধ্যাপক
সমাজতত্ব বিভাগ
নামৰূপ মহাবিদ্যালয়

বিশ্বাস কৰিবলৈ টান লাগিছে, আপুনি যে অৱসৰ ল'বলৈ গৈ আছে। দুৰন্ত তৰুণৰ দৰে যোৰহাটৰ পৰা নামৰূপলৈ দুৰ্দান্ত গতিৰে গাড়ী চলাই অহা-যোৱা কৰা ব্যক্তি এজনে যে অৱসৰ লোৱাৰ মুহুৰ্ত্ত আহি পৰিছে ভাবিবই নোৱাৰি। কিন্তু সময়ৰ নীতি-নিয়ম অতি কঠোৰ আৰু ই ৰূঢ় বাস্তৱ, ইয়াৰ পৰা কাৰো নিস্তাৰ নাই। আমি সকলোবোৰ একে পথৰেই যাত্ৰী।

যি কি নহওক, আপোনাৰ সফল কৰ্মজীৱনৰ সফল সমাপ্তিত আন্তৰিক অভিনন্দন জনাইছো। সুন্দৰভাৱে এক দীৰ্ঘকালীন সময় আপুনি নামৰূপ মহাবিদ্যালয়ত সুখ্যাতিৰে অতিবাহিত কৰিলে। শিক্ষক আৰু প্ৰশাসনিক ব্যক্তি হিচাপে আপুনি যি বৰঙণি আমাৰ মহাবিদ্যালয়লৈ আগবঢ়ালে, তাৰ বাবে আপুনি সদায়েই প্ৰসংশনীয় আৰু চিৰনমস্য। কৰ্মৰ প্ৰতি থকা আপোনাৰ একাগ্ৰতা আৰু দূৰদৰ্শিতা আমাৰ বাবে সদায় প্ৰেৰণা হৈ ৰ'ব। উপাধ্যক্ষ হিচাপে আপুনি উদ্যোগ লোৱা শিক্ষকৰ দিনপঞ্জী আৰু শিক্ষণ আঁচনিৰ তথ্য সংগ্ৰহৰ ব্যৱস্থাই আপোনাৰ সুপৰিকল্পিত জ্ঞানৰ পৰিচয় দিয়ে। শৈক্ষিক তত্বাবধায়ক হিচাপেও আপোনাৰ উদ্ভাৱনী চিন্তা-চৰ্চা তথা পৰামৰ্শ সকলোৰে বাবে আদৰণীয় হৈ ৰ'ব।

ৰাষ্ট্ৰীয় মূল্যাঙ্কণ আৰু প্ৰত্যাৱৰ্তন পৰিষদৰ (NAAC) পৰিদৰ্শনৰ সময়ছোৱাত মোৰ লগত সকলো সময় দি মোক যি সহযোগিতা আৰু উৎসাহ জনালে তাৰ বাবে চিৰকৃতজ্ঞ হৈ ৰ'ম। এই ক্ষেত্ৰত মহাবিদ্যালয়খনৰ প্ৰতি থকা আন্তৰিকতা আৰু মহাবিদ্যালয়খনৰ বিদ্যায়তনিক দিশত উন্নতি সাধন কৰিব বিচৰা আপোনাৰ হেঁপাহক শ্ৰদ্ধা জনাইছোঁ।

মহাবিদ্যালয় পৰিয়ালবৰ্গৰ মাজত এজন ৰসিক ব্যক্তি হিচাপে আপোনাৰ আদৰ আছিল। আপোনাৰ অনুপস্থিতত আপোনাৰ হাস্যৰসিক মন্তব্যৰ সৈতে আপুনি মৰা উচ্চস্বৰৰ হাঁহিটোৰ অভাৱ অনুভৱ কৰিম। সুদক্ষ ফটোগ্ৰাফাৰ হিচাপেও মহাবিদ্যালয়ৰ কোনোজনে আপোনাৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিব।

আপোনাৰ যোৰহাটৰ ঘৰখনেই আপুনি যে এজন সুপৰিকল্পিত আৰু দূৰদৰ্শী ব্যক্তি তাৰ পৰিচয় বহন কৰে। আটোমটোকাৰীকৈ সজা এটি ঘৰৰ লগতে এখন পৰিপাটী বাগিছা, সঁচাকৈ সুন্দৰ আৰু অনুকৰণীয়। কি নাই আপোনাৰ বাৰীত, যিমান ফলমূল এতিয়ালৈকে খাবলৈ পাইছিলো, ভৱিষ্যতে আৰু অধিক পাম বুলি আশা ৰাখিলো, কিয়নো এতিয়া আপোনাৰ হাতত অফুৰন্ত সময়।

এজন সফল পিতৃ হিচাপেও আপুনি গৌৰান্বিত। আপোনাৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আপোনাৰ সন্তানেও ভৱিষ্যত জীৱনত সফল কৰ্মৰাজিৰে নিজৰ পৰিচয় দাঙি ধৰক- তাকেই কামনা কৰিছোঁ। পুৱা চাৰি বজাতেই শুই উঠি আপোনাক ৰান্ধি-বাঢ়ি খোৱাই-বোৱাই আৰু লগতে লেমন ৰাইচৰ টিফিন দি পঠিওৱা আপোনাৰ বৌকো শুভেচ্ছা জনাইছো- যি আপোনাৰ সফল কৰ্মজীৱনৰ অংশীদাৰী ব্যক্তি। আপোনালোক সকলোৰে সুখ-শান্তিৰে ভৱিষ্যতৰ দিনবোৰ অতিবাহিত কৰক।

পৰিশেষত সকলোৰে সুস্বাস্থ্য আৰু মংগল কামনা কৰিলো। আপুনি বিচৰা ধৰণেই আপোনাৰ অনাগত দিনবোৰ সুখ, সমৃদ্ধি আৰু আনন্দৰ হৈ পৰক তাকেই ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

# অনন্য বক্তিত্ব ড০ পদ্ম আচাৰ্য্য ছাৰ

✍ বিনীতা বড়া
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
নামৰূপ মহাবিদ্যালয়

তেওঁৰ সান্নিধ্যই সেউজীয়া কৰে
প্ৰাত্যহিক সময়ৰ মালিতা,
শুভাশীষ কঢ়িয়াই ফুৰা
তেওঁৰ কঁপি থকা ওঁঠযুৰিয়ে
সমাহিত কৰে বহু প্ৰাচীন পিয়াহ।
চিকুন হৈ গজা প্ৰতিটো পুৱাৰ
তেওঁ যেন এটি বেলিফুলৰ প্ৰাৰ্থনা।
আগশাওনৰ দিনবোৰৰ দৰেই
কিমান যে তেওঁৰ ব্যস্ততা।
অৰণ্যৰ ঘনত্বত হেৰাই যোৱা
বেলি নহয় তেওঁ...
তেওঁ যেন আনক পোহৰাবলৈ বিৰিঙি থকা
এচেৰেঙা কাঁচিয়লি ৰ'দ।

(শ্ৰদ্ধাৰ আচাৰ্য্য ছাৰৰ হাতত)

নৈ বৈ যোৱাৰ দৰে জীৱনো বৈ যায় নিৰৱধি গতিত। নদীয়ে গতি সলায় থৈ যায় এৰাসুঁতি। জীৱনে বাগৰ সলায়, পথে পথে চিন ৰাখি থৈ যায় নজহা-নপমা অনেক মিনাকৰা সেঁৰৰণি। সোঁৱৰণীৰ সোণোৱালী আৰ্কাইভত সাৰে থাকে জীৱন নাটৰ কত' যে নেপথ্যৰ কাহিনী।

সন্মুখৰ পথ ধিয়াই গৈ থকাৰ নামেই জীৱন। অৱধাৰিত আমাৰ সকলোৰে জীৱনৰ গতিপথ। আমাৰ সকলোৰে আদৰৰ, মৰমৰ ড০ পদ্ম আচাৰ্য ছাৰৰ জীৱন এটি নতুন গতিসূত্ৰৰ দিশে ধাৱমান হোৱাৰ সময় সমাগত। সুদীৰ্ঘ আনুষ্ঠানিক কৰ্মজীৱনৰ সফল সামৰণিৰ বেলাত ছাৰলৈ নিবেদিছোঁ আন্তৰিক অভিনন্দন আৰু এটি নতুন জীৱনে সুৱাগুৰি তুলিবলৈ দুবাহু প্ৰসাৰিত কৰাৰ মধুময় লগনত ছাৰলৈ যাচিছোঁ বহুতো শুভকামনা। লেছেৰিৰ পাতত শ্ৰদ্ধাৰ আচাৰ্য ছাৰৰ বিষয়ে লিখিবলৈ লওঁতে অনেক কথাই তাঁত-বাটি কৰিছে। আচলতে আমাৰ পৰস্পৰৰ মাজত থকা সম্পৰ্ক যেতিয়া আত্মীক হয়, তেতিয়া কোনো আনুষ্ঠানিকতাই সেই সম্পৰ্কক উটুৱাই নিব নোৱাৰে। মাত্ৰ কেইটামান শব্দ বা বাক্যৰ মাজেৰে আচাৰ্য ছাৰৰ দৰে এগৰাকী ব্যক্তিত্বশালী লোকৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰি। ছাৰৰ লগত মোৰ সম্পৰ্ক গুৰু-শিষ্যৰ। সহকৰ্মী বুলি কোনো দিনে ভবাও নাই আৰু ভাবিবও নোৱাৰোঁ। পদ্ম আচাৰ্য ছাৰৰ দৰে এজন মহান শিক্ষক, অতিমাত্ৰা কৰ্তব্যপৰায়ণ, কৰ্মযোগী, প্ৰশাসনিক আৰু বিদ্যায়তনিক উভয় দিশতে দক্ষতা থকা যোগ্য ব্যক্তি নামৰূপ মহাবিদ্যালয়ৰ আনুষ্ঠানিক পৰিসৰৰ পৰা কায়িকভাৱে আঁতৰি যোৱাটো আমাৰ বাবে এক বিৰাট শূণ্যতা বুলি ক'লেও নিশ্চয় অতিৰঞ্জিত কৰা নহয়। নামৰূপ মহাবিদ্যালয়ৰ সৰ্বতোদিশৰ উত্তৰণ যাত্ৰাৰ আন বহুজনৰ দৰেই ছাৰো এগৰাকী অক্লান্ত কৰ্মী। বহুজনৰ জীৱন জ্ঞানৰ জ্যোতিৰে প্ৰোজ্জ্বল কৰাৰ লগতে এটি বিদ্যামন্দিৰক তিল তিলকৈ গঢ় দিয়াৰ যি

খনিকৰী দায়িত্ব কান্ধপাতি ল'লে তাৰবাবে সমগ্ৰ নামৰূপবাসীৰ লগতে নামৰূপ মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ শ্ৰদ্ধাৰ আচাৰ্য চাৰৰ ওচৰত চিৰকৃতজ্ঞ হৈ থাকিব। প্ৰতিটো বাৰ-চিন্তা আৰু কৰ্মৰাজিত দৃঢ় মনোবল, গভীৰ আত্মপ্ৰত্যয় আৰু সুদক্ষ প্ৰতিভাৰ পৰিচয় দিয়া আচাৰ্য ছাৰৰ জীৱনশৈলী আমাৰ বাবে চানেকি হৈ ৰ'ব। এই চানেকিৰে বুটা বাচিবলৈ আমিও চেষ্টা কৰিম সাধ্যানুসাৰে। স্থানিক দূৰত্ব আৰু কায়িক অনুপস্থিতিয়ে আমাৰ মাজত থকা আত্মীয়তা নিশ্চয় কম হ'বলৈ নিদিয়ে বুলি অনুভৱ কৰিছোঁ আপোনাৰ আনুষ্ঠানিক বিদায় বেলাত।

শ্ৰদ্ধাৰ ছাৰ, আপোনাৰ প্ৰাণখোলা হাঁহিটো এতিয়াৰে পৰা শুনিবলৈ নাপাওঁ। দুখ লাগিছে বহুত। আমিবোৰ যেন দিনে দিনে মূধচবিহীন ঘৰৰ দৰে হৈ পৰিছোঁ। যোৰহাটলৈ মাৰ ঘৰলৈ গ'লে আপুনি ভালপোৱা চাউলৰ টোপোলাটো নিবলৈ চেষ্টা কৰিম। বাইদেউৰ হাতৰ এসাঁজ তৃপ্তিৰে খাম। পৰিশেষত ঈশ্বৰে আপোনাৰ লগতে আপোনাৰ সুখী পৰিয়ালটোক সদায় কুশলে ৰাখক। প্ৰাণখোলা হাঁহিটো কেতিয়াও যেন ম্লান নপৰে। সুস্বাস্থ্যৰে দীৰ্ঘজীৱনৰ গৰাকী হওক। শেষত প্ৰণিপাত যাচিলোঁ।

# নামৰূপ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পদ্ম আচাৰ্য্য ছাৰলৈ একলম

প্ৰণিতা ৰাজখোৱা
সহকাৰী অধ্যাপক
অৰ্থনীতি বিজ্ঞান বিভাগ
নামৰূপ মহাবিদ্যালয়

নামৰূপ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পদ্ম আচাৰ্য ছাৰ, পোন প্ৰথমে আপোনাক কৰ্মজীৱনৰ সফল সামৰণিৰ বাবে অভিনন্দন জনাইছোঁ। নামৰূপ মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ এজন অধ্যাপক হিচাপে প্ৰথমে যোগদান কৰি মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰাৰ এই সুদীৰ্ঘ ৩৪ টা বছৰত মহাবিদ্যালয়লৈ আপুনি আগবঢ়োৱা বৰঙণি সদায় সজীৱ হৈ থাকিব। মহাবিদ্যালয়ৰ পুথিভঁৰালৰ দায়িত্বৰ পৰা আৰম্ভ কৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু ষাণ্মাসিক চূড়ান্ত পৰীক্ষাৰ তত্বাৱধায়কৰ দায়িত্ব, NAAC ৰ দায়িত্ব আদি সকলো আপুনি সুপৰিকল্পিত আৰু নিষ্ঠাৰে কৰা কাৰ্য আমাৰ সকলোৰে বাবে অনুকৰণীয়। ইয়াৰোপৰি নামৰূপ মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী আৰু সোণালী জয়ন্তী কাৰ্যসূচীসমূহ আপুনি অতি সুচাৰুৰূপে সম্পাদন কৰিছিল। চৰকাৰৰ পৰা প্ৰদান কৰা কাৰ্য যেনে নিৰ্বাচনৰ বিষয়া, ADRE ৰ পৰীক্ষা আয়োজনৰ দায়িত্বও অতি সুচাৰুৰূপে সম্পন্ন কৰিছিল। যিকোনো দায়িত্ব সম্পন্ন কৰিবলৈ যাওঁতে আপুনি যথেষ্ট অধ্যয়ন কৰিছিল আৰু সেই দায়িত্বৰ লগত জড়িত আনুসাঙ্গিক কাৰ্যসমূহ অতি পুংখানুপুংখভাৱে পৰ্য্যৱেশন কৰিছিল। গতিকে আপুনি সম্পাদন কৰা কাৰ্যসমূহত ভুল-ত্ৰুটিৰ সম্ভাৱনা নাছিল।

শিক্ষকতাৰ দৰে মহান বৃত্তিত জড়িত হৈ ছাৰ আপুনি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অতি জনপ্ৰিয় আছিল। শিক্ষাদানৰ যি গুণ আপোনাৰ মাজত নিহিত হৈ আছে সেই গুণ ছাত্ৰ-ছাত্ৰীসকলে লোৱাৰ লগতে কনিষ্ঠ শিক্ষকসকলেও অনুকৰণ কৰিব লাগে। ৰসায়ন বিজ্ঞানৰ দৰে যথেষ্ট কঠিন বিষয় এটা আপুনি অতি সহজ ৰূপত ছাত্ৰ-ছাত্ৰীসকলৰ আগত উপস্থাপন কৰিছিল, যাৰবাবে ছাত্ৰ-ছাত্ৰীসকলে আপোনাৰ ক্লাচত সদায় উপস্থিত থাকিবলৈ চেষ্টা কৰিছিল। আপোনাৰ পৰা লাভ কৰা ৰসায়ন বিজ্ঞানৰ জ্ঞান পিছলৈ ছাত্ৰ-ছাত্ৰীসকলে সমাজত বিলাই দিলে ৰসায়ন বিজ্ঞান বিষয়টো অধিক জনপ্ৰিয় হৈ উঠিব।

কৃষিকাৰ্যৰ লগত জড়িত হৈ ছাৰ আপুনি সদায় প্ৰকৃতিৰ লগত নিজকে ব্যস্ত কৰি ৰাখিছে। সেয়ে আপোনাৰ ঘৰখন দৈনন্দিন জীৱনৰ বাবে প্ৰয়োজনীয় সকলো শাক-পাছলি, মাছ, ফল-মূল আদিৰে ভৰপূৰ হৈ থাকে আৰু আলহী-অতিথি আহিলে তেওঁলোকক এসাঁজ জৈৱিক আহাৰে আপ্যায়ন কৰা শুনিবলৈ পাওঁ। যোগ অভ্যাস আপোনাৰ দৈনন্দিন জীৱনৰ অংশ। এই অভ্যাসৰ বাবে আপুনি সদায় সকলো কাৰ্যত সক্ৰিয় হৈ থাকে আৰু সকলোকে ধনাত্মক দৃষ্টিভংগীৰে কাৰ্য সম্পাদনৰ বাবে পৰামৰ্শ আগবঢ়ায়। ৰাতিপুৱাতে যোৰহাটৰ পৰা আহি ৮-৩০ বজাত মহাবিদ্যালয়ত উপস্থিত হৈ প্ৰাতঃসভাত যোগদান কৰে আৰু দিনটোৰ সকলো কাৰ্য সম্পাদন কৰি প্ৰয়োজন হ'লে গধূলি ৫ বজাত পুনৰ যোৰহাটলৈ প্ৰস্থান কৰে। মোৰ বাবে আপোনাৰ এই কাৰ্য সপোন যাক কেতিয়াও মই বাস্তৱত ৰূপায়ন কৰিব নোৱাৰো। আপুনি সদায় কয়- মানুহৰ শৰীৰটো বহু ধৰণৰ শক্তিৰ ভাণ্ডাৰ, যাক সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিলে মানুহে নিজৰ লক্ষ্যত উপনীত হোৱাৰ লগতে সমাজে অৰ্পণ কৰা সকলো দায়িত্ব সম্পাদন কৰিব পাৰিব। ছাৰ আপুনি কনিষ্ঠ, জ্যেষ্ঠ সহকৰ্মীৰ পৰা আৰম্ভ কৰি মহাবিদ্যালয়ৰ সকলো সদস্যৰ লগত হাঁহি-ধেমালিৰে কথা পতাৰ লগতে তেওঁলোকক নিজৰ নিজৰ দক্ষতাৰ দ্বাৰা কামত নিয়োজিত কৰা কাৰ্য অতি শলাগ ল'বলগীয়া। নামৰূপ মহাবিদ্যালয়ৰ শৈক্ষিক দিশটোৰ উন্নতি সাধন কৰাত

আপোনাৰ অৰিহনা আছে। সময়মতে Routine ৰ সংস্কাৰ সাধন কৰা, প্ৰত্যেক দিনে মহাবিদ্যালয়ৰ Office Group ত Teaching Diary Upload কৰা আদি কাৰ্যই আপোনাক সক্ৰিয় কৰি তোলাৰ লগতে প্ৰত্যেক শিক্ষককে নিজৰ নিজৰ ক্লাচৰ প্ৰতি সজাগ কৰি ৰাখিছিল।

মোৰ জীৱনৰ দুখৰ সময়ত আপুনি সদায় মোক সাহস দিছিল আৰু বিশেষকৈ নিৰ্বাচনৰ সময়ত আপুনি মোক দিয়া পৰামৰ্শৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো। কৰ্মজীৱনৰ প্ৰতিটো দিনত মানুহৰ বাবে শিকনীয় বহু কথা থাকে। তাৰ ভিতৰত মই আপোনাৰ পৰা কিদৰে সকলোৰে লগত মিলিজুলি কাম কৰিব পাৰি সেইটো শিকিছিলো। প্ৰতিটো বিভাগীয় ৰুমত আপুনি সকলো সদস্যক লগ ধৰিছিল আৰু মত বিনিময় কৰি মহাবিদ্যালয়ৰ শৈক্ষিক দিশৰ উত্তৰণৰ বাবে চেষ্টা কৰিছিল।

দুজনী মেধাৱী ছোৱালী আৰু পৰিবাৰৰ লগত আপোনাৰ সুন্দৰ সংসাৰখনৰ সৈতে ছাৰ আপুনি সদায় সুখী থাকক - তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। ভৱিষ্যত জীৱনত আপুনি কৰা পৰিকল্পনা বাস্তৱত ৰূপায়িত হোৱাৰ কামনাৰে...।

# শ্ৰদ্ধাৰ পদ্ম আচাৰ্য্য ছাৰ...

✍ কল্যাণ গগৈ
বিভাগীয় মুৰব্বী আৰু সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ
নামৰূপ মহাবিদ্যালয়

শ্ৰদ্ধাৰ পদ্ম আচাৰ্য ছাৰ নমস্কাৰ গ্ৰহণ কৰিব। আজি আপোনাৰ বিদায় মুহূৰ্তত কিনো লিখিম, তথাপিও ভাল লগা কেইটামান কথা উনুকিয়াই দিব বিচাৰিছোঁ, ভুল হ'লে মাৰ্জ্জনা কৰিব।

(১) প্ৰতিবেশী হিচাবে ঃ- ২০০৪ চনৰ পৰা ২০05 চনলৈকে আপোনাৰ কাষৰ কোৱাৰ্টাৰতে আছিলো, তেতিয়াৰ পৰাই কৰ্মদক্ষতা আৰু সদায়ে ডেকা হৈ থকা দেখি আহিছো আৰু আজিলৈকে মানুহজন একেই হৈ আছে। আশা কৰিছো আগন্তুক দিনবিলাক এনেদৰে পাৰ হওক। আপোনালোকৰ ঘৰৰ যি আতিথ্য সেয়া মই সদায়ে মনত ৰাখিম। কৰ্মব্যস্ততাৰ মাজত সময় সুবিধা পালে নিশ্চয় যোৰহাটৰ ঘৰকনলৈ পুৰণা স্মৃতিৰ সুবাস বিচাৰি যাম।

(২) জীৱনৰ প্ৰথম লটাৰী খেলৰ পুৰস্কাৰ ঃ- ২০০৪ চনৰ কথা। দেৱালী উপলক্ষে আমি সকলোৰে লটাৰী খেল এখন সন্ধিয়া আয়োজন কৰিছিলোঁ। মোৰ লগত আছিল কল্যাণ দাস, বৰ্তমান জে. বি. মহাবিদ্যালয়ত কৰ্মৰত। সন্ধিয়া সময়ত খেল আৰম্ভ হ'ল। প্ৰথম পুৰস্কাৰ মোৰ লগত কল্যাণ দাসে পালে আৰু দ্বিতীয় পুৰস্কাৰ মই পালো এটা ১০০ গ্ৰামৰ ক'লগেট। মই পালো পালো বুলি জাপ মাৰি নাচিব ধৰিলোঁ। নাচি থাকোতে কোনোবাই কন্দা শুনি ৰৈ গ'লো, ঘূৰি চাই দেখিলো ছাৰৰ ছোৱালী জুপিয়ে কান্দি আছে। মই সুধিলো কিয় কান্দিছে ? বাইদেউৰে ক'লে তাইক বোলে ক'লগেটটো লাগে। মই আৰু অলপো পলম নকৰি জুপিক ক'লো-লোৱা লোৱা আৰু ক'লগেটটো তাইক মই দি দিলো। এইয়ে আছিল জীৱনত প্ৰথমবাৰৰ বাবে লাভ কৰা লটাৰী খেলৰ পুৰস্কাৰ।

(৩) উপাধ্যক্ষ ঃ- নামৰূপ মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ দায়িত্ব লৈ অধ্যক্ষৰ লগত বিদ্যায়তনিক দিশত বহুখিনি বৰঙণি আগবঢ়ালে। ইয়াৰ ভিতৰত উল্লেখযোগ্য দিশ হ'ল Teaching Plan আৰু Teaching Diary যিয়ে আমাৰ মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশত নতুন দিগন্তৰ সূচনা কৰিলে।

(৪) ৰসায়ন বিজ্ঞানৰ এজন শিক্ষক হিচাপে আপোনাৰ পাঠদান নাপালেও, প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ মুখত সদায়ে শুনো ছাৰে কিন্তু বৰ মজা পঢ়ায় দেই। ক্লাচ কৰি বৰ ভাল লাগে। ছাত্ৰ-ছাত্ৰীৰ মাজত জনপ্ৰিয় হ'ব পৰাটো এজন প্ৰকৃত শিক্ষকৰ সফলতা। আপুনি এজন সফল শিক্ষক।

বহু কথাই লিখিবলৈ আছিল যদিও ভাবিছো আপোনাৰ বিদায় সভাৰ দিনাই কম গতিকে আজিলৈ ইয়াতে সামৰণি মাৰিলোঁ। যি কি নহওক ছাৰ, আপোনাৰ ভাল লগা কথাবতৰা আৰু ডাঙৰকৈ দেহা উজাৰি মৰা হাঁহিটো সদায় মনত পৰি থাকিব, লগতে মূল্যবান দিহা-পৰামৰ্শ আৰু মতামত আমাৰ ভৱিষ্যত দিনৰ বাটৰ লাখুটি হৈ ৰ'ব।

শেষত আপোনাৰ লগতে ঘৰৰ সকলোৰে মংগল কামনা কৰিছোঁ। পুনৰ আমাৰ মহাবিদ্যালয়ত লগ পোৱাৰ প্ৰতিশ্ৰুতিৰে...।

# অনুভৱৰ একলম

✍ মন্দিৰা বুঢ়াগোহাঁই
সহকাৰী অধ্যাপক
সমাজতত্ব বিভাগ
নামৰূপ মহাবিদ্যালয়

নামৰূপ মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা যিসকল ব্যক্তি জড়িত হৈ আছিল, যিসকলৰ প্ৰচেষ্টাত মহাবিদ্যালয়খন পূৰ্ণতা প্ৰাপ্ত হ'ল, সেই শ্ৰদ্ধাৰ শিক্ষকসকলৰ ভিতৰত এজন ড০ পদ্ম আচাৰ্য্য ছাৰ। সোণালী জয়ন্তী অতিক্ৰম কৰা মহাবিদ্যালয়খনিত ছাৰৰ অৱদানো অনস্বীকাৰ্য্য। কিন্তু গতিশীল সময়ে আমাক সোঁৱৰাই দিয়ে আমাৰ সীমাবদ্ধতাৰ কথা। সকলো মাথো আগুৱাই যাওঁ সময়ৰ গতিত। ই অপ্ৰতিৰোধ্য। জীৱনত মাথো লিপিবদ্ধ হয় নিৰ্দিষ্ট কিছুমান দিন-মাহ-তাৰিখ। পূৰ্বনিৰ্দ্ধাৰিত হৈ থকা ক্ষণবোৰে আমাক বাধ্য কৰে এজন এজনকৈ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক আনুষ্ঠানিক বিদায় সম্বৰ্দ্ধনা জনাবলৈ। যদিও ই বেদনাদায়ক তথাপিও ই অনিবাৰ্য্য। কৰ্মজীৱনৰ এই ধাৰাবাহিকতাৰ উৰ্দ্ধত কোনো নাই। গতিকে ইয়াকে সৰোগত কৰি আমিও আজি শ্ৰদ্ধাৰ ড০ পদ্ম আচাৰ্য ছাৰক বিদায় সম্বৰ্দ্ধনা জনাবলৈ লৈছোঁ, আজি ছাৰৰ কৰ্মজীৱনৰ অন্তিমটো দিনত।

ছাৰ প্ৰথমেই মোৰ শিক্ষাগুৰু। পৰৱৰ্তী পৰ্যায়ত ছাৰৰ সহকৰ্মী হিচাপে এই মহাবিদ্যালয়ত কৰ্মত আত্মনিয়োগ কৰোঁ যদিও নিজকে ছাৰৰ সহকৰ্মী হিচাপে ভবাৰ ধৃষ্টতা মোৰ নাই।

কৰ্মজীৱনৰ সুদীৰ্ঘ পৰিক্ৰমা অতিক্ৰম কৰি আজি আনুষ্ঠানিকভাবে ছাৰে অৱসৰ লোৱাৰ সময় হৈছে। এই ক্ষণত ছাৰলৈ থাকিল মোৰ আন্তৰিক অভিনন্দন। অনাগত অৱসৰকালীন সময়বোৰ ছাৰে ভবাৰ দৰেই যেন অধিক বৰ্ণময় হৈ পৰে।

এই সময়ত মানসপটত অনেক কথা, অনেক স্মৃতিয়ে ভুমুকি মাৰিছেহি। মনত পৰিছে ছাৰে বিভিন্ন সময়ত কোৱা উপদেশমূলক কথাসমূহ, সেইয়া পাঠদানৰ সম্বন্ধেই হওক বা আন কিবা। প্ৰধানকৈ পাহৰিব নোৱাৰিম ছাৰে যোৱা লোকসভা নিৰ্বাচনৰ সময়ত প্ৰিজাইদিং অফিচাৰৰ দায়িত্ব সম্পৰ্কে সহজ আৰু সাৱলীল ভাষাৰে আমাক মহাবিদ্যালয়ত বুজাই দিছিল, নিৰ্দিষ্ট দিনটোত মই বিশেষ কাৰণত উপস্থিত থাকিব নোৱাৰিছিলো। কিন্তু ব্যক্তিগতভালে ছাৰক মই কথাখিনি বুজাই দিবলৈ কোৱাত পুনৰ মোক বৰ সুন্দৰকৈ আৰম্ভণিৰে পৰা সকলোখিনি খুটিনাতি মাৰি বুজাই দিছিল। ছাৰৰ পৰা শিকাৰ পিছত মনৰ সকলো শংকা নিৰ্মূল হৈছিল আৰু সকলো কাৰ্য্য নিয়াৰীকৈ সম্পাদন কৰিবলৈ সক্ষম হৈছিলো। লগতে মনত সাহসো আছিল কাৰণ ছাৰে কৈছিল- “কিবা হ'লে মোক ফোন কৰিবা। সহায় কৰিবলৈ চেষ্টা কৰিম।” প্ৰথমবাৰৰ বাবে নিৰ্বাচনৰ দায়িত্ব পালন কৰিবলৈ গৈছিলোঁ, এনে সময়ত ছাৰৰ পৰা পোৱা অভয়বাণীয়ে যথেষ্ট মনোবল বৃদ্ধি কৰিছিল। ছাৰ আপোনাক পুনৰ অশেষ ধন্যবাদ। আপোনাৰ আন্তৰিকতাপূৰ্ণ ব্যৱহাৰ আৰু সহায় আজীৱন মোৰ মানসপটত স্মৰণীয় হৈ ৰ'ব।

অৱশ্যেই কিছুমান অনুভৱ, আন্তৰিকতা ভাষাৰে প্ৰকাশ কৰিবলৈ অপাৰগ। তথাপিও এই বিদায় ক্ষণত মনলৈ ভাঁহি আহে বহুতো পাহৰিব নোৱাৰা ক্ষণ। ছাৰ আপোনাৰ স'তে হোৱা কথোপকথন সদায় মোৰ বাবে আছিল অনুপ্ৰেৰণামূলক। আপোনাৰ অনুপস্থিতত সোঁৱৰাই দিব সদায় মহাবিদ্যালয়লৈ আহোঁতে যাওঁতে ভুমুকি মাৰি যোৱা আপোনাৰ নিৰ্দিষ্ট কোঠাটোৱে।

সময়ৰ হাতত পৰাভূত আমি আজি আপোনাক বিদায় সম্ভাষণ জনাইছোঁ। এই ক্ষণত আপোনালৈ আগবঢ়াইছো আন্তৰিক শ্ৰদ্ধা আৰু ভক্তিপূৰ্ণ সেৱা। অনাগত অৱসৰকালীন সময়ছোৱা আপুনি ভবাৰ দৰেই বাস্তৱায়িত হওক। সুস্বাস্থ্যৰে জীৱন উদ্‌যাপন হওঁক। তাৰেই নেদেখাজনৰ ওচৰত মোৰ প্ৰাৰ্থনা।

# শেষৰ আৰম্ভণিত অনুভৱৰ খুদুৰণি

✍ ড০ জয়ন্ত সোনোৱাল
বিভাগীয় মুৰব্বী আৰু সহকাৰী অধ্যাপক
উদ্ভিদ বিজ্ঞান বিভাগ
নামৰূপ মহাবিদ্যালয়

স্বাভাৱিক প্ৰক্ৰিয়াৰে সফল কৰ্মজীৱনৰ সমাপ্তি কৰাটো চাকৰিয়ালসকলৰ অন্য এক সফলতা। জীৱনৰ উদ্যমী আৰু উৎপাদনক্ষম সময়খিনিৰ বেছিভাগ সময়েই চাকৰিয়ালসকলে নিজৰ কৰ্মৰত প্ৰতিষ্ঠানৰ বাবে সমৰ্পিত কৰে। এই দীঘলীয়া যাত্ৰাৰ শেষত জীৱনটো হৈ পৰে এক অভিজ্ঞতাৰে পৰিপূৰ্ণ ভঁৰালস্বৰূপ। ঠিক একে গতিৰে কৰ্মজীৱনৰ বিভিন্ন অভিজ্ঞতাৰে মেটমৰা ভাৰখন লৈ চাকৰি জীৱনৰ অন্তিমটো দিনত আজি আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা জ্যেষ্ঠ সহকৰ্মী ড০ পদ্ম আচাৰ্য ছাৰে খোজ দিলেহি। শিক্ষকতাক বৃত্তি আৰু জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰি ৰসায়ন বিজ্ঞানৰ দৰে বিষয় এটাক সহজ বিষয় ৰূপত ছাত্ৰ-ছাত্ৰীৰ মাজেৰে সমাজৰ মাজলৈ লৈ যোৱাত ছাৰৰ নাম মানুহৰ মুখে মুখে। সুদীৰ্ঘ কৰ্মজীৱনত ছাৰৰ জ্ঞানৰ জ্যোতিৰে আলোকিত কৰা শ শ লোকে আজিৰ দিনটোত একো একোজন মানৱ সম্পদ হৈ নিজৰ ৰাজ্যখনৰ লগতে দেশ-বিদেশতো সেৱা আগবঢ়াই আছে। এজন শিক্ষকে জীৱনত বিচৰা এয়াই হৈছে শ্ৰেষ্ঠতম সুখানুভৱ।

নামৰূপ মহাবিদ্যালয়ত মই কৰ্মজীৱন আৰম্ভ কৰাৰে পৰা ছাৰৰ সৈতে ঘনিষ্ঠতাৰে কেইবাটাও কাম কৰাৰ সুযোগ পাইছিলোঁ। প্ৰায়বোৰ কামেই আছিল যথেষ্ট প্ৰত্যাহ্বানযুক্ত। কিন্তু সমস্যা যিমান গভীৰ নহ'লেও ছাৰৰ লগত একোটা সমাধান মজুত থাকে, যাৰ বাবে বাধাৰ মাজতো আগুৱাই যোৱাৰ পথ মকুলি হৈ পৰিছিল।

বহুকেইটা কামৰ ভিতৰত মই ছাৰৰ পৰা শিকি নিজক সবল কৰিবলৈ সক্ষম হোৱা কেইটামান কথা আজি এই মুহূৰ্তত লিখিব বিচাৰিছোঁ।

<u>(১) সপ্তম দৰমহা আয়োগ গঠনৰ নতুন নিৰিখৰ গণণা</u> ঃ- প্ৰায় ডেৰবছৰমান সময় ছাৰে থকা কোৱাৰ্টাৰৰ কাষতে মই থকাৰ সুযোগ পাইছিলোঁ। আগতে মই থাকিবলৈ লোৱা কোৱাৰ্টাৰটোত ড০ জিতু বুঢ়াগোহাঁই ছাৰ আছিল। তেখেতে কোৱাৰ্টাৰ খালী কৰাৰ পাছত মই থাকিবলৈ ল'লো। তেতিয়া আছিল সপ্তম দৰমহাৰ গুণা-গঠা কৰাৰ দিন। সকলোৰে ভাবি আছিল কেতিয়াৰ পৰা কাৰ্যকৰী হ'ব সপ্তম দৰমহা। কিমান হ'ব নতুন দৰমহাৰ পৰিমাণ আদি কথাবোৰ। তাৰ মাজতে এদিন অফিচিয়েল অৰ্ডাৰ আহিল, আৰ্ডাৰখন একেবাৰে আমাৰ হাতলৈ আহিল। আমাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ফালৰ পৰা আমাক সপ্তম দৰমহা আয়োগ মতে প্ৰতিজন শিক্ষক-কৰ্মচাৰীৰ বাবে নতুন নিৰিখত পাবলগা দৰমহাৰ হিচাপ তৈয়াৰ কৰিবলৈ দিয়া হৈছিল। মই আছিলো এই দিশত একেবাৰে অনভিজ্ঞ। কিন্তু আমাৰ এই দলটোত আছিল ড০ পদ্ম আচাৰ্য ছাৰৰ লগত ড০ মহিন্দৰ সিং ছাৰ আৰু ড০ অসীম জ্যোতি বৰুৱা ছাৰ। দলটো ঠিকেই যেতিয়া চিন্তা কমি গ'ল। এই কামৰ বাবে মোৰ ঘৰটো এক অস্থায়ী কাৰ্যালয় হিচাপে নিৰ্বাচন কৰা হ'ল। কাম আৰম্ভ হৈ গৈছিল। কিন্তু জঁট লাগিছিল বাৰে বাৰে। UGC - 7 Pay গাইডলাইন চাই চাই তৈয়াৰ কৰোঁতে কৰোঁতে যথেষ্ট সময় লাগিছিল। মহিন্দৰ ছাৰ আৰু অসীম ছাৰ গুচি যোৱাৰ পাছত আচাৰ্য ছাৰ আৰু মই পুনৰ ৰাতি এপৰলৈ কাম কৰিছিলোঁ। কিবা এটা সমাধান সূত্ৰ উলিয়াই কামখিনি দিনটোলৈ সামৰা হৈছিল। এইদৰে কেইবাদিনো লাগি থকাৰ অন্তত এদিন সকলোৰে Pay Structure তৈয়াৰ হৈ গ'ল। এই কামখিনি কৰোতে আমাৰ দলৰ আৰু এগৰাকী সদস্যৰ নাম নল'লে কিন্তু অপৰাধ এটাই মোক এৰা নিদিব। UGC - 7 Pay তৈয়াৰ কৰাত জড়িত অন্য গৰাকী সদস্য আছিল ছাৰৰ বাইদেউ। বাইদেউৱে সময়ে সময়ে আমাক চাহ-মিঠাই যোগান ধৰি সতেজ কৰি তুলিছিল। আমাক গৰম গৰমকৈ ৰন্ধা চিকেন মাংসৰে ভাত খুৱাইছিল। এইবোৰ কথা আমাৰ স্মৃতিৰ পটত এক সুকীয়া ঠাই হৈ ৰৈ থাকিব। তাৰোপৰি

অৰ্পিতাহঁতে লটাৰী খেলোৱা, অৰ্পিয়ে পঢ়াৰ মাজতে কেচিঅ’ বজাই অনুশীলন কৰা আদি কথাবোৰ মনত পৰি থাকিব।

(২) HS II ৰ SO হিচাপে ঃ- ২০২৩ চনৰ কথা। নভৰা-নিচিন্তা দায়িত্ব এটা আহি পৰিল। সেইয়া আছিল ডি. ডি. আৰ. কলেজত HS II ৰ SO । প্ৰায় ৭০ কিঃ মিঃ দূৰত্ব। দুই-তিনি ঘণ্টা বাট। দূৰত্ব বেছি হোৱাৰ বাবে মনত হতাশা আহিছিল। কিন্তু, ভগৱানে কোনোবা এফালৰ পৰা হয়তো চাই আছিল বাবে লগত আচাৰ্য ছাৰকো সাঙুৰি দিলে। ছাৰে সকলোফালৰ পৰা উৎসাহ জগাই মই ভাবি থকা দু-চিন্তাবোৰ আঁতৰাই দিলে। সেইমতে আমি প্ৰথম দিনাৰে পৰা সময়তকৈ আগত গৈ পৰীক্ষা কেন্দ্ৰত উপস্থিত হৈছিলো। আমি এনেকুৱা সময়ত যাব লগা হৈছিল সাধাৰণতে ভাত খাই গ’লেই পিছৰ সাজৰ বাবে নাটানে আৰু নেখাই গ’লেও কষ্ট হয়। সেই কলেজখনৰ কেণ্টিনখনতো সদায় খোৱাৰ ব্যৱস্থা নাথাকে। আমি, মানে ছাৰে বহুত চেষ্টা কৰিও দুপৰীয়া খাদ্যভাগ যোগাৰ কৰিব পৰা নাছিল। দুপৰীয়া ভাতসাজ আদায়ৰ বাবে আমি বহুত চেষ্টা কৰিও বিফল হৈছিলো। এই কথা ছাৰ আৰু মোৰ বাহিৰে আনে বুজি নাপাব। এইদৰে আমি চৈধ্য দিনমান একেলগে আহাযোৱা কৰি কামখিনি কৰিলোঁ। এইখিনিতে ছাৰৰ মনৰ উদ্যম আৰু তেজস্বী শৰীৰটোৰ শক্তি লক্ষ্য কৰিছিলো। কেতিয়াবা একেদিনাই যোৰহাটৰ পৰা আহি মোক নামৰূপত লৈ তাৰ পাছত ডি. ডি. আৰ. কলেজ, আকৌ নামৰূপ হৈ পুনৰ যোৰহাটলৈ ঘূৰি যোৱা সেই সাহস আৰু শক্তি দেখি মই তবধ মানিছিলো। ভাগৰ লাগিছে বুলি কোৱা এদিনো শুনা নাছিলো। এইয়া সম্ভৱ হৈছিল কেৱল কৰ্মৰ প্ৰতি থকা প্ৰেম আৰু দায়িত্বৰ বাবেহে। নিতৌ কেৱল যে অহাযোৱাই কৰিছিলো সেইয়াও নহয়। গোটেই ৰাস্তাত ছাৰে সদায় গাড়ী চলাই ভাল ভাল কথাবোৰ কৈ গৈছিল। জীৱনত দৰকাৰ হোৱা বহু কথা ছাৰৰ পৰা শিকিছিলোঁ যি মোৰ বাবে অমূল্য সম্পদ।

(৩) শৈক্ষিক তত্বাৱধায়ক হিচাপে ঃ- ইয়াৰ পাছত ক’ব লাগিব ছাৰে শৈক্ষিক তত্বাৱধায়ক দায়িত্ব লোৱাৰ পাছৰ কথা। মহাবিদ্যালয়খনৰ উত্তোৰণৰ বাবে ছাৰে যে বহুতো নতুন নতুন চিন্তা কঢ়িয়াই লৈ ফুৰিছিল সেইবোৰ দেখা পালো এই দায়িত্ব গ্ৰহণ কৰাৰ পাছত। শৈক্ষিক দিশটো এক নতুন ৰূপত আগবঢ়াই নিবলৈ চেষ্টা কৰি যথেষ্ট সুফল পোৱা গ’ল। শিক্ষক-ছাত্ৰ-ছাত্ৰীসকলোকে একে নীতি-নিয়মৰ মাজত ৰাখি দৈনিক শিক্ষণ-শিকণৰ তথ্য দাখিল কৰাৰ কৰ্মৰ দ্বাৰা সকলোকে অধিক দায়িত্বশীল কৰি তুলিলে। নিতৌ য’তেই নাথাকিলেও Teaching Diary আৰু Teaching Plan ৰ গুগল ফৰ্মৰ লিংকটো দিবলৈ পাহৰা নাছিল। একে সময়তে NAAC ৰ কামটো জড়িত হৈ পৰিছিল। আমি যেতিয়া NAAC ৰ মূল্যায়ন সম্পৰ্কীয় কামৰ বাবে ব্যস্ত হৈ আছিলো ছাৰে প্ৰায়ে আমাৰ সৈতে সহযোগ আৰু উৎসাহ জগাইছিল। NAAC ৰ পৰিদৰ্শনৰ সময়তো NAAC ৰ দলটোৰ সৈতে আটাইকেইটা দিন লগত থাকি বহুত উপকাৰ কৰিছিল। পৰৱৰ্তী সময়তো NAAC এ দি যোৱা কৰণীয়খিনি কৰিবলৈ সমাধানসূত্ৰ বিচাৰি উলিয়াইছিল। ইয়াৰ ভিতৰত গ্ৰীণ অডিট (Green Audit) ৰ কামটো উল্লেখনীয়। গ্ৰীণ অডিটৰ বাবে দৰকাৰী এজেঞ্চী বিচাৰি আনি কামখিনি মোৰ হাতত গতাই দিছিল। মই অলপমান সময় দি কামখিনি ক্ষিপ্ৰতাৰে কৰি ইয়াৰ ৰিৰ্প’ট পাবলৈ সক্ষম হ’লো। এইখিনিতে মই IQAC ৰ হৈ ছাৰক কৃতজ্ঞতা প্ৰকাশ কৰিলো। ইয়াৰ উপৰিও ছাৰে প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সংস্থাটো পঞ্জীয়নৰ বাবে দৰকাৰী সকলো তথ্যপাতি যোগাৰ কৰি দিছিল। ছাৰ থকাৰ দিনত হৈ নুঠিল যদিও এই কামখিনি সোনকালে হ’ব বুলি আশা প্ৰকাশ কৰিলো।

(৪) RUSA ৰ ভাইচ চেয়াৰমেন হিচাপে ঃ- ২০২৩ চনৰ আগষ্ট মাহত অধ্যক্ষ মহোদয়ৰ পৰা RUSA নতুন কমিটি গঠনৰ জাননীখন পালো আৰু লগতে খবৰ পালো তাৰ দুদিন পাছতেই RUSA 2.0 আঁচনিৰ বাবে প্ৰ’পজেল পঠিয়াব লাগে। মই হতভম্ব। কেনেকৈ সম্ভৱ। কিন্তু কৰিবতো লাগিবই। সেই কমিটিখনত ছাৰ আছিল ভাইচ চেয়াৰমেন হিচাপে। কথাটো আলোচনা হ’ল। ছাৰৰ হাতত সমাধানসূত্ৰ ওলাল। ছাৰে ইতিমধ্যে আমাৰ কলেজৰ বাবে ITDP প্ৰস্তুত কৰি প্ৰেৰণ কৰিছিল। RUSA আঁচনিৰ এই ITDP ৰ সৈতে প্ৰায় মিল আছিল। ছাৰে কামত ধৰিবলৈ ক’লে আৰু নিজে ছাঁটোৰ দৰে থাকি আমাক সহায় কৰিলে। আমি ছাৰৰ সৈতে আমাৰ কমিটিৰ

সকলোৱে মিলি ৫ কৌটি বাজেটৰ প্ৰ'পজেল তৈয়াৰ কৰি জমা কৰিলো। যদিওবা আমি বৰ্তমানলৈকে RUSA ৰ ধন পোৱা নাই, আশা কৰিছো ভৱিষ্যতে আমি পাবলৈ সক্ষম হ'ম। এইখিনিতে ছাৰৰ অৱদানৰ কথা স্বীকাৰ কৰিবই লাগিব।

(৫) সোণালী জয়ন্তীৰ সময়ত ঃ- তাৰ পাছত ক'ব লাগিব সোণালী জয়ন্তীত কৰা ছাৰৰ কৰ্তব্যৰ কথা। ২০২৩ চনৰ ডিচেম্বৰ মাহত চলিছিল সোণালী জয়ন্তী আয়োজনৰ কাম। যুদ্ধ গতিত চলিছিল কামবোৰ। ভাগে ভাগে মানুহবোৰ গৈছিল পুঁজি সংগ্ৰহৰ বাবে, কৰিছিল নিজৰ নিজৰ কমিটিৰ কামবোৰ। কলেজখনৰ বাবে বিভিন্ন ধৰণেৰে কলেজ পৰিয়ালৰ প্ৰতিজন সদস্যই নিজকে উজাৰি দিছিল। সেই মহা আয়োজনত যাতে কোনো বিসংগতি নৰয় তাৰ অপ্ৰাণ চেষ্টা কৰিছিল আৰু শেষত লক্ষ্যত উপনীত হৈছিল। নামৰূপ মহাবিদ্যালয়ৰ প্ৰতিগৰাকী সদস্যৰ মনোবল আৰু অসম্ভৱকো সম্ভৱ কৰিব পৰা শক্তিক মানিবই লাগিব। এই বিশাল আয়োজনত কেইবাখন কমিটিৰ সৈতে আচাৰ্য ছাৰৰ লগত মোৰো যোৱা লাগি আছিল। প্ৰদৰ্শনী আৰু বিপনী প্ৰধান আছিল। ইয়াৰ বাবে ছাৰে যদিও সকলো আঁচনি আগতীয়াকৈ তৈয়াৰ কৰি লৈছিল তথাপি সকলোৰে লগত আলোচনা কৰিহে ফাইনেল কৰিছিল। বিপনীবোৰ কোনে ক'ত পাব, কিমান টকা লোৱা হ'ব সেইবোৰ ছাৰে খুউব সুক্ষ্মভাৱে ভাবি তৈয়াৰ কৰিছিল। আমোদজনক কথাটো হৈছিল ছাৰে ৰচিদ বুক লৈ বিপনীয়ে বিপনীয়ে ধন সংগ্ৰহ কৰি ফুৰাৰ দৃশ্য। সিদিনাখন ছাৰক কলেজৰ অধ্যাপক নহৈ কোনোবা সংগঠনৰ মানুহ যেন লাগিছিল। কোনোবা এজন বেপাৰীৰ লগত ভালদৰে তৰ্কও কৰিবলগীয়া হৈছিল। এই সকলোখিনি কৰিছিল কেৱল কলেজত প্ৰয়োজন হোৱা বৰ্ধিত ধনৰ বোজাত কিছু সকাহ দিয়াৰ উদ্দেশ্যে। এই কথাই ছাৰৰ কলেজখনৰ প্ৰতি থকা আন্তৰিকতা আৰু দায়বদ্ধতাৰ কথাকে চিহ্নিত কৰিছে।

ওপৰত কোৱাবোৰ ছাৰৰ সৈতে কৰা কিছু কামৰ কথাহে আৰু বহুতো কথা ছাৰৰ লগত পাতিছো। হয়তো লিখা নহ'ব। এই কথাবোৰৰ বেছিভাগ কথাই কলেজখনৰ ভৱিষ্যতক লৈ বিভিন্ন কল্পনা বা আঁচনি। ক'ৰ পৰা কি কি স্কীম আনি কলেজখন বিকাশ কৰিব পাৰি, স্থানীয় কি কি ইচ্ছুৰ ওপৰত কাম কৰিলে আমি উৰ্দ্ধতন কৰ্তৃপক্ষৰ উত্তৰৰ বাবে সাজু হৈ থাকিব পাৰো, আদি অনেক কথা। ছাৰে সদায় কয় নতুন চাম সকলোৱে সমানে আগবাঢ়ি আহিলে কলেজখন যথেষ্ট ভাল হ'ব আদি নানা উৎসাহজনক কথা, যিবোৰ কথাই আমাক কলেজখনৰ প্ৰতি অধিক দায়বদ্ধ হ'বলৈ শিকাইছিল। মাজে মাজে কলেজৰ অতীতৰ পৰিৱেশ আৰু বৰ্তমানৰ পৰিৱেশৰ মাজত দেখা তুলনামূলক অগ্ৰগতি বা অধোগতি দুয়োটাৰে কথা কৈছিল। এইবোৰ কথাৰ যোগেদি আমি কলেজখনৰ ইতিহাসৰ লগত চিনাকি হ'ব পাৰিছো।

ছাৰে যে সদায় চিৰিয়াচ কথাকেই কৈছিল, এনে নহয়। বিভিন্ন সময়ত খুহুটীয়া কথা কৈও আমাক হঁহুৱাইছিল। আনক হঁহুৱাব পৰাটোও এক কৃত্বিত্ব বুলিয়েই ভাবো। সেইয়া ছাৰৰ আছে।

ছাৰ এজন কৰ্মী আৰু পৰিশ্ৰমী মানুহ। ঘৰত হোৱা বিভিন্ন খেতি-বাতিৰ ফচল মাজে-সময়ে দেখুৱায় বা খাইছো। আশা ৰাখিছো অৱসৰৰ পাছত ছাৰে সেইবোৰ কামত নিয়োজিত হৈ সময়বোৰ আৰু বেছি মূল্যৱান কৰি তুলিব নতুন প্ৰজন্মৰ বাবে আদৰ্শ হৈ ৰ'ব।

শেষত, ছাৰৰ লগতে বাইদেউৰ সুস্বাস্থ্য কামনা কৰিছো। জুপি আৰু অৰ্পি দুয়ো সুপুত্ৰীৰ ভৱিষ্যতে সফলতাৰ শীৰ্ষতম স্তৰত উপনীত হোৱাৰ লগতে সুস্বাস্থ্যৰ গৰাকী হোৱাৰ কামনা কৰিছো। অৱশেষত ভৱিষ্যতেও ছাৰৰ পৰা ব্যক্তিগত আৰু পেশাগত দুয়ো দিশতে দিহা-পৰামৰ্শ লাভ কৰিম বুলি আশা কৰিলোঁ।

# *Fond Recollections with Respected Acharyya Sir*

✍ Daisy Rani Doley
Assistant Professor
Department of English
Namrup College

Expressing the essence of another person in words is both a thrilling and formidable challenge. As F. Scott Fitzgerald once said, "The most beautiful things in the world are not seen or even heard but felt with the heart." This sentiment reflects the complexity and depth involved in truly capturing another person's essence through words. As I look back on the eight years of my career at Namrup College, I realize how quickly time has flown. I first met Acharyya Sir in the Assamese department, and the one thing that stands out to me is his laughter, which brings happiness to everyone around him. His friendly demeanour and positive outlook on life are remarkable qualities that will forever be etched in our hearts. I also admire Sir's exceptional energy. He never seems to tire, whether he is driving from Jorhat to Namrup or returning after completing his duties. He consistently arrives on time, around without fail. Beyond that, Sir is known for his disciplined approach, and he will always be remembered for encouraging us to submit our teaching diaries and plans regularly.""He has made significant contributions to nearly every aspect of the college, including daily class preparation, IQAC-related work, and various academic and administrative tasks, where he has consistently been at the forefront. I will never forget how he personally reminded us to submit our teaching plans by sending individual messages. The eight years I spent with him will always be cherished, and I will remain forever grateful.""Lastly, I wish you all the best in your new journey, filled with happiness and good health.

# শ্ৰদ্ধাৰ ড০ পদ্ম আচাৰ্য্য ছাৰলৈ শুভেচ্ছামূলক অভিনন্দন

✍ ৰিজুমণি দাস
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
নামৰূপ মহাবিদ্যালয়

সৰ্পিল গতিত আগবঢ়া সময় নামৰ
ঘড়ীটোৰ চিন বলুকাত পেলাই থৈ !
উলটি গ'লো স্মৃতিৰ মণিকোঠ খুচৰিবলৈ।
ৰিঙিয়াই মাতিলে সন্ধিয়াৰ বেলিটোৱে
এয়া যে আৰম্ভণিৰ চিন,
এক নতুন যাত্ৰাৰ...
কাইলৈ ৰঙা সূৰুযটোৱে
মিচিকিয়াই সঁহাৰি দি
সহচৰ হ'বলৈ আগবাঢ়ি আহি
সাৱতি ল'লে আলফুলে।
এখন বহল পৃথিৱীলৈ
বাট মোকলাই দিলে।

(আচাৰ্য ছাৰৰ কৰকমলত উচৰ্গিত)

প্ৰথমতেই আপোনাক অভিনন্দন জনালোঁ, সুদীৰ্ঘ কৰ্মজীৱনৰ সফল সামৰণিত। সদায় ৰৌদ্ৰোজ্বল আচাৰ্য্য ছাৰ আমাৰ নিচিনা সৰু চামৰ আদৰ্শ। ছাৰক লগ পোৱা এই ছয় বছৰত তেখেতৰ হাঁহিতেই পৰিচয় পাইছো। কৰ্মদক্ষ আৰু সুক্ষ্ম বিচক্ষণ বুদ্ধিসম্পন্ন, মিতব্যয়ী ছাৰৰ পৰা শিকিব লগা বহুত আছে। খোলা হাঁহিৰ আঁৰৰ মানুহজনৰ পিছফালে বাইদেউৰ (চাৰৰ অৰ্দ্ধাঙ্গিনী) হাত আছে বুলি সকলোৱে জানো। বিশেষকৈ যোৰহাটৰ পৰা অহাৰ দিনাখন ছাৰে কেণ্টিনত বাইদেৱে ৰান্ধি দিয়া লেমন ৰাইচ, ৰুটি, টেঙাৰ জোল আদি অতি তৃপ্তিৰে খোৱা পৰিলক্ষিত কৰিছোঁ। ছাৰৰ কৰ্মদক্ষতাৰ কথা মহাবিদ্যালয়ৰ প্ৰতিগৰাকী শিক্ষকে জানে। বিশেষকৈ ৰসায়নবিজ্ঞান বিভাগৰ এগৰাকী সুদক্ষ অধ্যাপক হোৱাৰ লগতে তেখেতে মহবিদ্যালয়ৰ উপাধ্যক্ষৰ পদ অলংকৃত কৰিছে। ছাৰ আনুষ্ঠানিকভাৱে কৰ্মজীৱনৰ পৰা অৱসৰ ল'লে তেখেতে প্ৰতিদিনে দিয়া Teaching Plan আৰু Teaching Diary লৈ সদায় মনত পৰি থাকিব। তেখেতে দিয়া নিৰ্দিষ্ট Plan আৰু Diary এ প্ৰতিগৰাকী শিক্ষকক নিজৰ কৰ্তব্যৰ প্ৰতি দায়বদ্ধ হ'বলৈ অৱকাশ দিছে।

ছাৰ, কৰ্মদক্ষৰ সমানে খাদ্যৰসিক আৰু হাস্যৰসিক। চাহ বা ভাত খাওঁতে অলপ অলপকৈ সকলো বস্তু তৃপ্তিৰে ছাৰে খায়, লগতে ছাৰৰ হাঁহিৰ ৰহঘৰা। খুহুটীয়া কথা এটা অতি গভীৰভাৱে কৈ নিজেও হাঁহে আৰু আনকো হুঁহুৱায়। অৱসৰ সময়চোৱা সমাগত হোৱাত ছাৰলৈ যাঁচিছো অফুৰন্ত শুভকামনা। সদায় সুস্বাস্থ্যৰ অধিকাৰী হৈ সপৰিয়ালে সুখী হৈ থাকক।

# *To respected Dr. Padma Acharyya Sir*

✍ Dr. Urmika Phangchopi
Assistant Professor
Department of Botany
Namrup College

When I am new comer in this college, I am affright to talk to him as I find him a very strict and tough person. But as the time passed and working together with him, my perception about him was totally opposite. Then I realized that he is such a nice and a good hearted person. He has a very positive, affectionate, thoughtful, brave, bright and charming personality. Sir is very punctual and concerned about his duty. Over the last five years of working together with him, I got to learn so many new things from him. As I am not from this vicinity, for me the area was a new environment for both the service and personal life. Then I try to find all my senior colleagues as my guardian in this new environment far from my home and Acharyya Sir is also one among them that I feel safe and comfortable by his presence. The feeling of joy in working with him is remarkable. He will always remain as an inspiration and guidance for me and for the institution in general. All the moments that we have spent together during duty hours in college will always be remembered and also his ever ending valuable suggestion and guidance.

Sir, as an academic in-charge, always remind me to submit teaching diary and teaching plan as I am lazy enough to give those thing in time. He always call me by my surname Phangchopi and every day when I come across he always asked me that "Phangchopi ki khobor?" He always said that, he wish to visit Karbi Anglong and it will be a great pleasure if I could grabbed the opportunity to guide him during his visit.

Last but not the least, I congratulate him for the successful completion of his service period. The world is wide and its colorful endless opportunities and beauty is waiting for him to be explored. I wish him and his family a bright, happy and healthy future ahead in the new awaited life.

# *To Respected Acharyya sir, a true mentor…*

✍ Sajidur Rahman
HoD & Assistant Professor
Department of Zoology
Namrup College

We are delighted to celebrate a major milestone in the career of our respected Dr. Padma Acharyya sir, who has not only been a colleague but also a true mentor. It's hard to put into words just how much you have meant to all of us. From the very first day, your professionalism, expertise, and genuine care for both students and colleagues set you apart. You've always been someone I could turn to for guidance, whether for academic advice, career direction, or simply a thoughtful conversation.

I'll remember the endless hours spent collaborating on projects, sharing ideas, and supporting one another through the challenges that came our way, especially during NAAC inspection and other challenges like Golden Jubilee, etc. Your dedication to your work has been a constant source of inspiration, and your ability to mentor, all while maintaining humility and kindness, is something I aspire to. As I reflect on the memories we've shared, whether it was tackling tough assignments like the preparation of the Institutional Development Plan (IDP), celebrating successes, or simply sharing a laugh, especially during the journey to Jorhat or other activities. I am truly grateful for the impact you've had on me both professionally and personally.

As you step into the next chapter, know that your influence will continue to resonate with us. Thank you for being such a remarkable mentor, and I wish you the best in your future endeavors. Your legacy will forever be part of our shared journey.

Wishing you all the best in your future endeavours, Sir !

# *Honouring Dr. Padma Acharyya Sir*

✍ Krishna Kalita
HoD & Assistant Professor
Department of History
Namrup College

Some individuals leave behind not just memories but a lasting legacy, and Dr. Padma Acharya Sir, Vice Principal and Associate Professor, Department of Chemistry, Namrup College, is one such remarkable figure. His dedication to academics, leadership, and institutional progress has shaped the very foundation of our college. As the academic in-charge of the college, he introduced innovative reforms such as online submission of teaching plans and teaching diaries, enhancing efficiency and structure in academic processes.

His positive approach, leadership, and dedication have inspired both students and faculty. Beyond academics, his kindness and encouragement have always been a source of motivation and support. As he retires, we express our heartfelt gratitude and best wishes for a fulfilling new chapter in life.

Thank you, sir, for your invaluable contributions .

# *To my inspiration, guide & mentor…*

✍ Kakoli Baruah
Assistant Professor
Department of Botany
Namrup College

As I sat down to jot down my thoughts for your "Leseri", I flew back down the memory lane to my first day at Namrup College. Someone asked me about my native place to which when I replied Jorhat, I was referred to about you. My mind filled with a sense of familiarity. When I met you in person, I was even more amazed to know someone so vibrant and energetic.

I shall always cherish the days when we along with Bordoloi Sir, used to travel to and fro Jorhat. The halt at Nazira for tea/ snacks, your correct estimation of time for reaching the destination, friendly taunts and humour, love for music while driving mimicry of Needli, parenting tips and push to achieve heights in career, everything will be treasure box in my memory. Above all I was always astonished to wonder how effortlessly you shuttled between Jorhat and namrup thrice a week with full enthusiasm and vitality.

Your supervision and captaincy have been invaluable, shaping both the institution and the lives of those fortunate enough to be under your guardianship.

